# অসম বিধান সভা অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখ ঃ ০২/০৪/২০১৮ সোমবাৰ

**মাননীয় অধ্যক্ষ :** Question no. 381. Shri Birbhadra Hagjer. He is absent. question No. 382. Md.Nurul Huda. Minister please.

**শ্ৰী পল্লৱ লোচন দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী নুৰুল হুদা ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো মাননীয় মন্ত্ৰী মহোদয়ে দিছে মোৰামাৰী আৰু সুতাৰগাৱঁত ৮৬ টা পৰিয়ালৰ ২১০ জন লোক গড়াখহনীয়াত ক্ষতিগ্ৰস্ত হৈছে। মাননীয় অধ্যক্ষ মহোদয়, যোৱা ০৬-০২-২০১৭ তাৰিখত এই বিধান সভাৰ পবিত্ৰ মজিয়াত মাননীয় মন্ত্ৰী মহোদয়ে তেখেতৰ উত্তৰত ধিং ৰাজহ চক্ৰৰ অৰ্ন্তগত মোৰামাৰী অঞ্চলত ১৩৩ টা পৰিয়াল ক্ষতিগ্ৰস্ত হোৱা বুলি কৈছিল আৰু আজি ক'লৈ ৮৬ টা পৰিয়াল। আঁচলতে অধ্যক্ষ মহোদয়, ৮৬ বা ১৩৩ টা শুদ্ধ নহয়। তাত মুঠ ৪০৭ টা পৰিয়াল ক্ষতিগ্ৰস্ত হৈ আছে। এই ক্ষতিগ্ৰস্ত লোক সকল মথাউৰিত এনেকুৱা অৱস্থাত আছে অ-স্বাস্থ্যকৰ পৰিবেশ, শিক্ষাৰ কোনো ব্যৱস্থা নাই, জুপুৰী ঘৰত থাকে। ধুমুহা বৰষুণ আহিলে তেওঁলোকৰ যন্ত্ৰনাদায়ক জীৱন আৰম্ভ হয়। বহু বেয়া অৱস্থাত তেওঁলোক থাকিব লগীয়া হৈছে। যোৱা বিধান সভাৰ মজিয়াতো মন্ত্ৰী মহোদয়ে আশ্বাস দিছিল আৰু আজিও কৈছে যে উক্ত ক্ষতিগ্ৰস্ত ভেটিহীন লোক সকলৰ সংস্থাপনৰ বাবে অহা দুমাহৰ ভিতৰত চৰকাৰী নীতি অনুসৰি ব্যৱস্থা লবলৈ নগাওঁ জিলাৰ উপায়ুক্তক নিৰ্দ্দেশ দিয়াৰ ব্যৱস্থ্য কৰা হৈছে বুলি কৈছে। কিন্তু অকল নগাওঁৰ কথাতো কৈছে, মৰিগাওঁৰ কথাটো কোৱা নাই। মৰিগাওঁ আৰু নগাওঁ দুইখন জিলাৰে লোকসকল ক্ষতিগ্ৰস্ত হৈ আছে। মই জনামতে মোৰামাৰী অঞ্চল ১৮৬ টা পৰিয়াল, সুতাৰগাওঁত ৮২ টা পৰিয়াল, গেৰুৱামুখত ১৩৯ টা পৰিয়াল, মুঠ ৪০৭ টা পৰিয়াল ক্ষতিগ্ৰস্ত হৈ আছে। গতিকে এই ক্ষতিগ্ৰস্ত লোক সকলক যাতে অনতি পলমে খেতি মাটি তথা গৃহ সংস্থাপন দিয়া হয় তাৰ বাবে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** Thank you. Minister please.

**শ্ৰী পল্লৱ লোচন দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যিখিনি তথ্য পাইছো সেইখিনি উপায়ুক্তৰ পৰা গ্ৰহণ কৰিছো আৰু উপায়ুক্তই দিয়া তথ্য অনুসৰি কি কি পদক্ষেপ গ্ৰহণ কৰিব পৰা যায় ইতিমধ্যে আমি নিৰ্দ্দেশ দিছো যে যিসকল ক্ষতিগ্ৰস্ত লোক তাত আছে তেওঁলোকক অন্যঠাইত মাটিৰ ব্যৱস্থা কৰিব পৰা যায় নেকি আৰু অন্যান্য যিখিনি সুবিধা norms ৰ মতে দিব পৰা যায় সেইখিনি কৰিবৰ বাবে ইতিমধ্যে দিছো আৰু আমি নিজেও চোৱা চিতা কৰিম যে কেনেকৈ আমি সেই কামখিনি সোনকালে কৰিব পাৰো। মাননীয় অধ্যক্ষ মহোদয়, যিহেতু বিষয়টো মাননীয় বিধায়ক নুৰুল হুদা ডাঙৰীয়াৰ সমষ্টিৰ গতিকে তেওঁ সেই অঞ্চলৰ গোটেই বিষয়খিনি জানে কিন্তু এই যিসকল লোক খুব সম্ভৱ এই লোক সকল আহি বহু বছৰ হ'ল সেই অঞ্চলত থকা। গতিকে নিশ্চয় তেওঁ এইটো জানে যে এই কথাখিনি হৈছিল। কিন্তু আজি আকৌ ইমান বছৰ ধৰি সেই মানুহখিনিৰ ব্যৱস্থা কিয় তাত কৰিব পৰা নগ'ল সেইটো এটা ডাঙৰ কথা। সেই কাৰণে আমি

মাননীয় উপায়ুক্তৰ জৰিয়তে সংস্থাপনৰ যিখিনি ব্যৱস্থা গ্ৰহণ কৰিব লাগে আমি গ্ৰহণ কৰিম।

**শ্ৰী নুৰুল হুদা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা বিধান সভাৰ ০৬-০২-২০১৭ তাৰিখে বিধান সভাত ১৩৩ টা পৰিয়ালৰ কথা ক'লে আৰু আজি ৮৬ টা পৰিয়ালৰ কথা ক'লে। দুটা তথ্য উপায়ুক্ত মহোদয়ে পোৱা বুলি কৈছে গতিকে কোনটো সঁচা?

**শ্ৰী নুৰুল হুদা ঃ** আগৰটো দিছিল ০৬-০২-২০১৭ তাৰিখে বিধান সভাৰ মজিয়াত আৰু এতিয়া সংখ্যা বাঢ়িছে। অধ্যক্ষ মহোদয়, ক্ষতিগ্ৰস্ত লোক সকলৰ তালিকা মোৰ লগত আছে। ৪০৭ টা পৰিয়াল তাত আছে। গতিকে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে এই ক্ষতিগ্ৰস্ত লোক সকলৰ বাবে কিবা ব্যৱস্থা কৰে কাৰণ তেওঁলোকে পশুৰ নিচিনাকৈ বাস কৰি আছে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াই আপোনাক সুধিছে যে তেওঁলোক তাত বহুদিনৰ পৰা আছেনে? কিমান দিনৰ পৰা বসবাস কৰি আছে?

**শ্ৰী নুৰুল হুদা ঃ** পৰ্য্যায়ক্ৰমে বছৰি বছৰি গড়াখহনীয়াই খহাই লৈ গৈ আছে আৰু ক্ষতিগ্ৰস্ত লোক সকল তাত বসবাস কৰি আছে আৰু এটা ডাঙৰ সমস্যা হৈছে মাননীয় অধ্যক্ষ মহোদয়, এই মানুহখিনিৰ যেতিয়া ঘৰবাৰী নাইকিয়া হৈ যায় গড়াখহনীয়াত তেওঁলোকে মথাউৰিত বসবাস কৰিব লগীয়া হয়। তেতিয়া তেওঁলোকক সন্দেহ কৰা হয় যে তেওঁলোক বাংলাদেশৰ পৰা আহিছে। গতিকে এই মানুহখিনিক গড়াখহনীয়াত ক্ষতিগ্ৰস্ত বুলি প্ৰমাণ পত্ৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে। প্ৰমাণ পত্ৰ পালে তেওঁলোক যি বাংলাদেশৰ পৰা অহা বুলি অপযশ পায় সেই অপযশৰ পৰা ৰক্ষা পাব। এই কথাখিনি মই মই সদনত অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** Thank you. Minister.

**শ্ৰী পল্লৱ লোচন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই মানুহখিনি দীৰ্ঘদিন মথাউৰিৰ ওপৰত বসবাস কৰি আছে। যিহেতু আপোনালোক বিধায়ক সকল তাত SDLAC বহে, যেতিয়া SDLAC ৰ সভা হয় সেই সভাত এই ক্ষতিগ্ৰস্ত লোক সকলক কেনেকৈ ভূমি দিব পৰা যায় সেইটোৰ এটা পদক্ষেপ লোৱা দৰকাৰ। আৰু যিহেতু SDLAC ত লেণ্ড বেংকৰ ব্যৱস্থা আছে য'ত available land আছে, যিসকল লোকক সংস্থাপন কৰিব পৰা যাব সেইখিনি পদক্ষেপ যদি তাতেই ল'ব পৰা যায় ইয়ালৈ অহাৰ কোনো কথা নাই। কাৰণ উপায়ুক্তৰ হাততেই কতৃত্ব প্ৰদান কৰা হৈছে যে উপায়ুক্তই তাত ভূমি আবন্টন দিব পাৰে। সেই কাৰণে আমি আশা কৰিম যে এইবাৰ SDLAC ৰ সভা যেতিয়া হ'ব তাত আপোনালোকে এই বিষয়টো উৎথাপন কৰি তেওঁলোকক ভূমি প্ৰদান কৰিব পৰা যায় নেকি তাৰ ব্যৱস্থা আপোনালোকে গ্ৰহণ কৰক আৰু সেই অঞ্চলৰ যিটো তথ্য আপুনি দিছে যে যোৱাবাৰ যিটো ঠাইত ৮৬ টা পৰিয়াল গড়াখহনীয়াত ক্ষতিগ্ৰস্ত হৈছে বুলি কৈছে কিন্তু মথাউৰিত থকাৰ সংখ্যা যেতিয়া আমি চালো তাত ২৭ টা পৰিয়ালৰহে কথা কোৱা গ'ল। তাৰমানে কিছুমান ক্ষতিগ্ৰস্ত হলেও মথাউৰিত তেওঁলোক নাথাকি বেলেগ ঠাইতো তেওঁলোক থাকিব পাৰে। সেই কাৰণে ক্ষতিগ্ৰস্ত হ'লেও আজিৰ দিনত মথাউৰিত বসবাস কৰাৰ যিটো তথ্য গোটাইছো সেই তথ্য অনুসৰি ২৭ টা পৰিয়ালৰ ১৬৯ গৰাকী তাৰ মথাউৰিত বসবাস কৰি আছে। ইয়াৰে ভিতৰত ১৭ টা পৰিয়ালৰ ১০৩ জন লোক গড়াখহনীয়াত ক্ষতিগ্ৰস্ত হৈছে। সেই বুলি তেওঁলোকে নতুনকৈ তথ্যখিনি দিছে। গতিকে এইখিনি আমি সোনকালে কৰাৰ কাৰণে ব্যৱস্থা কৰিম। যাতে তেওঁলোকক সোনকালে সংস্থাপিত কৰিব পৰা যায়।

**শ্ৰী নুৰুল হুদা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা অনুৰোধ জনাইছো, মাননীয় মন্ত্ৰী মহোদয় বা

ইয়াৰ পৰা কমিটি এখন আপোনালোকে গঠন কৰি দিয়ক আৰু তেওঁলোকে গৈ প্ৰত্যক্ষ ভাৱে দৰ্শন কৰি আহক। তাত ২৭ টা পৰিয়াল আছেনে কিমান আছে। মোৰ হিচাপত মথাউৰিৰ ওপৰত ৪০৭ টা পৰিয়াল আছে। গৈ চাব লাগে আৰু শুদ্ধটো বিবেচনা কৰি এই দুৰ্গত মানুহখিনিক সহায় কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ প্ৰশ্নটো ঠিকেই আছে। এতিয়া যিহেতু আকৌ এখন মিটিং Assembly ৰ পিছতেই তাত হ'ব Disaster Management ৰ গতিকে মই বিচাৰিছো আপুনি এই মিটিংখনত গোটেই কথাখিনি ক'ব আৰু মন্ত্ৰী ডাঙৰীয়াক আহি পোনপটীয়াকৈ গোটেই তথ্যখিনি দিব। যদি তেনেকুৱা কিবা বিসংগতি আছে ময়ো মন্ত্ৰী মহোদয়ক ক'ম। যিহেতু গড়াখহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়াল। গতিকে সহানুভূতিৰে চাব। এতিয়া প্ৰশ্ন নং ৩৮৩। শ্ৰী ফনী ভূষন চোধুৰী। প্ৰত্যেক দলৰে এটা এটাকৈ supplementary হ'ব। আপোনালোকে ঠিক কৰি লওঁক।

**শ্ৰী পল্লৱ লোচন দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ফনীভূষণ চৌধুৰী, (বঙাইগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে, অসমত কিছুসংখ্যক গাঁও আংশিকভাৱে বৈদ্যুতিকৰণ কৰা হৈছে। মাননীয় মন্ত্ৰী মহোদয়ে অনুৰোধ কৰি জনাব নে এতিয়ালৈকে সম্পূৰ্ণভাৱে বৈদ্যুতিকৰণ কৰা হোৱা গাওঁ আমাৰ এতিয়ালৈকে কিমানখন আছে আৰু আংশিকভাৱে বৈদ্যুতিকৰণ হ'বলগীয়া গাওঁ কিমান আছে। মাননীয় মন্ত্ৰী মহোদয়ে জনালে ভাল পাম। দ্বিতীয়তে ইয়াত কৈছে যে অসমত APDCL ৰ বিদ্যুৎ উৎপাদনৰ যোগেদি যে ইয়াত ৯০ মেগাৱাট, ৬০ মেগাৱাট ১০০ মেগাৱাট আৰু ৩ মেগাৱাট। কিন্তু গ্ৰীষ্মকালীন সময়ত চলা ইয়াত ১৮২০ মেগাৱাট সৰ্বনিম্ন ১২ শ মেগাৱাট। শীতকালীন সৰ্বোচ্চ ১৪৫০ মেগাৱাট আৰু সৰ্বনিম্ন ৭০০ মেগাৱাট। এতিয়া মাননীয় মন্ত্ৰী মহোদয়ে এই যে, অসমৰ বিদ্যুতৰ যিটো চাহিদা, এই চাহিদা সম্পূৰ্ণ আনৰ পৰা নোলোৱাকৈ আমাৰ আমাৰ ৰাজ্যখনত কেতিয়া এই বিদ্যুৎ উৎপাদন কৰিব পৰা হ'ব তেনেধৰণৰ কিবা পৰিকল্পনা আমাৰ ৰাজ্য চৰকাৰৰ বা বিদ্যুৎ বিভাগৰ আছে নেকি ? মাননীয় মন্ত্ৰী মহোদয়ে জনালে ভাল পাম।

**শ্ৰী পল্লৱলোচন দাস, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰথম পৰ্য্যায়ত যেতিয়া ৰাজীৱ গান্ধী বৈদ্যুতিকৰণ আঁচনি অহা হ'ল, সেই আঁচনিৰ জৰিয়তে অসমৰ যি সমূহ গাঁৱত, বিজুলী যোগানৰ ব্যৱস্থা নাই, তেওঁলোকক সেইখি নি সংযোগ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিলে। ২০০৭ চনৰ পৰা এই পদক্ষেপ গ্ৰহণ কৰা গ'ল আৰু প্ৰথমতে যেতিয়া কৰা গৈছিল 2000,ত10th plan বুলি কৈছিল RGVI 10th Plan. 10th Plan 2007 ত আৰম্ভ হৈছিল আৰু 2007 ত যেতিয়া আৰম্ভ হৈছিলে, তেতিয়া তিনিখন জিলাক লোৱা হৈছিল আৰু তেতিয়া কথা আছিল যে, যিসমূহ গাঁও একেবাৰে বিজুলী সংযোগৰ ব্যৱস্থা নাই, সেইসমূহ গাওঁ আৰু তাতে দৰিদ্ৰ সীমাৰেখাৰ তলত যিসমূহলোক তেওঁলোকক দিয়াৰ কাৰণে এইটো পদক্ষেপ গ্ৰহণ কৰা হ'ল। ইয়াৰ পৰৱৰ্তী পৰ্য্যায়ত ইয়াৰ ৰিভাইচ কৰা গ'ল।10th Plan,11th Plan, 12th Plan আৰু এতিয়া দীনদয়াল উপাধ্যায় গ্ৰাম্যজ্যোতি যোজনা তাৰ জৰিয়তে আৰু এতিয়া নতুনকৈ সৌভাগ্য আঁচনি। এই গোটেইখিনি আঁচনি লৈ তিনিটা পৰ্য্যায়ত গাওঁসমূহ ভাগ কৰা হ'ল। এখন হৈছিল একেবাৰে Unelectrified Village, দ্বিতীয়তে হৈছে Partially electrified village যিখিনি আংশিক হৈছে আৰু শেষত intensified electrification. এতিয়া যিটো Unelectrified village বুলি কোৱা হৈছে **১৬০** খন যিটো PGR,VGR land, Forest land এইখিনিক বাদ দি বাকী আমি গোটেইখি নি গাঁৱে10% of the total popula-

tion ৰ যিটো connection ৰ কথা কৈছে সেই unelectrified villageখিনি অসমত সম্পূৰ্ণ হৈ গৈছে। কিন্তু অসমত আগতকৈ ডাঙৰ প্ৰত্যাহ্বান হৈছে যে, যিটো Partially electrified village আৰু intensified electrification. এই Partially electrification ৰ কাৰণে আমি এতিয়া এই 12th Plan ৰ জৰিয়তে কামখিনি আমি ইতিমধ্যে কৰিবলৈ দিছো। আমি সকলো সন্মানীয় বিধায়কক আপোনালোকৰ নিজৰ নিজৰ বিধান সভা সমষ্টিত এইবাৰ যিখিনি কৰিবলগীয়া কাম আছে ব্লক ৱাইজ, আমি প্ৰত্যেকে একোখনকৈ চিঠি দিম আৰু যিসকল ঠিকাদাৰ আৰু যিখিনি সেই সমূহ বিভাগৰ বিষয়া আপোনালোকে এতিয়া বিধান সভাৰ পৰা গৈ কোনটো অঞ্চলত কিমান কাম আছে আপোনালোকে সেইখিনি খতিয়ান ল'ব। তাৰ উপৰিও পৰৱৰ্তী পৰ্য্যায়ত আমাৰ সৌভাগ্য বুলি যিখন আঁচনি আৰু সেই সৌভাগ্য আঁচনিৰ জৰিয়তে যিমানখিনি আমাৰ প্ৰত্যেকটো গৃহত APL হওঁক BPL হওঁক সকলোকে আমি connection দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছো। এই সৌভাগ্য আঁচনিৰ জৰিয়তে আমি সকলোকে connection ৰ ব্যৱস্থা কৰিম। এইখিনি কাম এ্তিয়া আমাৰ পৰ্য্যায় ক্ৰমে চলি আছে। কিন্তু ইয়াত দুটামান বিষয়ত অকনমান বিসংগতি বা অসুবিধা আছে প্ৰথম এটা হয় যে, আমাৰ যিটো চাৰ্ভে এই চাৰ্ভেটো আগতে Properly হোৱা নাছিল। সেই কাৰণে চাৰ্ভে কৰাৰ সময়খিনি অলপ আমাৰ অসুবিধা হয়। গোটেইখিনি চাৰ্ভে কৰি আকৌ আমি কামখিনি কৰিব লাগে আৰু দ্বিতীয় কথাটো আমাৰ ইয়াত কাম কৰাৰ সময়টো এই বাৰিষাৰ সময়ত খুব কম থাকে। সেই কাৰণে কাম কৰাৰ সময় যিহেতু আমি কম পাওঁ, সেই কাৰণে প্ৰগ্ৰেছটো যিমান আমি খৰতকীয়া কৰিব লাগে, সেই প্ৰগ্ৰেছটো অলপ slow হৈ যায়। সেই কাৰণে সন্মানীয় বিধায়কক অনুৰোধ জনাম, আপোনালোকে যদি গোটেই প্ৰক্ৰিয়াটোত এইবাৰ জড়িত হৈ যায়, আমি প্ৰত্যেক্ষভাৱে আপোনালোকলৈ চিঠি প্ৰেৰণ কৰিম। জৰিত হৈ গ'লে মই ভাৱো আগতকৈ কামখিনিৰ প্ৰগ্ৰেছটো আগবঢ়াব পাৰিম। আৰু দ্বিতীয় কথা শ্ৰী ফনীভূষণ চৌধুৰী ডাঙৰীয়াই যিটো কৈছে যে, আমাক কিমান power ইয়াত লাগে। Total power,যেতিয়া pick hours হয়, যেতিয়া summer seasson থাকে, তেতিয়া আমাক **১৮ শ** মেগাৱাটতকৈ বেছি আমাক পাৱাৰৰ প্ৰয়োজন হয় আৰু summer তে যেতিয়া off pick হয় তেতিয়া হয়তো **১২ শ** মেগাৱাটৰ আমাক তাত power,লাগে। কিন্তু আমাৰ ইয়াত নিয়ম মতে আমি নিজে কিছুমান জেনেৰেট কৰি আছো আৰু কিছুমান Central Governmentৰ যিখিনি allocation থাকে, PPA sign হৈছে, সেই PPA ৰ আধাৰত আমি সেইখিনি লওঁ। আৰু যিখিনি আমি তাৰো লব নোৱাৰো, সেইখিনি ইয়াত exchange তগৈ আমি powerটো কিনো। যোৱাবাৰ আমি চাৰে এঘাৰ টকা দি হ'লেও power কিনিছো যাতে পাৱাৰ ইয়াত কম নহয়। আমাৰ Load shedding ৰ অসুবিধা নাই। আমাৰ কেৱল Distribution Network টো শক্তিশালী নোহোৱাৰ কাৰণে আমি power খিনি লৈ যাব নেৱাৰো। কিন্তু আমাৰ ইয়াত Load shedding ৰ পৰিৱেশ হোৱা নাই। আমাক যিমান power লাগে, সিমান power লওঁ। কিন্তু Distribution কৰিবৰ কাৰণে যিটো লাইনৰ প্ৰয়োজন, সেইটোত আমাৰ অসুবিধা আছে আৰু এইবাৰ আমি generation of power বঢ়াবৰ কাৰণেও আমি কেইবাটাও নতুন আঁচনি গ্ৰহণ কৰিছো আৰু আমি আশা কৰিছো যে, এই power generation বঢ়াবৰ কাৰণে আমি যিখিনি পদক্ষেপ লৈছো, ভৰিষ্যতে অসমে sufficient power generation কৰিব পাৰিব বুলি আশা কৰিছো।

**শ্ৰী ফনীভূষণ চৌধুৰী, (বঙাইগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে, ক'লে

যে যিবিলাক আংশিক বা একেবাৰেই বৈদ্যুতিকৰণ হোৱা নাই, সেই গাওঁসমূহত বৈদ্যুতিকৰণ কৰা হ'ব বুলি কৈছে। কিন্তু কথাটো হৈছে যে, দীনদয়াল উপাধ্যায় গ্ৰাম্য বৈদুতিকৰণ আঁচনিৰ অধীনত কাম বিলাক হৈ আছে। এতিয়া কথাটো হৈছে যে, আমাৰ জিলাত বিশেষকৈ বঙাইগাওঁ সমষ্টিত ঠিকাদাৰক কামটো দিলে। ঠিকাদাৰে এতিয়া নিজাববীয়াকৈ জৰীপ কাৰ্য্য চলাই আছে। এতিয়া জৰীপ কাৰ্য্য চলাই থকাৰ ফলত আচলতে আমাৰ বিধায়ককে আদি কৰি যিসকলৰ ৰাজ্যৰ প্ৰতিনিধি তেওঁলোকক আস্থাত লোৱা নাই আৰু তেওঁলোকে এই জৰীপ কাৰ্য্য সম্পূৰ্ণ কৰাৰ পাছত এপ্ৰোভেল হোৱাৰ কামবিলাক আৰম্ভ কৰিব। কামবিলাক আৰম্ভ কৰাৰ পাছত দেখা গৈছে কিছুমান গাওঁত আংশিক ভাৱে বৈদ্যুতিকৰণ হোৱা গাওঁ বাদ পৰি যাব। এনেধৰণৰ আংশকা নথকা নহয়। গতিকে সেই কাৰণে মাননীয় মন্ত্ৰী মহোদয়ক ক'ব বিচাৰিছো যে, এই জৰীপ কাৰ্য্য সম্পূৰ্ণ কৰাৰ সময়ত যাতে বিধায়ক সকলৰ আস্থাত লয় তাৰ কাৰণে মই অনুৰোধ কৰিছো আৰু সোনকালে যিবিলাক সমষ্টি বা যিবিলাক জিলাত বৈদ্যুতিকৰণৰ কাৰণে ঠিকাদাৰৰ কাম allotment কৰা নাই। সেই কামবিলাক যাতে খৰতকীয়াকৈ আৰম্ভ কৰে তাৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক ব্যৱস্থাগ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছো।

**শ্ৰী পল্লৱলোচন দাস, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে কৈছো, বিশেষভাৱে শ্ৰীফনীভূষণ চৌধুৰী ডাঙৰীয়াই যিটো প্ৰশ্ন উত্থাপন কৰিছে, তাৰ উত্তৰত কওঁ যে, এইবাৰ আমি বঙাইগাওঁ জিলাই হওঁক ,ধুবুৰী জিলায়েই হওঁক আদি অন্যান্য জিলাত আমি এইবাৰ 12th Plan ত যিখিনি কাম allotment দিছো, সেই সমূহৰ ঠিকাদাৰ আৰু আমাৰ তাত AGM Re-Monitoring যে. গোটেই কামখিনি চায় তেখেতৰ লগত আমি সুকীয়াকৈ এখন সভা পাতি বিধায়ক অনুযায়ী আপোনালোকক কৰিবৰ কাৰণে আমি নিৰ্দেশ দিম। আমি এইবাৰ কৈছো, যোৱাবাৰ অধ্যক্ষ মহোদয়, এইটো এটা অসুবিধা ৰৈ গ'ল যে RGVI কাম কৰোতে এখন গাওঁত যেতিয়া আমি কাম কৰিলো তাত BPL আৰু APLগোটেইখিনিক মিলাইআমিBPLপ্ৰায়ৰিটি দিব লাগ। এইখিনি কাম কৰোতে ক'ৰবাত যথেষ্ট বিসংগতি থাকিলে আধা কাম হ'ল, আধা নহ'ল এনেকুৰা হৈ গ'ল। এইবাৰ যিটো আমি নিৰ্দেশ দিছো যে কোনোবা এখন গাওঁত ঠিকাদাৰে কাম সম্পূৰ্ণ কৰি আহিব, তাত যাতে এটা ঘৰো বাদ পৰি নাযায়। আমি APL হওঁক BPL হওঁক সকলোকে connection দি সেই গাওঁখন সামৰি দিব কৈছো। সামৰি দিয়াৰ পিছতহে অন্যান্য বেলেগ এখন গাওঁত গৈ কামখিনি কৰিবলৈ দিছো। সেই কাৰণে আমি মাননীয় বিধায়ক সকলক অনুৰোধ জনাম যে, প্ৰায়োৰিটি লিষ্টখন আপোনালোকে ঠিকাদাৰৰ লগত আৰু বিভাগীয় বিষয়াৰ লগত বহি বনাই দিয়ক যে, কোনখিনি গাওঁত আচলতে প্ৰায়োৰিটি হিচাপে কৰিব লাগে আৰু সেই অনুসৰি আমি গোটেইখিনি কাম কৰিবলৈ আমি ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী তপন গগৈ।

**শ্ৰী তপন কুমাৰ গগৈ, (সোনাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটোত মোৰ দুটামান কথা মন্ত্ৰী মহোদয়ৰ পৰা আপোনাৰ জৰিয়তে জানিব বিচাৰিছো। মন্ত্ৰী মহোদয়ে কৈছে যে, ইতিমধ্যে যিবিলাক গাঁৱত কাম হৈ আছে দুঘৰ এঘৰ বাকী থাকি আহিব নালাগে সকলো কৰি আহিব লাগে। কিন্তু যিবিলাক ঠিকাদাৰক কাম কৰিবলৈ দিয়া হৈছে, এখন গাওঁত, এটা চুকত যদি পাচ ঘৰ আছে, যদি খুটা নিবলৈ হয়, তেতিয়া চাৰিঘৰ পাচঘৰ মানুহ এতিয়াও ৰৈ আছে। সেইখিনি কিন্তু কোনো ধৰণৰ কাম কৰা নাই। তেনেকৈ অসংখ্য গাওঁ আছে আৰু সেইবিলাকৰ এতিয়াও ঠিকাদাৰক কোৱাৰ লগে লগে ঠিকাদাৰে কয় যে, আমাৰ সেই কাম বিলাক কৰিবৰ কাৰণে কোনো ধৰণৰ অনুমতি নাই

এইখিনিলৈকে আছিলে আমি এইখিনি নকৰো। আমি বিষয়া সকলক কোৱাৰ লগে লগে বিষয়া সকল কয় যে, ওপৰৰ পৰা permission ল'ব লাগিব। তেনেক্ষেত্ৰত সেই মানুহখিনি যদি থাকি আহে, তেতিয়াহ'লে পৰৱৰ্তী দিনত চাৰিঘৰ মানুহৰ কাৰণে তাৰৈ খুটা কেতিয়াওঁ নাযায়। এইটোৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিব। চাৰি-পাঁচ ঘৰ এনেকুৰা অসংখ্য মানুহ মোৰ তাত থাকি আহিছে। দ্বিতীয়তে আমাৰ চাহ বাগিচা বিলাক , এতিয়া cluster চিষ্টেমত, চাহ বাগিচা বিলাকত মেনেজমেন্টে পইচা তুলি APDCL ক দি আছে। কিন্তু cluster System ত পইচা তোলোতে, সকলো চাহ শ্ৰমিকৰ একেলগে পইচাটো তোলে। এতিয়া শ্ৰমিকসকলে কৈ আছে যে আমাক Meter দিব লাগে, আমি যাতে indivisual পইচাটো দিব পাৰো। এইটো ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰা হব?

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে।

**শ্ৰী পল্লৱ লোচন দাস, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম কথা হৈছে যিটো Partially Electrified Village ৰ কথা কৈছে, য'ত intensified electrification অৰ্থাৎ প্ৰত্যেক ঘৰ মানুহৰ তাত আমি নিয়াটো তেখেতে কৈছে, আগৰ যিটো 11th plan ত আছিল 11 plan ত এইটো Planing নাছিল যে গোটেই গাওঁখন সম্পূৰ্ণ কৰি আহিব। সেই কাৰণে 11th plan ত কামখিনি য'ত য'ত চলি আছিল, সেইখিনি কামৰ কাৰণে কৰবাত ৪/৫ ঘৰ মানুহ থাকি গ'ল, যিখিনি সামৰি লব পৰা ন'গল এতিয়া আমি যেতিয়া 12th plan ত কাম কৰিবলৈ দিছো, ইয়াৰ জৰিয়তে আমি কৈছো যে এই ৩/৪ ঘৰ য'ত য'ত থাকি গৈছে সেইখিনি বিধায়ক সকলে Prioritize কৰি সেইখিনি কাম একেবাৰে সম্পূৰ্ণ কৰিব, প্ৰত্যেক গাৱত। আমি সেই কাৰণে এই আচঁনিটো লৈছো। ইয়াৰ উপৰিও Govt. of India ই এইবাৰ সৌভাগ্য বুলি আঁচনি এটা লৈছে হৰ ঘৰ বিজুলী বুলি যিটো আঁচনি লৈছে সৌভাগ্য, সেই সৌভাগ্যত দুই ধৰণে কাম কৰিব। প্ৰথমটো হৈছে যিখন Socio Economic Caste Census আছিল, আমি BPL বুলি কিছুমান মানুহক সামৰি লৈ আমি দিছিলো, কিন্তু নিয়মমতে বহু তেনেকুৰা BPL থাকি গ'ল এই Survey টোত ভুল থকাৰ কাৰণে তেওঁলোকে Connection লব নোৱাৰে, এই Connection লব নোৱাৰা খিনি মানুহ থাকি গ'ল। সেই খিনিক আমি সৌভাগ্য আঁচনিৰ জৰিয়তে APLহওঁক BPLহওঁক Connection টো আমি ইয়াৰ জৰিয়তে দিয়াৰ ব্যৱস্থা কৰিম। তাত APL ৰ কাৰণে সৰু এটা ব্যৱস্থা কৰিছে, তেওঁলোকৰ মিটাৰৰ যিটো দাম, সেই দামটো তেওঁলোকৰ বিলৰ লগত adjust ত ভৱিষ্যতে কৰা যাব, তেনেকুৰা এটা ব্যৱস্থা আছে কিন্তু আমি সকলোকে সামৰি লম। সেইটো এটা সৌভাগ্যত ল'ব। দ্বিতীয়তে সৌভাগ্য বুলি কৰবাত Distribution Network টো যদি ৰৈ গৈছে, এই ৪/৫ ঘৰ এনেকে ৰৈ গৈছে, সেইখিনিও সৌভাগ্য আঁচনি গ্ৰহণ কৰিব। আমি DPR ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিছো। এই DPR টো অনুমোদন হ'লে আমি এইখিনি কাম কৰিম। কিন্তু Partially Electrified, এতিয়া list খন দি দিছো আৰু চাহ বাগিচাৰ কাৰণে আমি দুই ধৰণে কাম কৰিম। আমাৰ এইবাৰ State Budget ত পইচা ৰখা হৈছে। চাহ বাগিচাৰ যি সমূহত কেৱল মাত্ৰ মিটাৰৰ প্ৰয়োজন আছে, এইখিনিৰ আমি ইতিমধ্যে শোণিতপুৰ জিলাত এপ্ৰিল মাহৰ ভিতৰত শেষ কৰিম। বাকীখিনি জিলাৰ কাৰণে আমি এপ্ৰিলৰ পাছত কাম আৰম্ভ কৰিম। আমি গোটেইখিনি সামৰি লোৱাৰ কাৰণে ব্যৱস্থা কৰিছো। যিখিনি ৰৈ যাব, সৌভাগ্য আঁচনি আৰু আমাৰ State plan দুয়োটাই মিলাই যিমান চাহ বাগিচা আছে, প্ৰত্যক চাহ বাগিচাত

ব্যক্তিগত মিটাৰ দিয়াত আৰু তেওঁলোকক ব্যক্তিগত মিটাৰৰ Connection কৰাৰ , এই দুয়োটা পদক্ষেপ আমি গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ**-ঠিক আছে। মই কেৱল আপোনাক এটা কথা ক'ব বিচাৰিছো। $11^{th}$ plan আৰু $12^{th}$ plan আমাৰ সদস্য সকলে সেই কথাটো জানিব লাগিব। $11^{th}$ plan ৰ কামত intensification টো সোনকালে নহব। $12^{th}$ ত হ'ব। । ঠিক আছে। কমলাক্ষ দে পুৰকায়স্থ

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, বিধায়ক ঃ**- মাননীয় অধ্যক্ষ মহোদয়, এইটো বিষয় লৈ মই মন্ত্ৰী মহোদয়ক ৩/৪ বাৰ লগ ধৰিছো। অধ্যক্ষ মহোদয়, কৰিমগঞ্জলৈ যিটো 33 kv লাইন আছে, যোৱা বৃহস্পতিবাৰে বতাহ হৈছিল। ১৬ ঘণ্টা কাৰেণ্ট নাছিল। ধুমুহাৰ সময়ত ৪-৫ দিন কাৰেণ্ট নাথাকে কৰিমগঞ্জত অধ্যক্ষ মহোদয়। এইটো লাইনত এনে কি কাৰণত ২৫ মেগাৱত লাগে? আমাৰ কৰিমগঞ্জত ইতিমধ্যে ১৩০ কে বি পাটিল নগৰত এটা Sub- Station চেংচন হৈছিল। অধ্যক্ষ মহোদয়, 3rd July 2014 এগ্ৰিমেণ্ট কৰা হৈছিল। আমি এতিয়াও নাপালো। এতিয়া মই প্ৰশ্নৰ উত্তৰত পাইছো যে 95% কাম already complete হৈ গ'ল। কিন্তু এতিয়া সেইটো cancel হৈছে, আকৌ re-tender হব। যদি re- tender হয়, তেতিয়া এইটো কৰোঁতে কৰোঁতে আৰু ২ বছৰ লাগিব। আমাৰ কৰিমগঞ্জৰ মানুহৰ অৱস্থা কি হব? অধ্যক্ষ মহোদয়, যেতিয়া লৈকে আমাৰ 130 kv Sub-station টো নহয়, আমাৰ এটা পৰামৰ্শ যে পাচগ্ৰামৰ পৰা কৰিমগঞ্জ যিটো 33 kv লাইন আছে, সেইটো কৰিব লাগে আৰু দুলৰ্ভচৰাইৰ পৰা কৰিমগঞ্জৰ যিটো existing33 kv লাইন আছে সেইটো কৰিব লাগে। এইটো কৰিলে অধ্যক্ষ মহোদয়, আমাৰ কৰিমগঞ্জৰ মানুহ বাচি থাকিব।

**মাননীয় অধ্যক্ষ ঃ**- মন্ত্ৰী

**শ্ৰীপল্লৱ লোচন দাস, মন্ত্ৰী ঃ**- মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কমলাক্ষ্য ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিলে, তেখেতে জানে যে 95% কামৰ যিটো Sub-Stationৰ কথা কৈছো। সেইটো পাটিল নগৰত হৈ আছে। সেইটো ক্ষেত্ৰত আমি কৈছো যে 95% তাত কাম হৈছে। কিন্তু তাৰ যিটো আমাৰ টাৱাৰৰ কাম কৰিবলগীয়া আছে, তাত কিন্তু right of way ৰ ইছু আছে। right of way ৰ ইছু থকাৰ কাৰণে, এই গোটেই কামখিনি হোৱা নাই। তাৰ কাৰণে আগৰ যি গৰাকী Contractor আছে, সেই Contractor জনে গোটেই কামখিনি নকৰিলে। কামখিনি নকৰি পেলাই থোৱাৰ কাৰণে Contract টো আমি cancel কৰি আমি নিজাববীয়াকৈ এই কামখিনি কৰিব পাৰো নেকি আমি চাইছো। আমি তাৰ উপায়ুক্তৰ লগতো যোগা-যোগ কৰি আছো। আমাৰ সেই মাটিখিনিৰ যিখিনি সমস্যা, সেইটো যাতে আমাক সমাধান কৰি দিব লাগে, আৰু সোনকালে আমি কামখিনি কৰিব পাৰো, আৰু কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই কোৱাৰ দৰে যিদিনাখন আমি এইটো কাম সম্পুৰ্ণ কৰি দিম, কৰিমগঞ্জৰ যিটো বিদ্যুৎতৰ সমস্যা সেই সমস্যাটো আৰু কোনো দিন নাথাকে। আমি alternative সকলোখিনি কৰিছো। কিন্তু main কথাটো right of way ৰ কাৰণে। এই right of way issue টো আমি কেনেকৈ Sort out কৰিব পাৰো, তাৰ কাৰণে আমি ইতিমধ্যে বিভাগৰ ফালৰ পৰা চেষ্টা কৰি আছো। আমি খুব আন্তৰিকতাৰে কামখিনি কৰি আছো। আমি ভাবিছো যে, এই কামখিনি সম্পূৰ্ণ হলে, কৰিমগঞ্জৰ যিখিনি সমস্যা আৰু ভৱিষ্যতে কেতিয়াও আৰু এনেকুৱা সমস্যা নহয়।

**মাননীয় অধ্যক্ষ ঃ**- এতিয়া উৎপল দত্ত ।

**শ্ৰী উৎপল দত্ত, বিধায়ক ঃ**- মাননীয় অধ্যক্ষ ডাঙৰীয়া, মন্ত্ৰী ডাঙৰীয়াই কৈছে বিধায়ক সকললৈ

সমিতি বনাই দিয়া। আমি ইতিমধ্যে সমিতি কৰিছো। ক'ত ক'ত কাম হোৱা নাই, এইটোও চাইছো, আমাৰ proceeding ইয়ালৈ আহিছে। পূৱটেলাহী আৰু লুইতখাবলু এই দুটা অঞ্চলত যোৱা ৫ বছৰে লাগি লাগি অলপ দিনৰ আগত কাম হৈছে। নাই হোৱা বুলি কোৱা নাই। এতিয়া যিখিনি BPL family, প্ৰায় 400BPL family, য়ে application কৰিলে, আজিলৈকে connection দিয়া নাই। আমি দাবী কৰা মতেই আগৰ যিটো গ্ৰুপ আছিল, তেওঁলোকৰ কামটো কেঞ্চেল কৰিলে। কিন্তু অস্থায়ী ভাবে এজন ঠিকাদাৰক কাম দিছে। কামখিনি কৰি আছে। তেওঁ Order টো নোপোৱাৰ কাৰণে BPLfamily খিনিক Connection দিয়া নাই। মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো, যে এই BPL family, খিনিক কিমান দিনৰ ভিতৰত তেওঁলোকক Connection টো দিব। আৰু পূৱ টেলাহী গাওঁ দুখন Electrification হৈ গ'ল, Connection দিয়া নাই। এই Connection কেতিয়া দিব মন্ত্ৰী ডাঙৰীয়াৰ পৰা মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ-** Thank you.

**শ্ৰী পল্লৱলোচন দাস, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য উৎপল দত্ত ডাঙৰীয়াই এটা কথা গম পায়, যে তেওঁৰ লুইতখাবলু আৰু পূৱটেলাহী এইখিনি কাম আজি দীৰ্ঘদিন ধৰি হোৱা নাছিল। আমি সেইখিনি দায়িত্ব গ্ৰহণ কৰি তেখেতৰ সেই গোটেইখিনি কাম আমি সম্পূৰ্ণ কৰি দিছো। আৰু আগৰ যি গৰাকী Contractor য়ে তাত কাম কৰা নাছিল, তেওঁক আতৰাই নতুন Contractor দি হ'লেও আমি গোটেই কামখিনি কৰিছো। এতিয়া বিষয়টো হৈছে আপোনাৰ যিটো BPL Connection ৰ বিষয়টো, সেইটোৰ কাৰণে আমি ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰিছো, তেনেকুৱা বহু এলেকা থাকি গৈছে, য'ত য'ত BPL Connection লৈ তাত অসুবিধা, কাৰণ তেওঁলোকে নিজেও এইখিনি পইচা খৰচ কৰি Connection টো ল'ব নোৱাৰে, সেই কাৰণেই আমাৰ BPL Connection ৰ যিটো অসুবিধা সেইখিনি সামৰি ল'বৰ কাৰণে আমাৰ সৌভাগ্য বুলি এতিয়া যিটো আঁচনি হৈছে, সেই সৌভাগ্যৰ জৰিয়তে আমাৰ যিখিনি Connectionদিবলৈ থাকি গ'ল, সেইখিনি BPL Connection দিয়াৰ আমি ব্যৱস্থা গ্ৰহণ কৰিম। আৰু আমি খুব সোনকালে কাম কৰিছো। আপোনাক আমি চিঠিৰ মাধ্যমেৰে মই গোটেইখিনি জনাম আৰু বাকীখিনি যিখিনি ঠিকাদাৰ সম্পৰ্কে, কৈছো যে তেওঁ Connection টো দিব পৰা নাই, তেওঁক যিখিনি Order দিব লাগিছিল, সেইখিনি কাম সম্পূৰ্ণ হৈছে। তাক regularise কৰিবৰ কাৰণে আমি এই মাহৰ ভিতৰতে গোটেইখিনি ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে। চুজামুদ্দিন লস্কৰ। মই প্ৰত্যেক দলকে এটা এটা দিম বুলি কৈছো, আমি পিছত আলোচনা কৰিম। This not a matter of joke. Kindly bear with me প্ৰত্যেক দলকে মই এটা এটা দিছো।

**শ্ৰী চুজামুদ্দিন লস্কৰ, বিধায়ক ঃ-** মাননীয় অধ্যক্ষ মহোদয়,কাটলিচেৰা সমষ্টিত ৪০শতাংশ কাৰেণ্ট যোৱা নাই তাতে আমাৰ গাৰ্ডেন আছে ৮খন আৰু গাৰ্ডেনত বহু কাম বাকী। ট্ৰাইবেল মানুহ আছে৪০ হাজাৰ । ট্ৰাইবেল এলেকাবোৰত কাৰেণ্ট যোৱা নাই। যদি কাৰেণ্ট নহয়, সেই জংঘল এলেকাত Solar light টো দিব পাৰে নেকি ? তাত মানুহ বিলাক শ শ বছৰৰ পৰা আছে। জংঘল area, Hills area এই বিলাকত যদি Solar light টো দিয়া হয়, ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ-** মন্ত্ৰী

**শ্ৰী পল্লৱ লোচন দাস, মন্ত্ৰী** ঃ- মাননীয় অধ্যক্ষ মহোদয় আমাৰ যিটো intensified Electrification সকলো মানুহক দিয়াৰ যিটো পদক্ষেপ, সেইখিনিত আমি Solar ও ধৰিছো। Solar ও দুই ধৰণৰ। Stand alone এটা আছে ব্যৱস্থা যে, প্ৰত্যেক ঠাইতে, Stand alone ৰ জৰিয়তে, আমি ব্যৱস্থা কৰিম আৰু এটা Microgrid ৰ concept ইয়াত আছে। সেই কাৰণে আমি যি সমূহ পাহাৰীয়া অঞ্চল, চৰ অঞ্চল, সেইখিনিক যিখিনিক আমি সামৰি ল'ব নোৱাৰো grid connectivity যাব নোৱাৰে, তাত Solar ৰ ব্যৱস্থা কৰিম। পাহাৰীয়া অঞ্চল আৰু চৰ অঞ্চলত সমূহ আৰু যিখিনি grid ৰ কাম আমি কৰিব পৰা যায়, সেই grid লৈ আমি সামৰি লম। মাননীয় অধ্যক্ষ মহোদয়, গোটেই কামখিনিত আমাৰ main অসুবিধা আছিল যে আমাৰ যিমানখিনি Connection আমি নতুনকৈ লৈছো, বা যিমানখিনি মানুহক আমি সামৰি লৈছো, তাৰ অনুপাতে আমাৰ যিখিনি কৰ্মচাৰী বা যিমানখিনি বিষয়াৰ প্ৰয়োজন আছিলে সেইখিনিত অলপমান আমাৰ অসুবিধা আছিলে। আমি সেইখিনি যোৰা মাৰিব পৰা নাই, তাৰ কাৰণে আমি ২৭৫ গৰাকী নতুনকৈ ইঞ্জিনিয়াৰ লৈছো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কৰ্মচাৰীৰ অভাৱটো কেনেকৈ যোৰা মাৰিব পৰা যায় তাৰ বাবে ২৭৫ গৰাকী নতুনকৈ অভিযন্তা লৈছো আৰু অভিযন্তা আমি ল'ম যাতে কামখিনি সোনকালে হয় আৰু গোতেই চিষ্টেমটো ভাল হয়। মাননীয় অধ্যক্ষ মহোদয় প্ৰথমবাৰৰ বাবে শক্তি বিভাগৰ বিষয়াসকলৰ মাজত এটা নতুন সংস্কাৰ হৈছে আৰু ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰতো যথেষ্ট ভাল ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। এইবছৰত আমি ১০২২ কোটি টকা বেছিকৈ আহৰণ কৰিবলৈ সক্ষম হৈছে। উল্লেখযোগ্য যে এইবাৰ ৫০৩২ কোটি পাবলৈ সক্ষম হৈছো। এটা সংগঠনে যোৱা বছৰতকৈ এইবছৰ এহেজাৰ কোটি টকা বেছিকৈ ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ জৰিয়তে আমি সংগঠনটো শক্তিশালী কৰিছো আৰু আপোনালোকৰ যিখিনি সমস্যা সেইখিনি সমাধান কৰিবৰ বাবে আমাৰ তৰফৰ পৰা চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। শেষ পৰিপূৰক প্ৰশ্ন শ্ৰীমহেশ্বৰ বড়ো।

**শ্ৰীমহেশ্বৰ বড়ো** ঃ মাননীয় অধ্যক্ষ মহোদয়, ট্ৰেন্সফৰমাৰ সমস্যাটোৰ ওপৰত মই ক'ব বিচাৰিছো যে ট্ৰেন্সফ'ৰমাৰ বিচাৰি আমালৈ গাঁৱৰ পৰা আবেদন দিয়ে আৰু আমিও লিখি পঠাও। মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে বিধান সভা অনুসৰি প্ৰতিটো বিধান সভা সমষ্টিত ট্ৰেন্সফৰমাৰ দিয়াৰ ব্যৱস্থা কৰিব নেকি? যদি দিয়াৰ ব্যৱস্থা কৰে, কিমানখিনি দিয়াৰ ব্যৱস্থা কৰিব?

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীপল্লৱ লোচন দাস (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ বিধান সভাত আমি যি প্ৰতিশ্ৰুতি দিছিলো সেই অনুসৰি প্ৰতিজন বিধায়কক ট্ৰেন্সফ'ৰমাৰ দিয়া হৈছে আৰু এই বছৰো ট্ৰেন্সফ'ৰমাৰ বাবে পুঁজি আৱন্টন কৰা হৈছে। য'ত য'ত ট্ৰেন্সফ'ৰমাৰ প্ৰয়োজন আছে আপোনালোকে আমালৈ লিখি পঠিয়াওক আমি আপোনালোকৰ প্ৰয়োজন অনুসৰি আৱন্টন দিয়াৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মই সন্মানীয় সদস্যসকলৰ প্ৰতি এটা অনুৰোধ ৰাখিব বিচাৰিছো যে A large number of Members desired to put supplementary. But unfortunately, already half an hour has passed. We have done only two questions. মই অপোনালোকৰ কথা বিলাক বুজি পাওঁ, আমিও ভুক্তভুগী। মই মন্ত্ৰী ডাঙৰীয়াকো ক'ব বিচাৰিছো You are taking really bold initiatives. এই initiative বিলাক যাতে realityত পৰিণত হয়, তাৰ কাৰণে অকল আপুনি নোৱাৰিব গোটেই Department must work together. আপুনি ভাল কাম কৰিছে বিধায়ক সকলক লৈ এখন সমিতি গঠন কৰি

দিছে আৰু আমি মাহে মাহে বহি review কৰিব পাৰো। সেই কাৰণে এটা ষ্ট্ৰিমলাইন কৰাৰ প্ৰয়োজন আছে যাতে ৰাইজ উপকৃত হয়। সেই কথাটোত আপুনি অলপ দৃষ্টি দিব আৰু এই বিষয়টোৰ ওপৰত ভৱিষ্যতে আমি এটা বিশদ আলোচনা ইয়াতে কৰিবলৈ যত্ন কৰিম।

**শ্ৰীশ্বেৰমান আলি আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, .....

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক। Please sit down. Please sit down. I will give you a chance today. You have given me a notice today, on that you can get a chance. এতিয়া প্ৰশ্ন নং ৩৮৪ শ্ৰীথানেশ্বৰ বসুমতাৰী। মাননীয় মন্ত্ৰী।

**শ্ৰীপল্লৱ লোচন দাস (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মেজত দিয়া আছে।

**শ্ৰীথানেশ্বৰ বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে দাখিল কৰা উত্তৰত মই সম্পূৰ্ণ সন্তুষ্ট হ'ব পৰা নাই। চাৰ, আপুনি জানে যে ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰীত ভাৰত চৰকাৰ, ৰাজ্য চৰকাৰ আৰু বি.এল.টি সংগঠনৰ মাজত বি.টি.চি চুক্তি হৈছিলে আৰু সেই চুক্তি মৰ্মে সৰ্বমুঠ চল্লিছটা বিভাগ বি.টি.চিক হস্তান্তৰ কৰাৰ কথা আছিল। কিন্তু বি.টি.চি গঠন হোৱাৰ পিছত ২০০৪ চনৰ অ'এম মতে ৩৯ টা বিভাগ বি.টি.চিক হস্তান্তৰ কৰা হৈছে। অধ্যক্ষ মহোদয়, সাহাৰ্য্য আৰু পুনৰ সংস্থাপন বিভাগৰ নিচিনা গুৰুত্বপূৰ্ণ বিভাগ এটা বি.টি.চিক হস্তান্তৰ কৰা নহ'ল। কিয় এই বিভাগটো হস্তান্তৰ কৰা হোৱা নাই সেই কথাটো প্ৰশ্নৰ জৰিয়তে মই জানিব বিচাৰিছিলো কিন্তু মন্ত্ৰীমহোদয়ে উত্তৰত কলে - 'সাহায্য আৰু পুনৰ সংস্থাপন' শীৰ্ষক বিষয়সমূহ বি.টি.চি প্ৰশাসনক হস্তান্তৰ কৰা সামগ্ৰিক প্ৰক্ৰিয়াটো বিভাগীয় নীতি-নিয়মৰ আধাৰত পুংখানুপুংখভাবে পৰীক্ষাধীন হৈ থকাৰ লগতে চৰকাৰৰ বিবেচনাধীন পৰ্য্যায়ত আছে। অধ্যক্ষ মহোদয় বিষয়টো সম্পৰ্কত এনেকুৱা উত্তৰে আমি পাই আহিছো। ২০১৭ চনৰ ১১ আগষ্টত খানাপাৰাত মাননীয় মুখ্যমন্ত্ৰী, বি.টি.চি চিফ, মুখ্যসচিবকে আদি কৰি বিষয়াসকলৰ এখন সভা হৈছিল। সেই সভাত সিদ্ধান্ত হৈছিল যে ছয় মাহৰ ভিৰতৰ এই বিভাগটো বি.টি.চিক হস্তান্তৰ কৰা হ'ব। মাননীয় মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে এই বিভাগটো হস্তান্তৰ নকৰাৰ বাবে দুৰ্যোগৰ সময়ত ৰাইজক পৰ্য্যাপ্ত সাহাৰ্য্য দিব নোৱাৰে। গতিকে আজি মাননীয় মন্ত্ৰী মহোদয়ে আশ্বাস দিব নেকি যে ২০১৮ চনৰ ভিতৰত এই বিভাগটো বি.টি.চিক হস্তান্তৰ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীপল্লৱ লোচন দাস (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীথানেশ্বৰ বসুমতাৰী ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে সেই সম্পৰ্কত ক'ব বিচাৰিছো যে যোৱা ২০১৭ চনৰ ১ ছেপ্টেম্বৰ তাৰিখে মাননীয় মুখ্যমন্ত্ৰীৰ পৰ্য্যায়ত এখন সভা অনুষ্ঠিত হৈছিল আৰু সেই সভাৰ কাৰ্য্যবিৱৰণী মতে গোটেই বিষয়টো উক্ত সভাত পুংখানুপুংখ ভাবে আলোচনা হৈছে - এই কথাটোৰ বিষয়ে মাননীয় সদস্যগৰাকী অৱগত। অধ্যক্ষ মহোদয়, এই দীৰ্ঘদিনীয়া বিষয়টো বিভিন্ন পৰ্য্যায়ত আলোচনা হৈ আছে আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে চাই পদক্ষেপ গ্ৰহণ কৰিব বুলি নিৰ্ণয় লৈছে। আমি যিমান পাৰো আপোনালোকক সহযোগ কৰিবলৈ চেষ্টা কৰিম।

**শ্ৰীথানেশ্বৰ বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে বিষয়টো সম্পৰ্কত এটা নিৰ্দ্দিষ্ট সময় দিব পাৰিব নেকি? কাৰণ যোৱা দহ বছৰে আমি আলোচনা কৰি কৰি কোনো সুফল নাপালো। বৰ্তমান আমাৰ মিত্ৰজোঁটৰ চৰকাৰ চলি আছে সেইবাবে আমাৰ বিশ্বাস আছে যে এই বিভাগটো ২০১৮ চনৰ ভিতৰত বি.টি.চিক হস্তান্তৰ কৰা হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। আপুনিও আশাবাদী আৰু আমিও আশাবাদী। মাননীয় মন্ত্রীয়ে যাতে আশাটো পূৰণ কৰে।

**শ্রীপল্লৱ লোচন দাস (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে যিটো বিষয়ৰ ওপৰত কৈছে তেখেতে নিজেই জানে যে মাননীয় মুখ্যমন্ত্রী মহোদয়ে গোটেই বিষয়টো চাই আছে। গতিকে তেখেতৰ লগত আলোচনা কৰিহে মই ক'ব পাৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। আমি সকলোৰে আশা ৰাখিছো নিশ্চয় সোনকালে হ'ব। এতিয়া প্রশ্ন নং ৩৮৫ শ্রীৰূপজ্যোতি কুৰ্মী। মাননীয় মন্ত্রী।

**শ্রীপল্লৱ লোচন দাস (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্রশ্নৰ উত্তৰ সদনৰ মেজত দিয়া আছে।

**শ্রীৰূপজ্যোতি কুৰ্মী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্রশ্নটোৰ উত্তৰ মাননীয় মন্ত্রী মহোদয়ৰ পৰা লাভ কৰিছো। বিষয়ো সম্পর্কত আমি সকলোৰেই অৱগত যে ৰেজিষ্টাৰ্ড চাহ বাগিছা গোটেই অসমত প্রায় আঠশমান আছে। কিন্তু চিকিৎসকৰ সংখ্যা ৩৯১ জন। অর্থাৎ আধাতকৈও কম। ঠিক তেনেদৰে Welfare Officer আছে ৩৮১ জন এইক্ষেত্রতো আধাতকৈ কম। অধ্যক্ষ মহোদয়, প্লেন্টেচন লেবাৰ এক্ট, ১৯৫১ অনুসৰি ৰাজ্য চৰকাৰে এই আইনখন নিয়াৰিকৈ ৰূপায়ণ হৈছেনে নাই চাব লাগে। কিন্তু আমি এই দেখিবলৈ পাইছো যে ক'ৰবাত সুৰুঙা ৰৈ গৈছে। বিভিন্ন সময়ত বিভিন্ন চৰকাৰ আহে আৰু আমি আইন প্রণয়ন কৰো, নির্দেশনা দিও কিন্তু Execute কৰিব লাগে Executiveএ। গতিকে Execute কৰা সকলে ক'ৰবাত হেমাহি কৰিছে নেকি? এই কথাযাৰ মন্ত্রীমহোদয়ে কেনে ধৰণে লৈছে আৰু বাকীথকা চাহবাগিছাসমূহত চিকিৎসা দিয়া কথাটো প্রশ্ন উত্তৰত উল্লেখ কৰিছে যদিও মই ক'ব বিচাৰিছো যে ২৪-১০-২০১৭ ত এখন সভা হৈছিল আৰু তেতিয়া এটা নির্দেশনা দিছিল। কিন্তু আজি ছমাহ পাৰ হৈ গ'ল কিন্তু মোৰ সমষ্টিত কোনো চিকিৎসক নিয়োগ কৰা দেখিবলৈ পোৱা নাই। গতিকে চাহবাগিছাসমূহত চিকিৎসক আৰু Welfare Officer দিয়াৰ ক্ষেত্রত মাননীয় মন্ত্রী মহোদয় কি ব্যৱস্থা কৰিব জনাব নেকি?

**শ্রীপল্লৱ লোচন দাস (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া এই বিধান সভালৈ তৃতীয়বাৰ বিধায়ক হিচাপে নির্বাচিত হৈছে আৰু তেখেত এই ক্ষেত্রত অৱগত যে আজি দীর্ঘদিন ধৰি চাহবাগিছাৰ যিখন প্রতিচ্ছবি একে হৈ আছে ইয়াৰ কোনো ধৰণৰ পৰিবর্তন অহা নাই। চাহ শ্রমিক আইন মতে চাহবাগিছাসমূহত যিমানখিনি চিকিৎসকৰ প্রয়োজন হয় সিমানখিনি চিকিৎসক বহু ঠাইত নাই আৰু তেনেকৈ কল্যাণ বিষয়া যিমান থাকিব লাগে সিমান নাই। গাইড লাইন অনুসৰি যিমানসংখ্যক মানুহ থাকিব লাগে সেইখিনি হোৱা নাই। অধ্যক্ষ মহোদয় আমি কি কৰিব পাৰো তাৰ বাবে বিশেষ পদক্ষেপ গ্রহণ কৰিছো। আমি চি.চি.পি. এৰ লগত আলোচনা কৰিছো, ইভেন আমি ITI বা যিসকল মালিক পক্ষ তেওঁলোকৰ লগত আমি বিভিন্ন পর্য্যায়ত আলোচনা কৰিছো। তেওঁলোকে এটা সমস্যাৰ কথা কৈছে যে আমি চিকিৎসক নাপাওঁ। চিকিৎসক সকল চাহ বাগিচাত কাম কৰিবৰ বাবে আগ্রহী নহয় । ইণ্টাৰভিউ পাতি বিচাৰিলেও তেওঁলোক নাহে বুলি কয়। এইখিনি সমস্যা আমাৰ দৃষ্টিগোচৰ হৈছে, সেইকাৰণে আমি স্বাস্থ্য বিভাগৰ লগত যোগাযোগ কৰি আমি দুটা বিষয় কৰিবলৈ বিচাৰিলো যে স্বাস্থ্য বিভাগে ইয়াত আম াক অলপ সহায় কৰিব পাৰে নেকি? যেনেকৈ স্বাস্থ্য বিভাগে PPT Mode ত আজি প্রায় ১৫০ খন বাগিছাত যিটো NRHM ৰ দ্বাৰা লৈছে, তেওঁলোকৰ ফালৰ পৰা চিকিৎসক দিয়াৰ লগতে MMU দিয়াৰ কাৰণে তেওঁলোকে পদক্ষেপ গ্রহণ কৰিছে। তাৰ উপৰিও আমি কৈছো যে তেখেত সকলে যদি অস্থায়ীভাৱে কোনো চিকিৎসক আমাৰ কোনোবা চিকিৎসালয়সমূহত দিয়াব পাৰে, যি সমূহক

আমি হয়তো SDMU বা বেলেগ কাৰোবাৰ Under ত যাতে চলাব পৰা যায়, তাৰ কাৰণে আমি ইয়াত পদক্ষেপ গ্ৰহণ কৰিছো। কিন্তু এইখিনি কাম এতিয়াও তৃণমূল পৰ্য্যায়ত কৰিবৰ কাৰণে পুনৰবাৰ আমি এইখন CCPA ৰ লগত এপ্ৰিল মাহতে আলোচনা কৰি এইখিনি সোনকালে কৰিবৰ কাৰণে আমি ব্যৱস্থা গ্ৰহণ কৰিম। ঠিক তেনেধৰণে ছাৰ, Welfare Officer সকলৰ ক্ষেত্ৰত আমি দেখা পাইছো যে Welfare Officer জনক আমি চৰকাৰৰ বিভিন্ন কামত বা চাহবাগিছাৰ সকলো কল্যাণমূলক কামত জড়িত কৰিবৰ বাবে কি পদক্ষেপ গ্ৰহণ কৰিব পাৰো ? আমি ইতিমধ্যে প্ৰথমবাৰৰ কাৰণে Welfare Officer সকলৰ Training Programme ৰ আয়োজন কৰিছো। এইবাৰ প্ৰথমবাৰৰ বাবে Welfare Officer সকলক Training দিয়াইছো আৰু Welfare Officer সকলৰ কাৰণে আমাৰ ফালৰ পৰা যিখিনি পদক্ষেপ ল'বলগীয়া আছে, সেইখিনি বাস্তৱত ৰূপায়ণ কৰিবৰ কাৰণে কি ব্যৱস্থা কৰিব পৰা যায়। তাৰ কাৰণে আমাৰ যিটো Welfare Officer সকলৰ সম্পৰ্কত Ammendment কৰিবলগীয়া আছে, তাৰ কাৰণে ব্যৱস্থা কৰিছো। তাৰ Draft Publicationহৈ গৈছে। Final Decision হোৱাৰ পিছত এইখিনি Rule Ammendment কৰি হ'লেও নতুনকৈ কাম কৰাৰ কাৰণে আমি পদক্ষেপ গ্ৰহণ কৰিছো। হয়তো খুব সম্ভৱ আজিলৈকে ইতিহাসত এইটো কাম প্ৰথমবাৰৰ কাৰণে হৈছে আৰু ইমান দিনে কোনো লিষ্ট হোৱা নাছিল। আনকি Referal Hospital ৰ কাৰণে আইনত ব্যৱস্থা আছিল। কোনো দিন Referal Hospital ৰ কাম নহ'ল। আমি প্ৰথমবাৰৰ কাৰণে Referal Hospital ৰ কাম কৰিলো। এইখিনি আমি নতুনত্ব আনিবৰ কাৰণে বিভাগটোৰ জৰিয়তে চেষ্টা কৰিছো আৰু আমি নিশ্চিতভাৱে এইখিনি কাম বাস্তৱত ৰূপায়ণ কৰিব পাৰিলে নিশ্চয় চাহবাগিছাৰ স্বাস্থ্য খণ্ডত আৰু কল্যাণমূলক কামখিনি ভালকৈ আগবঢ়াই লৈ যাম বুলি আমি আশা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী(মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে খুব সুন্দৰকৈ কথাবোৰ কৈছে। কিন্তু কিমান দূৰ বিশ্বাসত ল'ম, আমাৰ অলপ সন্দেহ আহিছে। কিয়নো বৰ্তমান নতুন চৰকাৰখনৰ স্বাস্থ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাদেৱেAssam Administrative কলেজত এখন সভা পাতিছিল। চাহবাগিছাৰ প্ৰত্যেকজন প্ৰতিনিধি, সাংসদ, বিধায়কসকলক নিমন্ত্ৰণ কৰিছিল আৰু চাহবাগিছা অঞ্চলত থকা সমষ্টিৰ বিধায়কসকলক নিমন্ত্ৰণ কৰি এখন সুন্দৰ সভা পাতিছিল আৰু কোৱা হৈছিল যে MMU চাহবাগিচাসমূহত দিয়া হ'ব। তাত মই প্ৰশ্ন এটা কৰিছিলো যে MMU দিনৰ ভাগত গৈ গুচি আহিব নেকি ? তেতিয়া ক'লে যে এইটো দিনৰ ভাগত গৈ গুচি নাহে। এসপ্তাহ সম্পূৰ্ণকৈ এখন চাহবাগিছাত থাকিব। পিছলৈ নিৰ্দেশনা আমি পালো, Joint Director এ ক'লে যে এসপ্তাহ নহয়, চাৰিদিন থাকিব, ৰাতিপুৱাৰ পৰা ৰাতিলৈকে। কিন্তু দেখা গৈছে যে শ্ৰমিক সকলে ৰাতিপুৱাৰ সাত বজাতে ওলাই যায় আৰু আহি পাই চাৰি বজাত আৰু তাৰ পিছত পাতবোৰৰ ওজন আদি কামবোৰ কৰি ৫ মান বজাতহে আহে। অৰ্থাৎ দিনৰ ভাগত তেওঁলোক ঘৰত নাথাকে। MMU Team টো যায় ১০.৩০ ৰ পৰা ১১.০০ টা মান বজাত আৰু ২বজাৰ পৰা ৩বজা মানলৈ থাকি খাই মেলি গুচি আহে।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ প্ৰশ্নটো কওঁক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী(মৰিয়নী) ঃ** এই যি স্বাস্থ্য শিতানৰ আমাৰ যোৰহাটত Medical Institute আছে, তাৰ যি সমূহ গ্ৰাম্য চিকিৎসক হিচাপে নামাকৰণ হৈ আছিল, তেওঁলোকক Com-

munity Health Practitioner বুলি কয়। যিহেতু তিনি বছৰীয়া Course ৰ । গতিকে তেওঁলোকক নিয়োগ কৰি হ'লেও অতিৰিক্তভাৱে তেওঁলোকৰ জৰিয়তে চিকিৎসাখিনি দি অন্ততঃ প্ৰাইমাৰী চিকিৎসা দিয়াৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ে ব্যৱস্থা কৰিব নেকি ? দ্বিতীয়তে, প্ৰশ্ন এটা আছিল যে আমাৰ কংগ্ৰেছৰ চৰকাৰ গ'ল। বৰ্তমান বিজেপি চৰকাৰ আছে। তাৰ উৰ্দ্ধত গৈ কথাটো ক'ব বিচাৰিছো যে কংগ্ৰেছ দলৰো সাংসদ আছিল চাহ জনগোষ্ঠীৰ, বৰ্তমান বিজেপিৰো চাহ জনগোষ্ঠীৰ সাংসদ আছে। কিন্তু যিহেতু Plantion Labour Act এইটো কেন্দ্ৰীয় চৰকাৰৰ অধীনত আছিল। কিন্তু ইয়াত Plantion Labour Act 1951ৰ মাজে মাজে Amendment হৈছে। কিন্তু যিধৰণে হ'ব লাগিছিল হোৱা নাই। বিধান সভাৰ মাননীয় অধ্যক্ষ মহোদয়ে কিবা Resolution এটা আনিব নেকি যে আমি 1951 ৰ Plantion Labour Act টো Amendment কৰাৰ ক্ষেত্ৰত আৰু ইয়াত কিছু পৰামৰ্শ আমি দি অসম চৰকাৰৰ ফাল ৰ পৰা, পৱিত্ৰ বিধান সভাৰ ফালৰপৰা ৰাজ্যৰ স্বাৰ্থত ব্যৱস্থা ল'ব নেকি ? এই বিষয়টো জানিব বিচাৰিছো।

**শ্ৰী পল্লৱ লোচন দাস, মন্ত্ৰী, শক্তি আৰু শ্ৰম আদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে কোৱাৰ ধৰণে আমাৰ বিভিন্ন চাহ বাগিছাৰ বিষয়ত যেতিয়াই আলোচনা হয় আৰু যেতিয়াই চৰকাৰৰ ফালৰ পৰা প্ৰতিশ্ৰুতি সমূহ মানিব পৰা যাব নে নাই সেইটোক লৈ সকলোৰে সন্দেহ থাকে। কাৰণ আমি বিগত ১৫ টা বছৰত সেইটো আমাৰ প্ৰতিশ্ৰুতি তেনেকৈ পোৱাৰ দৃষ্টিগোচৰ হৈছে। সেইকাৰণে আমি জানো যে সেই কথাখিনি কেতিয়াও বাস্তৱত ৰূপায়ণ নহয়। কাৰণ আমি বিভিন্ন সময়ত সভা-সমিতি বা বিধান সভাতো proceedings চালে আমি গম পাম যে বহুত এনেকুৱা প্ৰতিশ্ৰুতি দিয়া হৈছিল। কিন্তু সেই সমূহ বাস্তৱত ৰূপায়ণ হোৱা নাই। সেইকাৰণে সেই Trend টো থাকিব বুলি সন্দেহ প্ৰকাশ কৰিছে। কিন্তু আমি আপোনাক জনাব বিচাৰিছো যে তাৰ যিখিনি MMU ৰ বিষয়ে কৈছো, আমি ইয়াত যিখিনি কথা কৈছো যোৱা ৫ তাৰিখেও মাননীয় অধ্যক্ষ মহোদয়, যি Initiative গ্ৰহণ কৰিছিল যে আমাৰ ইয়াত চাহবাগিছাৰ সমস্যাসমূহ সমাধান কৰাৰ, তাৰো আমি প্ৰতিবেদন আমি ইয়াত দিম যে আমি কি কি পদক্ষেপ গ্ৰহণ কৰিম। তাৰো আপোনালোকে দেখিব যে আমি যিখিনি কাম কৰিব পাৰিম। আমি আপোনালোকক জনাম, চৰকাৰে কোনখিনি কাম দায়িত্ব সহকাৰে কৰিব পাৰিব। ইয়াত আমি ক'ব বিচাৰিছো যে MMU ৰ ক্ষেত্ৰত যিটো ্সুবিধা হৈছে, MMU ত দুটা প্ৰধান অসুবিধা আছিল। MMU ত প্ৰথম কথা আছিল যে তাৰ যিটো Logistic Support চাহ বাগিছাৰ কৰ্তৃপক্ষই দিছিল। কিন্তু এই Logistic Support টো চাই বাগিছাৰ বহুতো কৰ্তৃপক্ষই দিয়া নাই। সেইকাৰণে আমি Principal Secretary, Health ৰ লগত যোৱা কেইদিনমান আগতে আলোচনা হৈছিল। এই এপ্ৰিল মাহতে আমি সকলো চাহ বাগিচাত যি সমূহ আমি MMUত অন্তৰ্ভূক্ত কৰিছো, প্ৰত্যেকখন বাগিছাক আমি ইয়াত আমন্ত্ৰণ কৰি আনিম আৰু তেওঁলোকেৰ যিখিনি PPT গাৰ্ডেন আছে, আমি আমন্ত্ৰণ কৰি আনিম , যি Logistic Support ৰ প্ৰয়োজন আছিল সেই Logistic Support টো নিশ্চিত কৰাৰ কাৰণে আমি পদক্ষেপ গ্ৰহম কৰিম। তাৰোপৰি আমাৰ যিবোৰ মেডিকেল কলেজ আছে, তাতেও যদি আমাৰ চাহ বাগিছাৰ কোনো শ্ৰমিক আহে, তেওঁলোকক সহায় কৰিবৰ বাবেও Deskএখন বহুৱাই দুজন ল'ৰাক গাৰ্ডেন মেনেজমেণ্টৰ পৰা দিয়াৰ কথা আছিল। কিন্তু দিয়া হোৱা নাই। সেইখিনিও বাস্তৱত ৰূপায়ণ কৰিবৰ বাবে আমি এপ্ৰিল মাহতে এখন সভা আয়োজন কৰিম আৰু Plantion Labour Act Amendment ৰ Proposal ৰ ক্ষেত্ৰত যিটো আপুনি কৈচে আজি ইমান বছৰে নহ'ল, এইবাৰ কেন্দ্ৰীয় চৰকাৰে প্ৰথম বাৰৰ বাবে Amendment

Proposal ৰ কাৰণে ইতিমধ্যে ইয়াত সভা এখন আয়োজন কৰিছে। Plantion Labour Act, Amendment ৰ কাৰণে সকলো State Holder ক লৈ Taj vivanta ত এখন সভা হৈছিল। তাৰ Proposal আহিছে, next মিটিংখন Ootyত হ'ল। Ootyত সেইখিনি এতিয়া কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে আৰু আমি আশা কৰিছো যে নিশ্চয় Plantion Labour Act, Amendment ৰ যিখিনি ব্যৱস্থা আছে, সেইখিনি হয়তো ফলপ্ৰসু সংশোধন হ'ব। নতুন ধৰণে চাহবাগিছাৰ ভিতৰত কাম কৰিব পৰা এটা নতুন পদক্ষেপ হ'ব বুলি আমি আশা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য আমিনুল ইছলামে ক'ব।

**শ্ৰী আমিনুল ইছলাম(ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Assam Plantation Labour Rule, 1956 মতে যিটো প্ৰত্যেক ১০০০ জন Population ৰ বিপৰীতে ১৫ খন বিচনাযুক্ত হস্পিতালৰ কথা সম্পৰ্কত ইয়াত যোৱা ২০১৭ চনৰ অক্টোবৰ মাহৰ ২৪ তাৰিখে আমাৰ মিটিং হৈছিল। আমাৰ Advisory Boardত Plantation Labour Medigrade Advisory Board আপোনালোকে এটা Proposal দিছিল Health and Family Welfare Department ক এইখিনি দিবলৈ। কিন্তু উত্তৰটোত এইটো লিখি দিছে যে ২৪-১০-২০১৭ ত অনুৰোধ কৰিছো Health and Family Welfare Department ক দিবলৈ। কিন্তু এই ৬/৭ মাহ যোৱাৰ পিছতো দিয়া নাই নেকি? অন্য কিবা বিষয় এইটো আপোনালোকে উল্লেখ নকৰিলে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। ধন্যবাদ।

**শ্ৰী পল্লৱ লোচন দাস, মন্ত্ৰী ঃ** আমি স্বাস্থ্য বিভাগৰ লগত এই বিষয়ে যোগাযোগ কৰি আছো । স্বাস্থ্য বিভাগৰ এটা অসুবিধা আছে যে যিমান তেওঁলোকক চিকিৎসকৰ প্ৰয়োজন, সিমান চিকিৎসক তেখেতসকলে পোৱা নাই । সেই কাৰণে আমাক Principal Secretary, Health এ জনাইছে, যে তেখেতসকলে খুউব সোনকালে নতুনকৈ বহুত চিকিৎসক নিযুক্তি কৰিব । নতুন চিকিৎসক নিযুক্তিৰ পিচতেই আমাৰ যিখিনি অসুবিধা আছে, সেইখিনি আমি সমাধান কৰিব পাৰিম বুলি আশা ৰাখিছো। সেই কাৰণে এই গোটেই চিকিৎসা সম্পৰ্কীয় বিষয়টো চাহ বাগিচা সমুহত কেনেকৈ ভালকৈ কৰিব পৰা যায়, তাৰ বাবে আমি এপ্ৰিল মাহৰ ভিতৰত তেওঁলোকৰ লগত আলোচনা কৰি এখন সভা আয়োজন কৰাৰ চিন্তা-চৰ্চা কৰিছো। তাত আমি Stake Holder সকলকো মতাৰ সিদ্ধান্ত লৈছো। তাতেই আমি সিদ্ধান্ত ল'ম যে, কেনেকৈ আমি কামখিনি বাস্তৱত ৰূপায়ন কৰিব পাৰো আৰু সেই অনুযায়ী আমি পদক্ষেপ গ্ৰহন কৰিম ।

**মাননীয় অধ্যক্ষ ঃ** Question No.386, Hon'ble Member Shri Moheswar Boro.

**শ্ৰী মহেশ্বৰ বড়ো, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো বিষয়ে আগতে আলোচনা কৰা হৈছে। মন্ত্ৰী মহোদয়ে বিভাগটোৰ Re-organization ৰ ক্ষেত্ৰত যি Initiative লৈছে তাৰ কাৰণে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে কামবোৰ সোনকালে সম্পাদন কৰা হব বুলি আশা ৰাখিছো। কিন্তু প্ৰায়ে উচ্চাৰিত হৈ থকা "ব্যৱস্থা লোৱা হৈছে", "বিবেচনাধীন হৈ আছে" আদি বাক্য বোৰ পৰিহাৰ কৰিলে ভাল হয়। আজি বিভাগীয় ভাবে B.T.C.অঞ্চলৰ কৰ্তৃপক্ষই যি মানচিত্ৰ বিচাৰিছে যিমান পাৰি সোনকালে কৰিব পাৰি নেকি ? সেইটো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। ধন্যবাদ ।

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, B.T.C.অঞ্চলৰ, সমাজ কল্যাণ বিভাগৰ

পুনৰ নিৰীক্ষন Tea limitation ৰ বিষয়টোৰ ওপৰত আমি ইতিমধ্য কেইবালানিও আলোচনা কৰিছো, আৰু সেইমৰ্মে যোৱা ২৭-১১-২০১৭ তাৰিখে B.T.C.অঞ্চলৰ কতৃপক্ষৰ পৰা এখন প্ৰতিবেদন দাখিল কৰা হৈছিল। কিন্তু প্ৰতিবেদনখনত যিখিনি প্ৰকল্পৰ কাম হাতত লোৱা হৈছিল, সেইখিনি নিশ্চিত কৰণৰ বাবে এখন মানচিত্ৰ বিচৰা হৈছিল আৰু এই মানচিত্ৰখনত কিছু আসোঁৱাহ থকাৰ বাবে আমি পুনৰ এই মানচিত্ৰ প্ৰদানৰ বাবে B.T.C. কতৃপক্ষক অৱগত কৰিছো । আশা ৰাখিছো, কম দিনৰ ভিতৰতে এই মানচিত্ৰসহ এই প্ৰতিবেদন খন পাম আৰু পোৱাৰ লগে লগে, আমি এমাহৰ ভিতৰতে ইয়াক কাৰ্য্যকৰী কৰাৰ বাবে ব্যৱস্থা গ্ৰহন কৰিম ।

**মাননীয় অধ্যক্ষ ঃ** Next Question No.387, Hon'ble Member Shri Ramendra Narayan Kalita.

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনোৱা মতে প্ৰায় ২৬,৩২২ টা অংগনবাড়ী কেন্দ্ৰ আংশিক আৰু পূৰ্ণ মেৰামতিৰ প্ৰয়োজন আছে। তাত আমাৰ অসমৰ বিভিন্ন ঠাইত যিবিলাক অংগনবাড়ী কেন্দ্ৰ আছে,তাৰ বহু সংখ্যকৰে অৱস্থা শোচনীয়। গতিকে এই ২৬,৩২২ টা যি অংগনবাড়ী কেন্দ্ৰৰ মেৰামতিৰ কাম আছে সেই কামসমূহ কেতিয়া কৰিব এই কথাটো মাননীয় মন্ত্ৰী মহোদয়ে জনাব লাগে।

দ্বিতীয়তে চাৰ, দিব্যাংগ সকলৰ বাবে প্ৰায় ৫ খন আঁচনি আছে, কিন্তু তেওঁলোক এই সম্পৰ্কে অৱগত নহয়। তাৰ কাৰণে মোৰ সমষ্টিত এই সুবিধাবিলাক কোনে পাইছে , প্ৰকৃততে দিব্যাংগ সকলে পাইছেনে নাই মই নাজানো। কিন্তু মই যেতিয়া মোৰ সমষ্টিলৈ যাওঁ তেতিয়া বহু দিব্যাংগ আহি কয় আমাক চৰকাৰৰ ফালৰ পৰা আৰ্থিক সাহায্য দিব লাগে। এতিয়া মোৰ প্ৰশ্নটো হ'ল- এই দিব্যাংগ সকলৰ বাবে যি ৫খন আঁচনি আছে,এই আঁচনি সমূহ বাস্তৱত ৰূপায়িত কৰাৰ কাৰণে আমাৰ বিধায়ক সকলক জড়িত নকৰাৰ কাৰণ কি আৰু এই আঁচনিসূহৰ লগত বিধায়ক সকলক জড়িত কৰাৰ ব্যৱস্থা কৰিব নেকি ? বিধায়ক সকলক জড়িত কৰিলে গোটেই কথাখিনি স্পষ্ট হৈ পৰিব।

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য দুয়োগৰাকীয়ে অংগনবাড়ী কেন্দ্ৰ মেৰামতিৰ কথাটো পোনপ্ৰথমবাৰৰ বাবে উত্থাপন কৰে। যদিও আগতে মেৰামতিৰ নামত বিভাগটোত কোনো ব্যৱস্থা নাছিল, তথাপি যোৱা ২০১৭-১৮ বিত্তীয় বৰ্ষত ২৪,০১,০০০ কোটি টকা ধাৰ্য কৰা হৈছিল। সেইমতে আমি প্ৰতিটো সমষ্টিতে ১৫ লাখকৈ টকা দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছিলো, আৰু ৫ কোটি ১০ লাখ ১ হাজাৰ টকা
আমি বিভিন্ন বান-বিধস্ত বা ধুমুহাত বিশেষ ভাবে ক্ষতিগ্ৰস্ত হোৱা অঞ্চল সমূহত দিয়াৰ বাবে নিৰ্ধাৰণ কৰিছো। এই আঁচনিখন ৰূপায়ণৰ বাবে আমি জিলা পৰ্য্যায়ত উপায়ুক্তৰ অধ্যক্ষতাত এখন সমিতি গঠন কৰি দিয়া হৈছে য'ত আমাৰ মাননীয় বিধায়ক সকলক সেই সমিতিৰ সদস্য কৰি লোৱা হৈছে । ঠিক তেনেদৰে Project Level তো Implementation Committee এখন আমি কৰি দিছো, Chairman হিচাপে CDPO থাকিব আৰু বিধায়ক সকলৰ লগতে তেওঁলোকৰ প্ৰতিনিধিসকলক সদস্য হিচাপে ৰখাৰ ব্যৱস্থা কৰা হৈছে। আমি আশা কৰিছো এই আঁচনিৰ ধন কম দিনৰ ভিতৰতে প্ৰতিটো সমষ্টিতে দিবলৈ সক্ষম হ'ম।

দ্বিতীয়তে, দিব্যাংগ সকলৰ আঁচনিৰ ক্ষেত্ৰটো জিলা পৰ্যায়ত এখন বাচনি কমিটী গঠন কৰি দিয়া হৈছে। দিব্যাংগ সকলৰ কল্যাণৰ বাবে থকা বিভিন্ন আঁচনি, হিতাধিকাৰী সকলৰ বাচনিৰ

ক্ষেত্ৰত জিলা উপায়ুক্তৰ নেতৃত্বত একোখনকৈ কমিটি গঠন কৰি দিয়া হৈছে। এই কমিটি সমূহত জিলা উপায়ুক্তৰ উপৰিও স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক, সমাজকল্যাণ বিষয়া আৰু চিকিৎসা বিশেষজ্ঞ বিষয়া সকলক জড়িত কৰি এই কমিটীখন গঠন কৰিছো। মাননীয় বিধায়ক গৰাকীয়ে ইয়াত বিধায়ক সকলক জড়িত কৰাৰ যি কথা কৈছে এই বিষয়টো আমি পৰীক্ষা কৰি চাম আৰু অহা দিনত ইয়াৰ ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। ধন্যবাদ ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, উপায়ুক্ত পৰ্যায়ত যি কমিটী গঠন কৰা হোৱা বুলি কৈছে,সেই কমিটীৰ মিটিং কামৰূপ (মহানগৰ) আৰু কামৰূপ (গ্ৰাম্য) জিলাত সেই কমিটীৰ মিটিং এতিয়ালৈকে আহ্বান কৰা শুনা নাই। অন্য জিলাত হৈছে যদি মই নাজানো।

**মাননীয় অধ্যক্ষ ঃ** নাই হোৱা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, বিধায়ক ঃ** গতিকে এই মিটিংখন এতিয়ালৈকে আহ্বান কৰা নাই। দ্বিতীয়তে চাৰ, যোৱা ২০১৭-১৮ বিত্তীয় বৰ্ষত আমাৰ **"দীনদয়াল দিব্যাংগ সাহায্য"** আঁচনিৰ অধীনত ২২৫ কোটি টকা মুকলি কৰি দিয়া হৈছে। এই টকাটো যাতে প্ৰকৃত দিব্যাংগ সকলে পায় আৰু ইয়াৰ যাতে কোনোধৰণৰ misuse নহয়, সেইবাবে আমাৰ বিধায়ক সকলক জড়িত কৰিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, জিলা উপায়ুক্তৰ নেতৃত্বত যদি কমিটিখন বহা নাই, তেতিয়াহলে আমি আজিয়েই জিলা উপায়ুক্তক এই কমিটীখন বহাবলৈ পৰামৰ্শ আগবঢ়াম। এইখিনিতে উল্লেখ কৰিব বিচাৰিছো ২০১৭-১৮ বিত্তীয় বৰ্ষত **"দীনদয়াল দিব্যাংগ সাহায্য"** আঁচনিৰ অধীনত ২২৫ কোটি টকা নিৰ্ধাৰণ কৰা হৈছিল, তাৰে ইতিমধ্যে ১,৩০,৪১১ গৰাকী দিব্যাংগক ৬৫,২০,৫৫,০০০ কোটি টকা দিয়াৰ ব্যৱস্থা কৰা হৈছে আৰু বাকী যি সকল দিব্যাংগ ব্যক্তি আছে, এই ব্যক্তিসকলক চিনাক্ত কৰিবলৈ জিলা পৰ্যায়ত মেডিকেল ব'ৰ্ডৰ দ্বাৰা চিনাক্তকৰণ প্ৰক্ৰিয়া অব্যাহত ৰখা হৈছে। অহা দিনত চিনাক্তকৰণ প্ৰক্ৰিয়াৰ অন্তত যিমানখিনি দিব্যাংগ ব্যক্তি ওলাব এই আঁচনিৰ দ্বাৰা সকলোকে উপকৃত কৰাৰ বাবে আমি ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ ধন্যবাদ। এতিয়া অতুল বৰা ।**

**শ্ৰী অতুল বৰা,বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী গৰাকীয়ে অলপ আগতে কৈছে যে প্ৰতিটো সমষ্টিত ১৫ লাখকৈ টকা অংগনবাড়ী কেন্দ্ৰসমূহ মেৰামতিৰ কাৰণে দিয়া হৈছে। কিন্তু মই এই সম্পৰ্কত ক'ব বিচাৰিছো যে- ১৫ লাখ টকাটো সকলো সমষ্টিতে সমানে দিলে অলপ অসুবিধা হ'ব। কাৰণ মোৰ সমষ্টিটো এটা বৃহৎ সমষ্টি। ইয়াত ২০০ তকৈও অধিক অংগনবাড়ী কেন্দ্ৰ আছে। কিন্তু সৰু সৰু সমষ্টি কিছুমানত মাত্ৰ ১০/২০ টাহে অংগনবাড়ী কেন্দ্ৰ আছে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে- এই ক্ষেত্ৰত সংখ্যা অনুযায়ী মেৰামতিৰ বাবে নিৰ্ধাৰিত টকাখিনি দিলে ভাল হয় ।

**মাননীয় অধ্যক্ষঃ** ......মন্ত্ৰী ডাঙৰীয়া...।

**শ্ৰীনৱ কুমাৰ দলে, মাননীয় মন্ত্ৰী, সমাজ কল্যান, সাংস্কৃতিক পৰিক্ৰমা ইত্যাদিঃ** মাননীয়

অধ্যক্ষ মহোদয়, ইতিমধ্যে আমি কৈছো যে, অঙ্গনবাদী কেন্দ্ৰৰ মেৰামতিৰ বাবে কোনো ব্যৱস্থা নাছিল। পুঁজিৰ ব্যৱস্থা ৰখা নাছিল, কিন্তু পোন প্ৰথমবাৰৰ বাবে ২০১৬-১৭ বিত্তীয় বৰ্ষত আমি পুঁজি ৰখাৰ ব্যৱস্থা কৰিছোঁ। আমি প্ৰতিটো সমষ্টিৰ মেৰামতি কৰিব লগা অঙ্গনবাদী কেন্দ্ৰবিলাক পৰীক্ষা কৰাৰ বাবে monitoring and supervision কমিটিক-দায়িত্ব প্ৰদান কৰিছোঁ। যিবিলাক সমষ্টিত মেৰামতি কৰিব লগা অঙ্গনবাদী কেন্দ্ৰ আছে প্ৰতিবেদন দিয়াৰ বাবে ইতিমধ্যে আমি পৰামৰ্শ প্ৰদান কৰিছোঁ। প্ৰতিবেদন পোৱাৰ পিছত আমি অহা বিত্তীয়বৰ্ষত পুঁজি ৰখাৰ ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** নন্দিতা দাস.......।

**শ্ৰীমতী নন্দিতা দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত বহুতে দিব্যাঙ্গৰ পৰিচয় পত্ৰ পোৱা নাই। মাজতে awareness programme এটা হৈ গৈছিল। যথেষ্ট খেলিমেলি হৈছিল। এতিয়াও বহুতে পৰিচয় পত্ৰ পোৱা নাই। গতিকে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে পুনৰ awareness programme পাতি পৰিচয় পত্ৰ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰে।

**শ্ৰীনৱ কুমাৰ দলে, মাননীয় মন্ত্ৰী, সমাজ কল্যান, সাংস্কৃতিক পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু medical Board Camp সমূহে জিলাভিত্তিত এতিয়াও কৰি আছে। মাননীয়া সদস্যগৰাকীয়ে তাত পৰিচয় পত্ৰ পোৱা নাই বুলি কৈছে, গতিকে বিষয়টো আমি বিভাগক দৃষ্টিগোচৰ কৰিম যাতে বিভাগে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰে।

**শ্ৰীগুৰুজ্যোতি দাস ঃ** অধ্যক্ষ মহোদয়, unmarried মহিলাৰ কাৰণে কিবা আঁচনি আছে নেকি ?

**মাননীয় অধ্যক্ষ ঃ** এইটো পিছত জনাব । আজি আৰু সময় নাই, আজি নোৱাৰিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াই দিব্যাঙ্গসকলৰ ক্ষেত্ৰত সুন্দৰকৈ উত্তৰ দিছে, এইটো message ৰাইজৰ মাজত যোৱাটো ভাল যে আমাৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্ব্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত আমাৰ চৰকাৰে বৰ্ত্তমান অসমত যিমান দিব্যাঙ্গ আছে সকলোকে সুবিধা দিব। তেওলোকে পইছা পাব আৰু তাত কোনো কমিটিৰ অনুমোদন নালাগে।

**মাননীয় অধ্যক্ষ ঃ** point of order , one by one । I will allow everybody.

**শ্ৰীআমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, তৰাবিহীন প্ৰশ্ন নং ৮৭১ - ইয়াত মই জানিব বিচাৰিছোঁ যে D R S C ৰ পৰা আগতে আমি এটা recommendation দিছিলো। তেতিয়া চাৰ আপুনি D R S C ( works) ৰ সভাপতি আছিল। তেতিয়াই এই recommendation লোৱা হৈছিল যে নগাও আৰু শোনিতপুৰৰ চৰ চাপৰিত এটা Demarcation problem আছিল কিন্তু ইয়াত কৈছে যে D R S C ৰ পৰা কোনো recommendation পোৱা নাই। এইবাৰ recommendation ত দেখিছো আগৰ recommendation টো আছে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, মই এইটো চাই দিম। next point of order -- Rupjyoti Kurmi।

**শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা unstarred question আছিল - প্ৰশ্ন নং- ৮৮৯ এই প্ৰশ্নটোত মোৰ মৰিয়নি সমষ্টিত অসম নগালেণ্ডৰ সীমাত থকা ৰজাবাৰী B O P ৰ কথা উল্লেখ কৰিছিলোঁ। ৰাঙখাম অঞ্চলত ২০১৫ চনত নগা দুৰ্বৃত্ত আহি অসমৰ মাটি দখল কৰিব বিচৰাত আমি পুলিছ, প্ৰশাসনক লগত লৈ সেই ঠাইলৈ গৈ আমি আমাৰ মাটি ৰক্ষা কৰিবলৈ সক্ষম হৈছিলো। মন্ত্ৰী মহোদয়ে মোৰ প্ৰশ্নৰ উত্তৰত উল্লেখ কৰিছে যে এই B O P

টোৰ ক্ষেত্ৰত উত্তৰত উল্লেখ কৰিছে যে Circle Officer ৰ মাটিৰ কাৰণে proposal দিছে। D Cয়ে চৰকাৰলৈ পঠোৱা নাই। মোৰ মতে উত্তৰটো শুদ্ধ হোৱা নাই নেকি? এতিয়া মোৰ প্ৰশ্নটো হ'ল অধ্যক্ষ মহোদয়, D C ই ২০১৫-২০১৬ চনতে proposal পঠিয়াইছিল গতিকে সোনকালে B O P টো স্থানান্তৰিত কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মই চাই ল'ম। Next.....।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থঃ** অধ্যক্ষ মহোদয়, মোৰ Starred question ৩৮৮। ৬১ কি.মি কাইটীয়া তাঁৰৰ কাম কৰিবলৈ বাকী আছে, বৰ্ত্তমান চৰকাৰ অহাৰ পিছত বেৰা দিয়া কাম কিমান শতাংশ হ'ল? অধ্যক্ষ মহোদয় এইটোৰ তথ্য উত্তৰত দিয়া নাই। দ্বিতীয়তে আমাৰ চৰৰ ৪.৩৫ কি.মি - আৰু ৫. ৫ কি.মি ঠাই আছে আজি ১৫ বছৰ ধৰি কাম হোৱা নাই। এনেই পৰি আছে কিবা কাম আৰম্ভ হ'লেই বাংলাদেশৰ পৰা কিবা এটা objection আহি যায় অধ্যক্ষ মহোদয়। এইটো sort out কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া সুৰেন ফুকন.....।

**শ্ৰীসুৰেন ফুকনঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া কমলী বসুমতাৰীয়ে এটা প্ৰশ্ন কৰিছিল, উত্তৰ বিলাকৰ ওপৰত ক'বলগীয়া নাই। মোৰ তৰা চিহ্নিত প্ৰশ্ন নং-৩৯৪। প্ৰশ্নৰ যিখন তালিকা - খ- তাতে ৩১ নম্বৰত, অসমৰ এখন ইতিহাস প্ৰসিদ্ধ ঠাই চৰাইদেও, এই শব্দটো ইয়াত ভুলকৈ উল্লেখ কৰিছে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। শব্দটো শুদ্ধ হ'ব লাগিব। এতিয়া বাজেদ আলি চৌধুৰী ডাঙৰীয়া।

**শ্ৰীৰাজেদ আলি চৌধুৰী ঃ** অধ্যক্ষ মহোদয়, মোৰ এটা লিখিত প্ৰশ্ন নং ৮৬৫ ত মই প্ৰশ্ন কৰিছিলোঁ যে চৰ উন্নয়নৰ সামগ্ৰী বিতৰণৰ ক্ষেত্ৰত জিলা ভিত্তিত কিবা কমিটি গঠন কৰা হৈছে নেকি? তাৰ উত্তৰত পাইছোঁ হয়, জিলা ভিত্তিত কমিটি গঠন কৰা হৈছে। চৰকাৰৰ ফালৰ পৰা যিটো নিৰ্দ্দেশ দিয়া হৈছিল কমিটি গঠন কৰাৰ ক্ষেত্ৰত, তাত নিৰ্দ্দেশ দিয়া হৈছিল যে এজন P R I Member আৰু এজন Social Worker আৰু M LA আৰু Concerned officials of Panchyat department আমাৰ সেইখিনিও ইয়াত সংলগ্ন কৰি দিছে। কিন্তু Goverment ৰ যিটো order তাত দিয়া আছে এজন Social Worker আৰু এজন P R I Member কিন্তু জিলা উপায়ুক্ত দুগৰাকীয়ে দক্ষিন শালমৰা -----মানকাছাৰ জিলাত উপায়ুক্তই তাত এজনৰ ঠাইত ৪ জন Social Worker দিছে। ধুবুৰী জিলাৰ উপায়ুক্তই তাত ১ জনৰ ঠাইত ৫ জন Social Worker নিযুক্তি দিছে। গতকে govt. order-- তেওলোকে violate কৰিছে। এই কথাটো আপোনাক অৱগত কৰিছো অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মই এইটো চাই ল'ম। মই এতিয়া Zero Hour লৈ যাব বিচাৰিছোঁ। প্ৰথমতে আব্দুল খালেক।

**শ্ৰীআব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসম কাকতৰ ৩০ মাৰ্চ সংখ্যাত প্ৰকাশিত স্বৰ্ণ কমল প্ৰাপ্ত অসমীয়া ছবিৰ বাবে প্ৰেক্ষাগৃহ নাই শীৰ্ষক বাতৰিটো আপুনি উত্থাপনৰ সুযোগ দিয়া বাবে ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, প্ৰায় দেখা গৈছে আমাৰ প্ৰযোজক সকলে অতি কষ্টেৰে অসমীয়া চিনেমা তৈয়াৰ কৰে। কিন্তু ভাৰতৰ অন্যান্য ৰাজ্যত আঞ্চলিক ভাষাৰ ছবিসমূহক যিধৰণে Promote কৰা হয় আমাৰ ৰাজ্যত সেইদৰে হৈ উঠা নাই। স্বৰ্ণ কমল প্ৰাপ্ত 'আলিফা' নামৰ চিনেমাখন যোৱা ৩০ মাৰ্চত অসম আৰু পশ্চিমবঙ্গত একেলগে release কৰাৰ

কথা আছিল কিন্তু বাগী- ২ নামৰ হিন্দী চিনেমাখনৰ কাৰণে এই অসমীয়া 'আলিফা' নামৰ চিনেমাখন পশ্চিমবঙ্গত যদিও release হ'ল কিন্তু অসমত নহ'ল। অধ্যক্ষ মহোদয় এইটো প্ৰথম ঘটনা নহয়। ইয়াৰ আগতেও " চাকিৰা আহিব বকুল তলৰ বিহু তলিলৈ" সেই চিনেমাখনৰ ক্ষেত্ৰতো অনুৰূপ ঘটনা সংঘটিত হৈছে। আৰু এই চিনেমাখনৰ প্ৰযোজকে চৰকাৰৰ ওপৰত আস্থা নাৰাখি আনকি নিষিদ্ধ ঘোষিত সংগঠনৰ মুৰব্বীলৈকে চিঠি লিখিব লগা হৈছে। অধ্যক্ষ মহোদয় আমি সকলোৱে জানো আজি দাক্ষিনাত্যৰ চিনেমা- তামিল চিনেমাই হওক, কন্নড় চিনেমাই হওঁক তেওঁলোকৰ চিনেমাই আনকি কেতিয়াবা হিন্দী চিনেমাকো বজাৰত অতিক্ৰম কৰি যায়। আজি মহাৰাষ্ট্ৰত মাৰাঠী চিনেমা দেখুওৱাটো বাধ্যতামূলক কিন্তু কি ৰহস্যজনক কাৰণত আমাৰ চৰকাৰে মই অকল বৰ্ত্তমানৰ চৰকাৰৰ কথা কোৱা নাই অধ্যক্ষ মহোদয়। আমাৰ চৰকাৰে কিয় বাধ্য কৰিব নোৱাৰে আমাৰ ছবিঘৰসমূহক যে অন্ততঃ অসমীয়া চিনেমা ৰিলিজ হোৱাৰ আগতে এসপ্তাহ বা দুসপ্তাহ prime time ত অসমীয়া চিনেমা বা বড়ো, মিছিং ইত্যদি চিনেমা দেখুৱাটো বাধ্যতা মূলক কৰিব লাগে। 'আলিফা' নামৰ চিনেমাখন গৰাখহনীয়াত বিপৰ্যস্ত এটা পৰিয়ালে কিদৰে জীৱন সংগ্ৰাম কৰিছে তাৰ ওপৰত আধাৰিত।

সৌভাগ্যক্ৰমে ইয়াৰ premier Show ত মাননীয় সদস্য আমিনুল ইছলাম, শ্বেৰমান আলি আহমেদৰ লগতে মইও উপস্থিত থকাৰ সুযোগ পাইছিলোঁ। কিন্তু অধ্যক্ষ মহোদয় আমি চৰকাৰী ভাষা আইন গ্ৰহণ কৰিছো, সেইখনো ভালকৈ গৃহীত হোৱা নাই আৰু আজি আমি আমাৰ cinema industry টো যদি নিজে promote কৰিব নোৱাৰো, আমাৰ এই সদনত মাননীয়া সদস্যা হিচাপে আমাৰ অভিনেত্ৰী আঙুৰ লতা ডেকা ডাঙৰীয়ানী আছে, আমাৰ ছবিৰ পৰিচালনাৰ লগত জড়িত মাননীয় সদস্য শ্ৰীসত্যব্ৰত কলিতা ডাঙৰীয়া আৰু মাননীয়া সদস্যা সুমন হৰিপ্ৰিয়াও আছে।

গতিকে আমাৰ চিনেমাৰ ক্ষেত্ৰত এটা policy হ'ব লাগিব। আমাৰ নিজৰ ভাষাৰcinema যদি আমাৰ ৰাজ্যখনত প্ৰদৰ্শন কৰাৰ সুযোগ নাপাও আনতো আমি নাপাও, গতিকে অধ্যক্ষ মহোদয় , অত্যন্ত দুৰ্ভাগ্যজনক কথা যে, এই খন চিনেমা পশ্চিম বঙ্গত চলি আছে কিন্তু আমাৰ ৰাজ্যত চলা নাই। সেই কাৰণে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো আৰু এটা পলিচি বনাবলৈ অনুৰোধ কৰিছোঁ যাতে আমাৰ ৰাজ্যত আমাৰ নিজৰ ভাষাৰ চিনেমা prime time show কৰিব পৰা যায়। আমাৰ ছবিঘৰৰ সংখ্যাও কম , চৰকাৰে এটা policy লৈছে ছবিঘৰ বৃদ্ধি কৰাৰ বাবে, লগতে আমি অসমীয়া চিনেমাৰ বজাৰ এখন সৃষ্টি কৰিব লাগিব অধ্যক্ষ মহোদয়,. যাতে ইয়াৰ জৰিয়তেও আমাৰ নিবনুৱা যুৱক- যুৱতীসকলে নিযুক্তি লাভ কৰে । গতিকে অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক বিহীত ব্যৱস্থা ল'বলৈ অনুৰোধ জনাই এইখিনি কৈ মোৰ চমু বক্তব্যৰ সামৰণি মাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** Thank you, Minister Please.

**শ্ৰী নৱ কুমাৰ দলে, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য আব্দুল খালেক ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ণ বিষয় দৃষ্টিগোচৰ কৰিছে। **৩০** মাৰ্চত, **২০১৮** তাৰিখে **অসমীয়া 'আমাৰ অসম' কাকতত প্ৰকাশিত 'স্বৰ্ণপদক প্ৰাপ্ত অসমীয়া ছবিৰ বাবে প্ৰেক্ষাগৃহ নাই**" শীৰ্ষক বাতৰিটো আমাৰ দৃষ্টিগোচৰ হৈছে। এই সন্দৰ্ভত আমি জনাওঁ যে অসমত অসমীয়া বা আঞ্চলিক ছবি মুক্তি দিবৰ বাবে চিত্ৰগৃহৰ যি অভাৱ হৈছে, সেই অভাৱপূৰণৰ বাবে অসম চৰকাৰে চিত্ৰগৃহ নিৰ্মাণৰ বাবে এক নিয়মাৱলী প্ৰস্তুত কৰিছে। ইয়াৰ বাবে এই বছৰত পাঁচ

কোটি টকা ধাৰ্য্য কৰা হৈছে। এই গাইডলাইন অনুসৰি নতুন চিত্ৰগৃহ নিৰ্মাণৰ কাৰণে মুঠ ব্যয় **২৫ শতাংশ** subsidy দিয়া হ'ব আৰু সৰ্বাধিক **৭৫** লাখ টকা ধাৰ্য্য কৰা হৈছে। পুৰণি প্ৰতিটো চিত্ৰগৃহ পুনৰুজ্জীৱিত কৰণৰ বাবে **৫০** লাখ টকা আৰু পুনৰ নবীকৰণ কৰিবৰ বাবে **২৫** লাখ টকা ধাৰ্য্য কৰা হৈছে। ইতিমধ্যে অধিসুচনা জাৰি কৰা হৈছে অসম চলাচিত্ৰ বিত্ত আৰু উন্নয়ন নিগমে ইয়াক কাৰ্য্যক্ষম কৰিব। তাৰ ওপৰিও হিন্দী ছবিৰ বিতৰ্কৰ আগ্ৰাসনকে আদি কৰি বিভিন্ন বিষয় সাঙুৰি এই বিষয়বোৰ ৰোধ কৰিবৰ কাৰণে চৰকাৰে চিনেমাৰ লগত জৰিত বিভিন্ন ব্যক্তিৰে গঠিত এখন সমিতিৰ দ্বাৰা, এখন নতুন চলচিত্ৰৰ নীতি প্ৰনয়ণ কৰিবলৈ ইতিমধ্যে যো-জা কৰি থকা হৈছে। আৰু এই গোটেই বিষয়টো আমি অতি গুৰুত্ব সহকাৰে লৈছোঁ।

**মাননীয় অধ্যক্ষ ঃ** Thank you.

**শ্ৰী আব্দুল খালেক, জনিয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, ছবিঘৰ নিৰ্মাণ হৈছে ভাল কথা । কিন্তু আমাৰ চলিত ছবিঘৰ সমূহত এটা বাধ্যতামূলক show কৰাৰ পলিচি চৰকাৰে গ্ৰহণ কৰিব লাগে। আৰু সেইটো বিবেচনা কৰিব বুলি ক'লে ভাল হয়।

**শ্ৰী নৱ কুমাৰ দলে, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতুকে ৰাজ্যিক চলচিত্ৰৰ নীতি এখন ইতিমধ্যে কৰি থকা হৈছে আৰু এই নীতিখনৰ ভিতৰতে সকলো দিশ সাঙুৰি তাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, এইটো সোনকালে হ'লে বেছি ভাল হ'ব।

ইয়াৰ পিছৰ শুণ্যকালীন ঘন্টা, মাননীয়া সদস্য শ্ৰীমতী কমলী বসুমতাৰী।

(সভাপতি শ্ৰী আব্দুল খালেকে সদন পৰিচালনা কৰে)

**শ্ৰীমতী কমলী বসুমতাৰী, পানেৰীঃ** মাননীয় সভাপতি মহোদয়, আজি যোৱা **১৮.০৩.২০১৮** চনৰ **"দৈনিক অগ্ৰদুত" বাতৰি কাকতত প্ৰকাশিত "বিশুদ্ধ খোৱা পানীৰ বাবে হাঁহাকাৰ"** শীৰ্ষক বাতৰিটোৰ প্ৰতি লক্ষ্য ৰাখি মই আজি পবিত্ৰ বিধান সভাত উত্থাপন কৰিছোঁ। আৰু এইটোক উত্থাপন কৰিবলৈ অনুমতিৰ দিয়াৰ কাৰণে মই মাননীয় অধ্যক্ষ ডাঙৰীয়াক ধন্যবাদ জনাইছো।

মাননীয় সভাপতি ডাঙৰীয়া, বিশুদ্ধ খোৱা পানীৰ ক্ষেত্ৰত গ্ৰহণ কৰা কৰ্তন প্ৰস্তাৱত মই অংশগ্ৰহণ কৰিছিলোঁ। ওদালগুৰি জিলাৰ উত্তৰ অংশত পানীৰ খুব নাটনি। অত্যন্ত খৰাং অঞ্চল সেইবোৰ। তাত খোৱাপানীৰ সুব্যৱস্থাৰ কাৰণে বিগত দিনবোৰত সেই সময়ৰ P.H.C ৰ মন্ত্ৰী ডাঙৰীয়াই বহুত সদিচ্ছা লৈ কাম কৰিছিল। কিন্তু পৰৱৰ্তী সময়ৰ P.H.C মন্ত্ৰী ডাঙৰীয়াৰ কাৰ্য্যকালত পূৰ্বৰ যিবোৰ আঁচনি গ্ৰহণ কৰা হৈছিল, সেইবোৰ লাহে লাহে বিকল হ'বলৈ ধৰিলে। মই বিশেষভাৱে টংলা চহৰৰ পানীৰ অভাৱৰ কথাটো লৈ আহিছিলো। কিন্তু অলপ অসুবিধা হ'ল কাৰণ টংলা চহৰখন urban area । সেয়েহে মাননীয় সভাপতি ডাঙৰীয়া আপোনাৰ জৰিয়তে টংলা চহৰৰ পানীৰ কথাটো বিশেষভাৱে গুৰুত্ব দি ক'বলৈ বিচাৰিম আৰু সেইটো অতি সোনকালে কেনেকৈ ব্যৱস্থা লব পাৰি, সেইটো মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে এটা সমধানৰ পথ উলিয়াব পাৰিব, এই আশা ৰাখিছোঁ।

মাননীয় সভাপতি ডাঙৰীয়া, আমাৰ ওদালগুৰি জিলাত বিশেষভাৱে **২৩৫** খন পানী যোগান আঁচনি আছে। তাৰে ভিতৰত **১২১** খন বৰ্তমান কাৰ্য্যক্ষম, বাকী **১১৪** খন কাৰ্য্যক্ষম নহয়। সেই বিকল আঁচনি বিলাক মেৰামতি কৰি ৰাইজক পানী যোগান ধৰিব পৰাকৈ সেই বিভাগক যথেষ্টখিনি পুঁজিৰ দৰকাৰ, সেইটো আমি জানো আৰু এটা সমস্যা হৈছে সেইটো Sixth Schedule area আৰু তাত বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই কিছুমান কাম কৰিবলৈ technical prob-

lem এ দেখা দিয়ে। সেই হিচাপে মই, মাননীয় সভাপতি ডাঙৰীয়া, আপোনাৰ যোগেদি অনুৰোধ কৰিব বিচাৰিছোঁ যে বিভাগীয় ভাৱে আমাৰ Sixth Schedule area ৰ Authority ৰ লগত আলোচনা কৰি আমাৰ মাজত যি সমস্যা দেখা দিছে বিশুদ্ধ খোৱা পানীৰ ক্ষেত্ৰত। তাৰ আলোচনা কৰি ইয়াৰ সমাধানৰ এটা সুত্ৰ উলিয়াব পাৰিব, এই আশা মই ৰাখিছোঁ।

মাননীয় সভাপতি ডাঙৰীয়া, টংলা চহৰখন নিচেই সৰু চহৰ। **১৯৬১** চনত টংলা নগৰ সমিতি গঠন কৰা হৈছিল। ইয়াৰ পিছত **১৯৮৭** চনত টংলা সংমণ্ডলৰ অন্তৰ্গত জালুকবাৰী চেক্টৰতো পানী যোগান মণ্ডল দুই আৰু চিত্ৰ নগৰ এক, এনেকৈ দুটা তাত ডাঙৰ project নিৰ্মাণ কৰা হৈছে আৰু যেতিয়া নগৰ সমিতি গঠন হ'ল, তেতিয়া বিভাগীয় ব্যৱস্থাৰে সেইটো Town Committee ক handover কৰা হৈছে। কিন্তু আচৰিত জনক ভাৱে টংলাত বৰ্তমান সেই দুটা আঁচনি সম্পূৰ্ণ বন্ধ হৈ আছে। আমি জানো আজিৰ দিনত আমাৰ পানীৰ আৰ্চনিক টংলা চহৰৰ আশে পাশে পোৱা গৈছে। সেই কাৰণে টংলাত পানীৰ ব্যৱস্থাটো যদি কাৰ্য্যক্ষম কৰি দিয়ে, তেনেহ'লে আমি বিভিন্ন ৰোগৰ পৰা নিশ্চয় সকাহ পাম। সেয়েহে মাননীয় সভাপতি ডাঙৰীয়া, মই অনুৰোধ কৰিব বিচাৰিছোঁ যিবিলাক বিকল হৈ আছে আমাৰ down ত নহ'লেও অন্তত foothill ত উত্তৰ অঞ্চলত ওদালগুৰি জিলা, চিৰাং জিলাই হওঁক বা বাক্সাই হওঁক বা Indo-Bhutan Border ৰ আশে পাশে যিবিলাক অঞ্চল আছে। এই অঞ্চল বিলাকত পানী যোগান আঁচনি দিয়াৰ যথেষ্ট প্ৰয়োজন হৈছে। আৰু এইটো কম টকাৰেও নহয়, কাৰণ তাত down ত পানী লেভেলটো বহুত তলত থকাৰ কাৰণে যথেষ্টখিনি পুঁজিৰ দৰকাৰ হয়। যদি আমি ৰাইজক বিশুদ্ধ পানীৰ যোগান ধৰিব পাৰোঁ তেনেহ'লে বহুত ভাল হয়। মাননীয় সভাপতি ডাঙৰীয়া, বিশেষভাৱে যিহেতু অসমত অকল ওদালগুৰি জিলাই নহয়, এই বাজেট অধিবেশনৰ ভিতৰত পানী যোগানৰ বহুখিনি প্ৰশ্ন আহিছিল, বহু কথা আলোচনা হৈ গ'ল, সকলো সমষ্টিত এই সমস্যাটো আছে।

**মাননীয় সভাপতি মহোদয়** ঃ অলপ চমুকৈ কওঁক।

**শ্ৰীমতী কমলী বসুমতাৰী (মাননীয় সদস্যা, পানেৰী)** ঃ মাননীয় সভাপতি মহোদয়, সকলো সমষ্টিতে সমস্যাটো আছে, সেইকাৰণে এই অসুবিধা কেনেকৈ দূৰ কৰিব পৰা যায়, সেইটো চিন্তা চৰ্চা কৰি আমাৰ ৰাইজক বিশুদ্ধ খোৱা-পানী যোগান ধৰাৰ ক্ষেত্ৰত যাতে ব্যৱস্থা লয় সেইখিনি মই অনুৰোধ কৰি আজি মই টংলা চহৰৰ যিটো পানীৰ সমস্যা এই সমস্যাটো বিধান সভাত দাঙি ধৰিলোঁ, ধন্যবাদ।

**মাননীয় সভাপতি মহোদয়** ঃ মাননীয় মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগ।

**শ্ৰী ৰিহণ দৈমাৰী (মন্ত্ৰী)** ঃ মাননীয় সভাপতি ডাঙৰীয়া, মাননীয় সদস্যা, শ্ৰীমতী কমলী বসুমতাৰী বাইদেউৱে যোৱা ১৭ তাৰিখৰ অগ্ৰদূত কাকতত প্ৰকাশিত 'খোৱা পানীৰ বাবে হাহাকাৰ' এই বাতৰিৰ শিৰোনামাৰ উদ্ধৃতি দি আমাৰ ওদালগুৰি জিলাৰ বিশেষকৈ খোৱা পানীৰ যি সমস্যা সেই সমন্ধে তেখেতে যি বক্তব্য ৰাখিছে তাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছোঁ। হয়, অধ্যক্ষ ডাঙৰীয়া আমাৰ ওদালগুৰি জিলাৰ ভূটান সীমান্ত অঞ্চলত যথেষ্ট খোৱা পানীৰ সমস্যা আছে। মই নিজেও সেই অঞ্চলৰ পৰা প্ৰতিনিধিত্ব কৰি আহিছোঁ, যেতিয়া মই ওদালগুৰি সমষ্টিৰ পৰা ২০০১ চনত নিৰ্বাচিত হৈ আহিছিলোঁ। তেতিয়া মই অঞ্চল পৰিভ্ৰমণ কৰি দেখা পাইছিলোঁ যে আমাৰ সাধাৰণ লোক সকলে ১০/১৫ কিলোমিটাৰ দূৰৰ পৰা খোৱা পানী আনিব লগা হৈছে। এই গোটেই অঞ্চল বিলাকত বহুত খোৱাপানীৰ সমস্যা আছে, গোটেই গাঁও বিলাকত খোৱাপানীৰ সুব্যৱস্থা কৰিব পৰা

নাই, কিন্তু আমি দূৰত্বটো কমাই আনিব পাৰিছোঁ, এতিয়া ১০/১৫ কিলোমিটাৰ যাব নালাগে ২/৩ কিলোমিটাৰ দূৰত্বৰ ভিতৰতে কিছুমান গাওঁৰ লোকে খোৱা পানী আনিব পাৰে, যথেষ্ট সমস্যা আছে আৰু তাত Dip tubewell boring কৰিবৰ কাৰণে যথেষ্ট সমস্যা। যিহেতু বহুত দ লৈকে boring কৰিব লগা হয়, গতিকে তাত বিশুদ্ধ খোৱা পানী দিয়াটো যথেষ্ট সমস্যা। তথাপিও আমি চেষ্টা কৰিছোঁ, সেই অঞ্চল বিলাকত বিশুদ্ধ খোৱা পানী দিবৰ কাৰণে । এতিয়া লৈকে আমাৰ ওদালগুৰি জিলাত ২৩৫খন সৰু ডাঙৰ আঁচনি ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে। তাৰ ভিতৰত আমাৰ চৰকাৰী তথ্য মতে ২০১খন আঁচনি ইতিমধ্যে সম্পূৰ্ণ হৈছে। আৰু ১৩২খন আঁচনিৰ পৰা আমি বিশুদ্ধ খোৱা পানী যোগান ধৰি আছোঁ। ৬৯খন আঁচনি বিকল হৈ আছে, অধ্যক্ষ ডাঙৰীয়া, বিকল হৈ থকা আঁচনি বিলাক আমি পৰ্য্যায়ক্ৰমে Repairing কৰি পানী দিয়াৰ ব্যৱস্থা কৰিছোঁ, ইতিমধ্যে মই আমাৰ BTC ৰ Executive Member PHE Department ৰ তেখেতৰ লগতো আলোচনা কৰিছোঁ, এই বিকল হৈ থকা আঁচনিবিলাক কি ভাৱে Council ৰ পৰা মেৰামতি কৰিব পৰা যায়। তাৰ ব্যৱস্থা ল'বৰ কাৰণে তেখেত সকলকো মই অনুৰোধ কৰিছোঁ। অধ্যক্ষ মহোদয়, টংলা নগৰ পানী যোগান আঁচনিখন ১৯৮৭ চনতে সম্পূৰ্ণ কৰি উলিয়াইছিল। আৰু ১৯৯০ চনত জনস্বাস্থ্য কাৰিকৰী বিভাগে সেই পানী যোগান আঁচনিখন ১৯৯০ চনতে টংলা সংমগুলে চৰকাৰী ভাৱে টংলা নগৰ সমিতিক হস্তান্তৰ কৰে। গতিকে এই আঁচনিখন আমাৰ অধীনত নহয়। সেইখন নগৰ সমিতিয়ে চোৱা-চিতা কৰে আৰু ইয়াৰ তথ্য পোৱা মতে আমাৰ নগৰ সমিতিয়ে, বিদ্যুৎ মাচুল সময় মতে পৰিশোধ নকৰাৰ বাবে সংশ্লিষ্ট বিভাগে বিদ্যুৎ যোগান বিচ্ছিন্ন কৰি দিয়াৰ ফলত টংলা নগৰত পানী যোগান আঁচনিটো বৰ্তমান বিকল হৈ আছে। যিহেতু নগৰ সমিতিয়ে চোৱা-চিতা কৰি আছে, সেই কাৰণে জনস্বাস্থ্য কাৰিকৰী বিভাগে ইয়াৰ দায়িত্ব ল'ব নোৱাৰো। এইটো চৰকাৰী ভাৱে হস্তান্তৰ কৰা হৈছে, গতিকে এই ক্ষেত্ৰটো আমাৰ BTC ৰ Executive Member ৰ লগত মই আলোচনা কৰিছোঁ, কি ভাৱে এইখন কাৰ্য্যক্ষম কৰিব পৰা যায়, মই ভাৱো এইটো BTC ৰ পৰা take up নিশ্চয় কৰিব।

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ পিছত 3rd Zero Hour Notice মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা (মাননীয় সদস্য, পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰতিদিন কাকতত প্ৰকাশিত "চিৰিয়াখানত অস্বাভাৱিক হাৰত বৃদ্ধি পাইছে জীৱ-জন্তুৰ মৃত্যু" শীৰ্ষক এই বাতৰিটো মই শূণ্য কালীন ঘণ্টাত আপোনাৰ জৰিয়তে মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ বিভাগীয় মন্ত্ৰীৰ বিশেষ অসুবিধাৰ কাৰণে ছুটী লৈছে, But our Parliamentary Affairs Minister is there and he will answer this question.

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা (মাননীয় সদস্য, পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়,উত্তৰ পূৰ্বাঞ্চলৰ অন্যতম এই চিৰিয়াখানত যি বিলাক জীৱ জন্তু আছে, এই জীৱ-জন্তু বিলাকৰ বিভিন্ন কাৰণত মৃত্যু হোৱা বুলি জানিব পাৰিছোঁ আৰু ছাৰ মই অলপতে এই বিধান সভাতে প্ৰশ্ন কৰিছিলোঁ যে ২০১১ চনৰ পৰা এতিয়ালৈকে আমাৰ চিৰিয়াখানত কিমান জীৱ-জন্তুৰ মৃত্যু হ'ল। এই সম্পৰ্কত আমাৰ মাননীয় বন মন্ত্ৰী ডাঙৰীয়াই জনাইছিল , যে প্ৰায় ৩০৬টা জীৱ-জন্তুৰ মৃত্যু হৈছে। গতিকে আজি এই চিৰিয়াখানাৰ ৩০৬টা পশু পক্ষীৰ মৃত্যু হোৱাটো সহজ কথা নহয় ছাৰ। গতিকে কি

কাৰণত আমাৰ বিশেষভাৱে চিৰিয়াখানাত আজি এই কেই বছৰৰ ভিতৰত ইমান জীৱ-জন্তুৰ মৃত্যু হ'ল, সেইটো প্ৰকৃতাৰ্থত চৰকাৰে এটা তদন্ত কৰিছে নে নাই? মই বিশেষভাৱে গম পাইছো, যে আমাৰ চিৰিয়াখানাত যি বিলাক খাদ্য সামগ্ৰী যোগান ধৰা হয়, বিশেষভাৱে সেই খাদ্য সামগ্ৰী সমূহ উপযুক্ত হয় নে নহয় খোৱাৰ বাবে আৰু যিখিনি খাদ্য সামগ্ৰী যোগান ধৰা হয়, সেইখিনি প্ৰকৃতাৰ্থত পৰীক্ষা কৰি চোৱা হৈছে নে নাই। এই কথা বিলাক আমি নিশ্চয় জানিব লাগিব। বিশেষভাৱে আমাৰ যিখিনি চিৰিয়াখানা আছে, এই চিৰিয়াখানাত আমি বিভিন্ন আঁচনি গ্ৰহণ কৰিব পাৰোঁ আৰু বিশেষভাৱে এই আঁচনি সমূহ চিৰিয়াখানা কৰ্তৃপক্ষই কৰিছে নে নাই সেই কথাটো আমি বিশেষভাৱে অৱগত নহয়। গতিকে আজি দেখা গৈছে, যে চিৰিয়াখনাত যি ধৰণে চিকিৎসক নাৰ্চ থাকিব লাগে, সেই ক্ষেত্ৰত চিৰিয়াখানা সুৰক্ষা সমিতিয়ে ইতিমধ্যে অভিযোগ কৰিছে, যে চিৰিয়াখানাত চিকিৎসক নাথাকে আৰু সময়ত সেই জীৱ-জন্তুক চিকিৎসা নিদিয়াৰ কাৰণে হয়তো চিৰিয়াখানাৰ জীৱ-জন্তু আজি মৃত্যু মুখত পৰিব লগা হৈছে। চিৰিয়াখানাত এটা Master Plan ৰ পৰিকল্পনা লোৱা বুলি কৈছে আৰু সেই Master Plan ৰ ৩০ শতাংশ কাম হোৱা বুলি ইতিমধ্যে অৱগত কৰিছে আৰু মই গম পাইছোঁ, যে চিৰিয়াখানাত যিখিনি নিশাচৰ প্ৰাণী আছে, এই নিশাচৰ প্ৰাণী বিলাকৰ কাৰণে এটা বৃহৎ ভৱন নিৰ্মাণ কৰা হৈছিল। কিন্তু যিটো ভৱন নিৰ্মাণ কৰা হ'ল সেইটো Scientific নহয় বা বিজ্ঞান সন্মত ভাৱে সেই ভৱনটো নিৰ্মাণ নকৰাৰ কাৰণে তাতে নিশাচৰ প্ৰাণী দুদিন পৰীক্ষামূলক ভাৱে ৰখাৰ পিছত সেই দুদিনতে বহু কেইটা জীৱ-জন্তুৰ মৃত্যু হ'বলগীয়া অৱস্থাৰ সৃষ্টি হৈছিল। গতিকে ভৱনটো প্ৰকৃতাৰ্থত বিজ্ঞান সন্মতভাৱে নকৰিলে কিয়। আৰু সেই ভৱনটোৰ বাবদ প্ৰায় ১কোটি ৭৪লাখ টকাৰ অনুমোদন দিয়া হৈছিল। গতিকে আজি মই গম পাইছোঁ, যে সেই ভৱনটো ইতিমধ্যে চিৰিয়াখানা কৰ্তৃপক্ষই ভঙাৰ যো-জা কৰিছে। প্ৰকৃতাৰ্থত সেইটো ভৱন ভঙাৰ বাবে কিবা যো-জা কৰিছে নেকি মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰৰ পৰা জানিব বিচাৰিছোঁ আৰু বিশেষভাৱে আমাৰ যি বিলাক জলহস্তী আছে, এই জলহস্তী থকা যিখিনি পানী সেই পানীখিনি সলনি কৰা নহয় আৰু সেই পানীখিনিতে আজি জলহস্তী ৰাখিব লগীয়া এটা অৱস্থাৰ সৃষ্টি হৈছে।

কিন্তু মই জনা মতে, জলহস্তীৰ বাবে যিখিনি পানী আছে, সেই পানীখিনি মাজে মাজে সলনি কৰিব লাগে। সলনি নকৰাৰ কাৰণে আৰু সেই পানীখিনি বহু বছৰৰ পৰা থকাৰ কাৰণেও আজি জলহস্তী মৃত্যু মুখত পৰিবলগীয়া এটা অৱস্থাৰ সৃষ্টি হৈছে। অধ্যক্ষ মহোদয়, মই বিশেষভাৱে আপোনাৰ জৰিয়তে সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰীক অনুৰোধ কৰিব বিচাৰিছোঁ যে চিৰিয়াখানাৰ যিটো Master plane লোৱা হৈছে, সেই Master plane ত প্ৰকৃতাৰ্থত যিখিনি আঁচনি আছে সেই আঁচনিখিনি প্ৰকৃতাৰ্থত ৰূপায়ণ কৰাৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে? ইতিমধ্যে জানিব পাৰিছোঁ যে আমাৰ চিৰিয়াখানাৰ ভিতৰত এটা Ladies Club ও কৰিছে। চিৰিয়াখানাৰ আমাৰ যিটো সুৰক্ষা কমিটি আছে সেই সুৰক্ষা কমিটিয়ে এই অভিযোগ আনিছে আৰু যাৰ ফলত তাত বহুত যানবাহন চলাচল কৰে। যানবাহন চলাচল কৰাৰ কাৰণেও জীৱজন্তুৱে যথেষ্টখিনি অসুবিধাৰ সন্মুখিন হ'বলগীয়া হৈছে। গতিকে মই বিশেষভাৱে অনুৰোধ কৰিছোঁ যে Master plane খন অতি সোনকালে কাৰ্য্যকৰী কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু মই বিদেশৰ দুই এখন চিৰিয়াখানাটো গৈছো, তাতে দেখিছো যে যিখিনি দৰ্শক যায় সেই দৰ্শকৰ কাৰণে Mini Trainৰো ব্যৱস্থা আছে। ইয়াত যিহেতু আমাৰ চিৰিয়াখানত যথেষ্ট মাটি আছে, গতিকে তেনে ধৰণৰ যদি Mini Train ৰ ব্যৱস্থা কৰিব পাৰে তেনেহ'লে আমাৰ ৰাজ্য চৰকাৰৰো নিশ্চয়

ৰাজহ সংগ্ৰহত যথেষ্ট সুবিধা হ'ব। গতিকে সেইটো এটা আকৰ্ষণীয় ৰূপ দিয়াৰ ক্ষেত্ৰত মই ভাৱে যে আমাৰ মিত্ৰজোঁটৰ চৰকাৰ খনে এটা বলিষ্ঠ পদক্ষেপ ল'ব লাগে আৰু জীৱজন্তুৰ যিটো খাদ্যৰ প্ৰশ্ন আহিছে সেই খাদ্য সমূহ প্ৰকৃতাৰ্থত উপযুক্ত খাদ্য দিছে নে নাই, বিজ্ঞানসন্মত ভাৱে সেই খাদ্যখিনি চাইছেনে নাই এই কথাখিনি মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** Thank you, Minister please.

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই যিটো বিষয় আনিছে এই বিষয়টো যথেষ্ট গুৰুত্বপূৰ্ণ বিষয়। গুৱাহাটীৰ যিখন চিৰিয়াখানা আছে সেইখন ভাৰত বৰ্ষৰ এখন খুব Natural চিৰিয়াখানা আৰু তাত যথেষ্ট মাটিও আছে। সেই কাৰণে এটা Master plane চিৰিয়াখানাৰ ক্ষেত্ৰত লোৱা হৈছে। গতিকে আজি জলহস্তীৰ ক্ষেত্ৰত যিখিনি কথা তেখেতে উত্থাপন কৰিছে সেই ক্ষেত্ৰত আচলতে তাত কেনেকৈ কোনটো জন্তুৱে বা প্ৰাণীয়ে কি অৱস্থাত থাকিব লাগে তাৰে এটা Criteria থাকে আৰু সেই Criteriaৰ কাৰণে আমাৰ বন বিভাগে সেইটো বিষয় চাইছে। জলহস্তীৰ পানীখিনি কেতিয়া সলনি কৰিব লাগে, কিমান পানী থাকিব লাগে, বোকা কিমান থাকিব এই গোটেইখিনি কথা আছে। আচলতে অধ্যক্ষ ডাঙৰীয়া যদি আপুনি মন কৰে, পৃথিৱীৰ ডাঙৰ ডাঙৰ নদীবোৰত এই জলহস্তী সমূহে বসবাস কৰে এক বৃহৎ Species Areaত। এই Species Area টো চিৰিয়াখানাৰ ভিতৰত হয়তো provide কৰিব নোৱাৰে। কিন্তু নোৱাৰিলেও তাতে যিখিনি পৰা যায় সেই ব্যৱস্থাখিনি নিশ্চয় গ্ৰহণ কৰিছে। তদুপৰি অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য গৰাকীয়ে কৈছে যে তেখেতে বিদেশৰ চিৰিয়াখানাও দেখিছে। হয়, আমাৰ এতিয়া চিঙ্গাপুৰত যিটো Sentosa Island আছে, সেই Sentosa Island ত আমি দেখিবলৈ পাইছো যে মিনি ৰেল তাতে আছে আৰু Night Riding হয় তাত। Night Riding হ'লে য'ত সিংহ থাকে বা বাঘ থাকে তাত লাইট এটা জ্বলাই থৈ দিয়ে আৰু সিংহ বা বাঘটোৱে তাত কোনো Barrier বা Boundary নথকাকৈ মুক্তভাৱে থাকে। মিনি ৰেলেৰে মানুহ সকল, যাত্ৰী সকল যায় আৰু সেই লাইটৰ তলতে আপুনি সিংহ ও দেখিব আৰু

কোনোবা অকনমান জংঘলত গৈ তাত বাঘো দেখিব। কিন্তু আমাৰ চিৰিয়াখানা যিখন এইখনত আৰম্ভনিতে, আগতে এনেকুৱা হ'ল যে চাৰিওফালে Boundary দিয়া হ'ল। বাঘ যদি দুটা ৰখা হয় এটা Boundary দিয়া হয়। গতিকে বাঘটোৰও এটা Psychology থাকে, যিহেতু সি মুক্ত ভাৱে বিচৰণ কৰিব নোৱাৰে। সিংহ এটাও যদি থাকে, তাক যদি Boundary ৰ ভিতৰত ৰখা যায় তাৰ এটা Psychological Effect থাকে যে সি মুক্ত ভাৱে বিচৰণ কৰিব নোৱাৰে। কিন্তু এই বাঘ বা সিংহ সমূহ হ'ল মুক্তভাৱে বিচৰণ কৰা জীৱ। গতিকে চিৰিয়াখানাৰ ভিতৰত যদি তেওঁলোক আবদ্ধ হৈ থাকে, সেই পৰিবেশটো তেওঁলোকক লাগে যিটো তেওঁলোকে নাপায়। ঠাইটো বহুত আছে, হ'লেও তেওঁলোকৰো এটা Psychology থাকে। গতিকে এনেকুৱা ধৰণৰ কিছুমান কথা তাত আছে, নথকা নহয় আৰু অন্য কথাটো হ'ল কি যে চিৰিয়াখানাৰ ভিতৰত ধৰক সুৰক্ষা সমিতি আছে, Ladies Club আছে তেওঁলোকেও সময়ে সময়ে চায় আৰু খাদ্যৰ ক্ষেত্ৰত যিটো কথা কৈছে সেইটো নিশ্চয় ফৰেষ্ট বিভাগৰ পৰা Strictly Enquiry কৰা হ'ব। যাতে কোনো জন্তু খাদ্যৰ অভাৱত বিপদত নপৰে আৰু মই মাননীয় সদস্য গৰাকীৰ ক্ষেত্ৰত, সদস্য গৰাকীয়ে কোৱা মতে এইটো ক্ষেত্ৰত আমি একমত যে যিখন Master plane গুৱাহাটী

চিৰিয়াখানাৰ কাৰণে কৰা হৈছে সেইখন Master plane অনতি পলমে চৰকাৰে নিশ্চয় বিবেচনা কৰিব আৰু Master plane খনৰ প্ৰয়োজনে আছে আৰু গুৱাহাটী চিৰিয়াখানা খনৰ উন্নয়নৰ ব্যৱস্থাও হ'ব, মাত্ৰ এইটো কথা যদি হয় সেইটো Serious যে খাদ্যৰ অভাৱত জীৱ-জন্তুৰ কিবা অসুবিধা হৈছে নেকি সেইটো নিশ্চয় ফৰেষ্ট বিভাগৰ পৰা Enquiry কৰা হ'ব আৰু ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা কথা উত্তৰ দিয়ক যে ১কোটি ৭৬ লাখৰ এটা ভৱন নিৰ্মাণ কৰিছিল সেইটো Scientific Method ত কৰা নহ'ল আৰু দুদিনমান তাতে আমাৰ যি নিশাচৰ প্ৰাণী ৰাখিছিল, তাতে কি হ'ল বহুত জীৱ-জন্তু মৃত্যু মুখত পৰিল, এতিয়া সেই ভৱনটো Master planeৰ এটা অংশ বিশেষ। গতিকে সেই ক্ষেত্ৰত এটা তদন্ত কৰিব নেকি? এই সম্পৰ্কে এটা তদন্ত কৰি এই গোটেই কথাখিনি কি হৈছে চাব নেকি?

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আজিয়ে আমাৰ ফৰেষ্টৰ প্ৰধান সচিবক কৈ দিম। আমাৰ মাননীয় সদস্য গৰাকীয়ে কোৱা মতে যদি সেইটো এটা বিশেষ বিজ্ঞানাগাৰ ধৰণৰ আছিল আৰু তাত জীৱ-জন্তুৰ যদি মৃত্যু হৈছে, কি হৈছে কি হোৱা নাই মই প্ৰধান সচিবক আজিয়ে কৈ দিম। সেই মতে তেওঁ Enquiry কৰি ৰিপোৰ্ট দিব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰীআব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, Ladies Club টো চিৰিয়াখানাত।

**মাননীয় অধ্যক্ষ ঃ** নাই, ঠিক আছে। এতিয়া মই actually I have received the privilege notice from the Hon'ble Member Shri Sherman Ali Ahmed মই তেখেতক এই কাৰণে এইটো উত্থাপন কৰিব দিছোঁ যে বহুত দিন ধৰি আমি দেখিছো প্ৰত্যেকদিনাই Question Hour শেষ হোৱাৰ লগে লগে Point of Orderদি বিভিন্ন জন সদস্যই Incurious question বিলাক Raise কৰি আছে। সেই কাৰণে মই আজি আপোনাক এইটো উত্থাপন কৰিব দিছো, আপুনি বৰ বেছি দেৰি নকৰিব আৰু মই ইয়াত এটা Command দিম, তাৰ পিছত কি হ'ব দেখা যাব। মই এইটো কিয় দিছোঁ সকলোৰে জনা উচিত যে আমি প্ৰশ্নবিলাকৰ উত্তৰ বিলাক শুদ্ধভাৱে অহাটো ভাল, সেই কাৰণে দিছোঁ।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, জাননীখন উত্থাপন কৰিবলৈ আপুনি মোক সুযোগ দিয়াৰ কাৰণে প্ৰথমে আপোনাক ধন্যবাদ জনাইছোঁ। জাননী খনৰ বিষয় বস্তু হ'ল Notice in writing to make a complaint of Breach of Privilege of House; namely, "Assam Legislativs Assembly" under Rule 159 and other relevant Rules of the "Rules Procedure and Conduct of Business in Assam Legislative Assembly" against Shri Pallab Lochan Das, Hon'ble Minister of State, Power etc. প্ৰসঙ্গ হ'ল Starred Assembly Question No.314 dated 26-03-2018 and Starred Assembly Question No.77 dated 12-02-2018. Sir, I, Sherman Ali Ahmed being a duly elected member of the House also enjoy the powers, privileges and Immunities of State Legislatures and their members guaranteed by Article- 194(1), 194(2), 194(3) and 194(4) of the Constitution of India.

That sir, I raised a question through Starred Q. no. 314 dated 26-03-2018 regarding electrification of the villages under Mandia Block. The Hon'ble Minister replied with reference to starred Q.no. 314(d) dated 26-03-2018-"Presently 9 nos. of villeges are sanctioned under New and Renewable Energy scheme-

I. 7 nos of villages through Micro Grid Project. The name of those villages- Jahanar Ghola, Saora Pather, Barhowra, Chatola NC, Deuldi, Pathaliapara, Phulora NC. All the villages are at present partially electrified and 100% electrification works in progress.

II. 2 nos. of villages through Standalone Solar (SPV) system already completed; Dolarpam, Dolarpather."

Here, I would like to state that neither the mentioned 7 nos. of villages have been partially electrified nor electrification of the 2 villages, namely, Dolarpam & Dolarpather have been completed.

Thus the Hon'ble Minister has misled the House by providing incorrect information and hence, It is contempt of the August House.

Further, the Hon;ble Minister has enclosed an annexure -1 in reply to the said question wherein the villages 1 no Baghmara NC, 2 No Baghmara NC, 3 No Baghmara NC, 4 No Baghmara NC, Bhatnapaty Char NC, Kalairdia NC, 3 No Alopati NC & Majorchar NC have been partially electrified. In this connection, I would to state the electrification of these villages will be possible only after construction of tower line over river Jaljali and construction of tower line over river Jaljali has been started as yet. In fact, floating of tender for construction of tower line has been done as yet as will be reflected in the reply to the following question:

Starred Q. No. 77 dated 12-02-2018 :

Reply : " Sub soil testing in under process and the results are expected within the first fortnight of Feb' 2018. Works for construction willbe taken up before the onset of monsoon.

Thus, the hon'ble Minister has again misled the August House by providing incorrect information .it is contempt of the August House and hence is a fit question of breach of privilege house against the Hon'ble Minister Sri Pallab Lochan das. Further, the above question of breach of privillage relates to a specific matter of recent occurrence and no other question of breach of privilege has been raised by me in this sitting of the House.Further, since it is

contempt of the August House,the matter requires the intervention of the house.

Under the circumstances started above, I do hereby give this notice under Rule 159 and other relevant Rules of the "Rules of procedure and conduct of Business in Assam Legislative Assembly" and request you to allow me to move a motion of breach of privilege against the Hon'ble Minister. I would further like to request you kindly to take into consideration the above question of breach of privilege forthwith and take necessary action accordingly.

মাননীয় অধ্যক্ষ মহোদয়, মই অতি চমুৰাই কিছু কথা ক'ব বিচাৰিছো। Electrify বুলিলে আমি বুজো যে বিদ্যুৎ সংযোগ কৰা হৈছে। অৰ্থ্যাৎ মানুহখিনিৰ ঘৰত light জ্বলিছে। Partially electrify বুলি কলে আমি বুজো যে, এখন গাওঁ বা hamlet ৰ কিছু সংখ্যক মানুহে বিদ্যুৎ সংযোগ পাইছে বা বিজুলীৰ দ্বাৰা উপকৃত হৈছে বুলি। মাননীয় অধ্যক্ষ মহোদয়, ইয়াত ৭ খন village ত partially electrified হোৰা নাই বুলি কৈছে। এই ৭ খন village ত আজিৰ পৰা এসপ্তাহ আগতে মই গৈ আহিছো। তাত দুই এখন village ত Electricity ৰ খুঁটিবোৰ মাটিত পৰি আছে। এতিয়ালৈ পোতা হোৰা নাই। তেনেক্ষেত্ৰত how it is partially electrified? কোনো এটা পৰিয়ালত এতিয়ালৈকে বিদ্যুৎ চাকি জ্বলা নাই। দলাপাম আৰু দলাপথাৰ গাওঁ দুখন completely electrified বুলি কোৰা হৈছে। কিন্তু এই দুখন গাওঁৰ এখনত এতিয়ালৈ electric post য়ে যোৰা নাই। completely electrified কেনেকৈ হ'ল? মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা প্ৰশ্ন নং ৭৭, ১২-০২-২০১৮ৰ। এই প্ৰশ্নটোৰে annexure ত কোৰা হ'ল যে, ৯ খন গাওঁ ১ নং বাঘমৰা NC, ২ নং বাঘমৰা NC, ৩ নং বাঘমৰা NC, ৪ নং বাঘমৰা NC, বাটনাবাইটি চৰ NC, বিশ্বনেৰ চৰ NC, কালাই TE NC, ৩ নং আলাপতি NC মাজাৰ চৰ NC এই গাওঁখিনি Partially electricfied দেখুৱা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, এই ন খন গাওঁত বিদ্যুৎ সংযোগ দিবলৈ হলে প্ৰথমে জলজলী নদীৰ ওপৰত Tower line বনাব লাগিব। Tower line আজিলৈকে construction হোৰা নাই। কেনেকৈ এই ন খন গাওঁত Partially electricfied হ'ল? এটা পৰিয়ালেও আজিলৈকে বিদ্যুৎ সংযোগ পোৰা নাই। মাননীয় অধ্যক্ষ মহোদয়, এই Partially electricfied কথাটো শুনিলে আমাৰ ধাৰণা হয় যে গাওঁখনৰ কিছু মানুহে বিজুলী সংযোগ পাইছে আৰু কিছু মানুহে এতিয়ালৈ পোৰা নাই। মাননীয় অধ্যক্ষ মহোদয়, মই এই সংক্ৰান্তত সদনক কেনেকৈ আগতেও বিপথে পৰিচালিত কৰা হ'য়, দুটা reference দিছো। এই ৯ খন গাওঁ বিদ্যুৎ সংযোগৰ কাৰণে ৩ ফেব্ৰুৱাৰী , ২০০৯ , আজিৰ পৰা ৯ বছৰ পাৰ হৈ গ'ল, তেতিয়া work ৰ letter of award issue হৈছে। মাননীয় অধ্যক্ষ মহোদয়, Short Notice Question No. 78, ১৩-০৮-২০১৬ প্ৰায় ডেৰ বছৰ পাৰ হৈ গ'ল, তাত উত্তৰ দিয়া হৈছিল, এই ন খন গাওঁৰ বিজুলী বাতিৰ সংক্ৰান্তত -Tender will be plotted within a short period for construction of Tower.What is short period of time? এই লৈ আমাৰ এতিয়া confusion হৈছে আৰু “will be plotted”, I think this is anassurance.

This is a commitment in the House. মাননীয় অধ্যক্ষ মহোদয়, এটা প্ৰশ্ন এই ন খন electrification সংক্ৰান্তত। Starred Question No. 112, dated 11-09-2017, ইয়াত কোৱা হ'ল "electrification of these villages will be completed within March, 2018", কিন্তু এতিয়া মাৰ্চ পাৰ হৈ আজি ২ এপ্ৰিল। মাৰ্চ ২০১৮ ৰ ভিতৰত electrification complete হ'ব বুলি এই পবিত্ৰ সদনত Assurance দিলে। কিন্তু মই আজি ক'ব বিচাৰিছো যে, Tower line Construction ৰ কাৰণে আজিলৈকে Tender য়ে Plot হোৱা নাই। কেনেকে পাব ? মাননীয় অধ্যক্ষ মহোদয়, Assurance Committee ৰ duty টো চাবলৈ আপোনাক অনুৰোধ জনালো। মাননীয় অধ্যক্ষ মহোদয়, So, under this circumstances, I would like to request you kindly to move a motion of Breach of Privilege against the Hon'ble Minister.

**Speaker :** I have heard you patiently . If you go to the Rule Book, there is a special procedure relating to complain against Member.মই এই কাৰণে allow কৰিছো যে সকলো মাননীয় সদস্য আৰু মন্ত্ৰী সকলকো এই কথাটো আগতেও কৈছো যে যিহেতু Question বিলাক ৰাইজৰ স্বাৰ্থৰ লগত জৰিত, এই Question বোৰৰ proper answer আহিলে ভাল হয়।Govt. is a continuous process. কামবিলাক যে আমি একেদিনাই কৰিব পাৰিম সেইটো নহয়। কিন্তু চৰকাৰৰ সদিচ্ছাটো আমি বিচাৰো। সকলো সদস্যয়ে সেইটো বিচাৰে। মই প্ৰতিদিলে ৪-৫ টা প্ৰশ্নৰ তদাৰক কৰি আছো আৰু অহাবাৰৰ পৰা তেনেকুৰা হ'ব বুলি মই আশা কৰা নাই। মই মন্ত্ৰী সকলৰ লগতো কথা পাতিছো। আপোনালোকে যদি Kaul & shakdher চায় দেখিব কেতিয়া Breach of Privilege হ'ব, যেতিয়া Member বা Minister জনে inaccurate statement বা False Statement কৰে বা incorrect statement কৰে will fully কৰিব লাগিব, deliberately কৰিব লাগিব। Knowingly কৰিব লাগিব। Then it is Breach of Priviledge. এইটো exmine কৰিব দিলে আমি মাত্ৰ এঘন্টাৰ আগতে পালো। গতিকে Concern member জনক এখন Notice হয় আপুনি পঠিয়াব লাগিব নহয় আমি পঠিয়াব লাগিব। গতিকে মই এই কথাটো খুব seriously লৈছো। যিহেতু এইটো পৰীক্ষা কৰিবলৈ হলে তালৈ পঠিয়াব লাগিব, তাতকৈও পাৰিলে সেইটো আমি সোনকালে কৰিব পাৰো নেকি ? মোৰ সেইখিনি authority আছে। contd....in my domain also I can do certain things. আপুনি Privilege Motion অনাৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো কাৰণ ইয়াৰ দ্বাৰা এটা message যাব। কিন্তু, at the same time, আমাৰ সকলো খিনি কথা যিহেতু পৰীক্ষা কৰাৰ প্ৰয়োজন আছিল সেয়েহে আপুনি যিটো Privilege Motion move কৰিব বিচাৰিছে সেইটো মই আপোনাক এই মূহুৰ্তত move কৰিবলৈ দিব বিচৰা নাই। যিহেতু আপোনাৰ message টো loud and clear, গতিকে I have taken it to my domain and I will definitely give justice so that in future such motion need not be come into our discretion আৰু সেইবাবে আপোনাক মই অনুৰোধ কৰিলো।

**শ্ৰী শ্বেৰমান আলী আহমেদ, মাননীয় সদস্য, (বাঘবৰ)ঃ** ধন্যবাদ অধ্যক্ষ মহোদয়। আমাৰ কোনো মন্ত্ৰীৰ লগত শত্ৰুতা নাই আৰু কোনো মন্ত্ৰীৰ বিৰুদ্ধে বিশেষ অধিকাৰ ভংগৰ অভিযোগ আনি তেওঁক awkward situation ত পেলোৱাৰো কোনো ইচ্ছা নাই। কিন্তু অধ্যক্ষ মহোদয়,

repeatedly, দুই-তিনিবছৰ ধৰি ভুল উত্তৰ দি আমাক যি ধৰণে mislead কৰি আহিছে, ভৱিষ্যতে যাতে সেইটোৰ পুনৰাবৃত্তি নহয় কাৰণ আমি আমাৰ ৰাইজৰ স্বাৰ্থতহে কথাবোৰ কওঁ। মই আৰু এটা কথা অনুৰোধ কৰিব বিচাৰিছো যে, যি দুটা issue লৈ এই বিশেষ অধিকাৰ ভংগৰ অভিযোগ মই আনিলো, সেই issue কেইটাৰ ক্ষেত্ৰত যাতে আপুনি বিশেষ পদক্ষেপ লয় আৰু তেওঁলোকৰ যিটো commitment আছে সেইমতে যাতে এই problem বোৰ within short period of time সমাধান হয়।

**মাননীয় অধ্যক্ষঃ** Thank you.

Minister সকলৰ statement বোৰ কেতিয়াবা inaccurate হ'ব পাৰে কিন্তু পিছত তেওঁলোকে সেইটো correct কৰি দিয়ে কিয়নো তেনে কৰিলেহে সদনলৈ message টো ভালকৈ যাব। গতিকে শ্বেৰমান আলী আহমেদ ডাঙৰীয়া, আপোনাক ধন্যবাদ জ্ঞাপন কৰি এই বিষয়টো মই ইমানতে সামৰিলো।

এতিয়া Next Question টোলৈ যাব বিচাৰিছো। Under Rule 54 ত সন্মানীয় সদস্য ক্ৰমে শ্ৰী ঋতুপৰ্ণ বৰুৱা আৰু শ্ৰী শুকুৰ আলী আহমেদ ডাঙৰীয়াৰ দুখন notice আহিছিল আৰু দুইখনৰে matter টো একেই বাবে মই club কৰি দিছো। শ্ৰী শুকুৰ আলী আহমেদ ডাঙৰীয়া যদি সদনত উপস্থিত নাই তেন্তে শ্ৰী ঋতুপৰ্ণ বৰুৱা আপুনি ক'ব পাৰে। যিমান পাৰে চমুকৈ ক'ব।

**শ্ৰী ঋতুপৰ্ণ বৰুৱা, মাননীয় সদস্য, (লাহোৱাল) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Rule 54 ৰ অধীনত আজিৰ অসমৰ জাতীয় জীৱনৰ লগত সংগতি থকা বিষয় এটা মোক সদনত উপস্থাপন কৰিবলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। অধ্যক্ষ মহোদয়, মহাবাহু ব্ৰহ্মপুত্ৰ অসমৰ জাতীয় জীৱনৰ আয়ুস ৰেখা। অসমৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ এই মিত্ৰজোঁটৰ চৰকাৰ হোৱাৰ পিছতেই ব্ৰহ্মপুত্ৰৰ ওপৰেৰে Express Highway ৰ বাবে যি খনন কাৰ্য্যৰ আঁচনি হাতত লৈছে, এই অভিলাসী তথা বহুমুখী আঁচনি গ্ৰহণ কৰা বিষয়ে আমি সকলোৱে জানো। অসমৰ ইতিহাসত হয়তো প্ৰথম বাৰৰ বাবে এনেধৰণৰ বৃহৎ আৰু ব্যয়বহুল আঁচনি গ্ৰহণ কৰা হৈছে। অসমৰ ৰাইজৰো গভীৰ প্ৰত্যাশা যে আমি যুগ-যুগ ধৰি সন্মুখীন হোৱা বানপানী আৰু গৰা-খহনীয়াৰ নিচিনা সমস্যাৰ স্থায়ী সমাধান হ'ব,। Express Highwayৰ যোগেদি অসমৰ পৰ্য্যটনৰ দুৱাৰখন অধিক খোল খাব আৰু এই ব্ৰহ্মপুত্ৰ নদীৰ যোগেৰে অসমত এক অৰ্থনৈতিক বুনিয়াদ গঢ়ি উঠিব। অধ্যক্ষ মহোদয়, এই গোটেই বিষয়টো যিহেতু এটা কাৰিকৰী বিষয় গতিকে এই ক্ষেত্ৰত আমাৰ কেইবাখনো বাতৰি কাকতত যেনে, অসমীয়া প্ৰতিদিন, আমাৰ অসম, দৈনিক জনমভূমি, খবৰ আদিত আমাৰ Dr. Dulal Ch. Goswami ৰ নেতৃত্বত যি Committee, য'ত IIT Guwahati, Gauhati University, আমাৰ জল সম্পদ বিভাগ তথা বিভিন্ন প্ৰতিষ্ঠিত প্ৰতিষ্ঠানৰ বিশেষজ্ঞ সকল আছে, তেওঁলোকে দিয়া প্ৰতিবেদনৰ ওপৰত এটা বাতৰি প্ৰকাশ পাইছিল। এই প্ৰতিবেদনত আমি ব্ৰহ্মপুত্ৰৰ খনন কাৰ্যটো যেনে ধৰণে ভাৱিছো, তেনেধৰণে সম্ভৱ নহয় বুলি উল্লেখ কৰিছিল। কিয়নো আমি সকলোৱে জানো যে অসমৰ নদী আৰু পৃথিৱীৰ অন্যান্য নদী সমূহৰ প্ৰকৃতি একে নহয় যাৰ বাবে আমাৰ বিশেষজ্ঞ সকলেও হয়তো এই বিষয়টোত শংকা প্ৰকাশ কৰিছে। তেখেত সকলে আমাৰ পানীৰ গুণাগুণ সলনি হোৱাৰ লগতে পানী ঘোলা আৰু প্ৰদূষিত হোৱাৰ কথা কৈছে যাৰ ফলত ব্ৰহ্মপুত্ৰ নদীত বাস কৰা হাজাৰ হাজাৰ জলজ প্ৰাণী সকলৰ প্ৰতি ভাবুকি আহিব পাৰে বুলিও শংকা প্ৰকাশ কৰিছে। ইয়াৰোপৰি,

নৈ কাষৰীয়া অঞ্চলৰ মানুহৰ জীৱনলৈও ভাবুকি আনিব পাৰে বুলি তেওঁলোক শংকিত হৈছে। গতিকে অধ্যক্ষ মহোদয়, এই সমগ্ৰ বিষয়টোৰ ক্ষেত্ৰত যাতে অসমৰ ৰাইজে অতি স্বচ্ছতাৰে জানিব পাৰে যে ব্ৰহ্মপুত্ৰ খননৰ ক্ষেত্ৰত কি ধৰণৰ উদ্যোগ লোৱা হ'ব আৰু ব্ৰহ্মপুত্ৰৰ Express Highway ৰ ক্ষেত্ৰত চৰকাৰে কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে এই ক্ষেত্ৰত আমি সঠিক ভাৱে জনাৰ প্ৰয়োজন আছে। ব্ৰহ্মপুত্ৰ নদীৰ খনন সম্পৰ্কত যেতিয়া আলোচনা হয়, তেতিয়া হোৱাংহো নদীত পৰিকল্পিত ভাৱে আঁচনি গ্ৰহণ কৰি তাক নিয়ন্ত্ৰিত কৰাৰ কথা প্ৰায়ে উত্থাপন হয়। গতিকে, ব্ৰহ্মপুত্ৰ নদীৰ যি প্ৰকৃতি সেইটো হোৱাংহো নদীৰ লগত মিল আছে নে নাই সেই বিষয়ে আমি চাব লাগিব। ১৯৯৮ চনত হোৱাংহো নদীত আটাইতকৈ বৃহৎ বানপানী হৈছিল। সেই বানপানীত প্ৰায় তিনি হাজাৰ খন গাঁও প্লাৱিত হৈছিল আৰু প্ৰায় ৭০,০০০ জন মান মানুহৰ মৃত্যু হৈছিল। সেই বানপানীৰ সময়ত দেখা গৈছিল যে তাৰ পানীৰ প্ৰবাহৰ যিটো পৰিমাণ আছিল সেইটো প্ৰতি ছেকেণ্ডত প্ৰায় ২২,৩০০ ঘন মিটাৰ আছিল। কিন্তু আমাৰ ব্ৰহ্মপুত্ৰ নদীৰ যি প্ৰকৃতি, তাত দেখা গৈছে যে ইয়াৰ বানপানীৰ সৰ্বোচ্চ প্ৰবাহ হৈছে প্ৰতি ছেকেণ্ডত ৭২,৭০০ ঘন মিটাৰ। আনহাতে, ব্ৰহ্মপুত্ৰ নদীখন আন কেইবাটাও উপ-নদীৰ সুঁতিৰ সমষ্টি কিন্তু হোৱাংহো নদীৰ ক্ষেত্ৰত এনে নহয়। গতিকে ইয়াৰ দ্বাৰা এটা কথাই প্ৰমাণ হয় যে হোৱাংহো নদী আৰু ব্ৰহ্মপুত্ৰ নদীৰ প্ৰকৃতি একে নহয়। হোৱাংহো নদীৰ লগত ব্ৰহ্মপুত্ৰ নদীক তুলনা কৰাটো কিমান বাস্তৱ সন্মত সেই কথাটো আমি চালি-জাৰি চোৱাৰ প্ৰয়োজন আছে। সেয়েহে, মই ভাৱো যে আমাৰ জল সম্পদ বিভাগে ব্ৰহ্মপুত্ৰ নদীৰ সম্পৰ্কত যাতে এটা সুকীয়া ব্যৱস্থা কৰি পূৰ্ণাংগ গৱেষণা কৰাৰ প্ৰয়োজন আছে। তাৰ লগতে আৰু এটা আনুসংগিক বিষয় মই আপোনাৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে নদী সংযোগীকৰণৰ বিষয়ে যি আলোচনা হৈ আছে এই ক্ষেত্ৰত আমাৰ অসমৰ ৰাইজক বিশ্বাসত লৈ বিষয়টোত সুস্পষ্ট হোৱা উচিত। বিধান সভাত আলোচনা হোৱা অনুসৰি অসমৰ ৰাইজৰ নদী সংযোগী কৰণৰ ক্ষেত্ৰত বহু খিনি আপত্তি থকা দেখা গৈছে আৰু এই সম্পৰ্কত ব্যক্তিগত ভাৱে আমাৰো কিছু আপত্তি আছে। গতিকে কেন্দ্ৰীয় চৰকাৰে কিবা সিদ্ধান্ত ল'লে বুলিয়েই যে আমি এনেধৰণৰ বিষয়ত আগবাঢ়ি যাব লাগিব তেনেকুৱা কোনো কথা হ'ব নোৱাৰে। সেয়েহে নদী সংযোগী কৰণৰ ক্ষেত্ৰত বিধান সভা তথা অসমৰ ৰাইজক বিশ্বাসত লৈ ভৱিষ্যতে এই কামত আগবাঢ়িব লাগে। এইখিনি বিষয়ে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** Thank you. Minister Please.

**শ্ৰী কেশৱ মহন্ত, মাননীয় মন্ত্ৰী, জল সম্পদ, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য শ্ৰী ঋতুপৰ্ণ বৰুৱা আৰু শ্ৰী শুকুৰ আলী আহমেদ ডাঙৰীয়াৰ ফালৰ পৰা একে বিষয়তে দুখন notice আহিছিল আৰু এতিয়া শ্ৰী ঋতুপৰ্ণ বৰুৱা ডাঙৰীয়াই এই বিষয়টো উত্থাপন কৰিছে। অধ্যক্ষ মহোদয়, এই বিষয়টো বহুত চৰ্চিত হৈ আছে আৰু এই বিষয়টোৰ ক্ষেত্ৰত প্ৰকৃততে কি হৈ আছে সেই বিষয়ে আমাৰ সদনে অৱগত হোৱাটো প্ৰয়োজন বুলি ভাৱিছো। অধ্যক্ষ মহোদয়, যদি সময়ৰ সুবিধা আছে, তেন্তে এই বিষয়টোত মই অলপ বিস্তৃত ভাৱে ক'বলৈ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, আপুনি ১০ মিনিটৰ ভিতৰত হোৱাকৈ চমু কৰি কওঁক। প্ৰয়োজন হ'লে পিছত detailed statement দিব, আমি সকলো সদস্যকে দি দিম।

**শ্ৰী কেশৱ মহন্ত, মাননীয় মন্ত্ৰী, জল সম্পদ, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ নদীখন আমাৰ ৰাজ্যত প্ৰায় ৬৪০ কিঃমিঃ দৈৰ্ঘ্যৰে বিস্তৃত হৈ আছে। এই ৬৪০ কিঃমিঃ দৈৰ্ঘ্যৰ

নদীখনৰ ক্ষেত্ৰত আজি যিটো সমস্যা আহিছে সেইটো ১৯৫০ চনত যেতিয়া ভূমিকম্প হৈছিল সেই ভূমিকম্পৰ পিছতে যেতিয়া নদীৰ জলপৃষ্ঠ বৃদ্ধি পাইছিল আৰু নদীৰ বুকুত গেদ জমা হৈ বাম হৈ গৈছিল। ১৯৬০ চন মানলৈ ব্ৰহ্মপুত্ৰত জল পৰিবহন টো আছিল। তাৰ পিছত জল পৰিবহনৰ বাবেও ই উপযুক্ত হৈ নাহিল। ইয়াৰ multiple channel হ'ল গতিকে এই ব্যৱস্থাৰ বাবে আজি ব্ৰহ্মপুত্ৰ নদী খনন কৰিব লাগে নেকি? খন্দাৰ প্ৰয়োজন আছে নেকি? এই প্ৰশ্নবিলাক আহিছে। আমাৰ চৰকাৰ যেতিয়া কাৰ্য্যকাল আৰম্ভ হৈছিল তেতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত প্ৰতিটো বিভাগকে এটা টাৰ্গেট দিছিল। ১০০ দিনৰ ভিতৰত আপোনালোকে কিছু কামৰ আৰম্ভণী কৰিব লাগে। ১০০ দিনৰ ভিতৰত যিটো টাৰগেট দিছিল আমি জলসম্পদ বিভাগেও সেই টাৰগেটৰ ভিতৰত এটা ব্যৱস্থা কৰিছিলো। এখন বিশেষজ্ঞ কমিটি দি workshop কৰিছিলো আৰু তাতে আমি কেইটামান কথা ঠিক কৰিছিলো যে ব্ৰহ্মপুত্ৰ নদীত এই গেদ আৰু ইয়াক নিয়ন্ত্ৰণ, এই ক্ষেত্ৰতো এখন বিশেষজ্ঞ কমিটি কৰি দিয়া। তাত ড. দুলাল গোস্বামী ডাঙৰীয়াক সভাপতি কৰা হৈছিল। তাত আই আই টি ৰ প্ৰফেচাৰ, ব্ৰহ্মপুত্ৰ বোৰ্ডৰ মানুহ, জলসম্পদ বিভাগৰ মানুহ আছিল। এই আটাইখিনিকে লৈ আমি এখন Expert Committee কৰিছিলো। Expert Committee অধ্যয়ণ কৰি এটা ৰিপোৰ্ট যোৱা ৩১-০৮-২০১৭ তাৰিখে দিয়ে। এই ৰিপোৰ্ট ৰ ওপৰতে ব্ৰহ্মপুত্ৰৰ খননৰ বিষয়ে কি হ'ব কি নহ'ব এই বিষয়টো আহিছে। এই ৰিপোৰ্টটো আমাৰ হাতত আছে। এই বিষয়ে মই কম কিন্তু তাৰ আগতে এটা কথা ক'ব লাগিব, যিহেতু ব্ৰহ্মপুত্ৰৰ ক্ষেত্ৰত আজি কথাখিনি ওলাইছে, এই কথাখিনিৰ ক্ষেত্ৰত যোৱা ২৪-১০-২০১৬ তাৰিখে মাননীয় কেন্দ্ৰীয় পথ পৰিবহন মন্ত্ৰী নীতিন গাডকাৰী দেৱৰ লগত মাননীয় মুখ্যমন্ত্ৰীৰ লগতে অন্যান্য মন্ত্ৰী সকলে যেতিয়া এই কথাটো তাত পাতিছিলো সেইদিনা আমাৰ আলোচনাটো হৈছিল যে ব্ৰহ্মপুত্ৰ নদীক National Water Way II এই বুলি ঘোষণা কৰি তাত জাহাজ চলিবৰ বাবে সুচল হোৱাৰ বিষয়ে আলোচনা হৈছিল। মই সভাখনত উপস্থিত আছিলো যিহেতু নদী খান্দিব আৰু নদী খান্দোতে যাতে একো অসুবিধা নহয়। অন্য যাতে একো affect নকৰে। আমি তেতিয়া এটা proposal দিছিলো যে ব্ৰহ্মপুত্ৰ যেতিয়া খান্দিব তাত যিখিনি সম্পদ ওলাব তাৰে এই দুই পাৰে দুটা Express Highway কৰিব লাগে। সেই কথাটো তেখেতে গ্ৰহণ কৰিছিল আৰু ক'লে যে ঠিক আছে এই প্ৰস্তাৱটিৰে কাম কৰা হওঁক আৰু ২০১৭ চনৰ ২৪ জানুৱাৰী তাৰিখে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ডিব্ৰুগড়ত এটা bench mark কৰি তাৰ পৰা ১৬ টা cross section ত survey কৰিবৰ বাবে আমি উদ্বোধন কৰিলো আৰু সেই survey report টোত আমাৰ কিছু সময় লাগিল যদিও survey report টো আহিল। এই survey report টো অহাৰ পিছত আমি ঠিক কৰিলো যে এই survey report টো নীতিন গাডকাৰী ডাঙৰীয়াক দিয়া হওঁক। যোৱা ২৯-১২-২০১৭ তাৰিখে নীতিন গাডকাৰী ডাঙৰীয়া অসমলৈ আহিছিল চাৰিদিনীয়া ভ্ৰমণ লৈ আৰু তেতিয়া জলসম্পদৰ যথেষ্টখিনি আলোচনা হৈছিল। অকল অসমেই নহয় গোটেই North East লৈ পেলাই এই আলোচনা হৈছিল। তাত তেওঁ চাৰিদিন আছিল আৰু তাত আমি ৰাজহুৱা ভাৱে এই ৰিপোৰ্ট টো তেখেতক দিলো। তেখেতে সেই সভাতেই জল সম্পদ বিভাগৰ PSU ত ইয়াৰ পৰৱৰ্ত্তী DPR ৰ কাৰণে চমজাই দিলে আৰু DPR বনাবলৈ তেওঁলোকে দায়িত্ব ললে। গতিকে সেই পৰ্য্যায়লৈ এই গোটেই কথাখিনি আগবাঢ়িছে। য'ত ব্ৰহ্মপুত্ৰ খনন আৰু Express Highway য'ত জলসম্পদ বিভাগ জড়িত। দ্বিতীয় প্ৰশ্নটো হৈছে যে আজি খননৰ কথাটো অকল জলসম্পদ বিভাগৰ ক্ষেত্ৰতেই অহা নাই এইটো আমাৰ National Water Way II

এইটো কাৰণে যিটো কথা আহিছে সেইটো হৈছে Inland Water Authority of India, National Water Way of India. তেওঁলোকৰ লগত অসম চৰকাৰৰ পৰিবহন বিভাগৰ এখন ত্ৰিপাক্ষিক চুক্তি হৈছিল আৰু এই চুক্তিখন হৈছিল ৪ এপ্ৰিল ২০১৭ তাৰিখত। তাত মাননীয় Surface Transport Minister Gadkari ডাঙৰীয়া আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ উপস্থিতিত এই চুক্তিখন হৈছিল আৰু এই চুক্তিমতে তেওঁলোকে ব্ৰহ্মপুত্ৰৰ ওপৰত dredging কৰিব Water Way II ৰ কাৰণে । সেই চুক্তিখন তেওঁলোকৰ মাজত হৈছে। এতিয়া ব্ৰহ্মপুত্ৰ খননৰ কথা হ'লে অধ্যক্ষ মহোদয়, কথা একাকাৰ হৈ যায় কিন্তু কথা একাকাৰ নহয়। কথা দুটা । এটা হৈছে জাহাজ চলিবৰ বাবে Water Way II টো ঠিক কৰিছে তাত উদ্দেশ্যটো হৈছে জাহাজ চলা ৰাস্তাটো খনন কৰিব লাগে আৰু দ্বিতীয়টো হৈছে আমাৰ Expert Committee ৰিপোৰ্টমতে Expert Committee য়ে বিভিন্ন তথ্য আলোচনা কৰি শেষত যিটো কথা ক'লে সেইটো হৈছে- However the above observation do not resist taking of silt removal exercise in project for clearing bottle necks in location along with the other river training works to increase flow carring capacity of the channel or to divert channel on the bank. এতিয়া আমাক ৰিপোৰ্টত ক'লে যে ব্ৰহ্মপুত্ৰখন আপোনালোকে corrective dredging কৰক। ইয়াত multichannel আছে। গতিকে গড়খহনীয়া ৰোধ কৰাৰ বাবে আৰু মূল channel টোৰেদি পানীখিনি যাবৰ বাবে আপোনালোকে এনেধৰণৰ dredging কৰক। অন্যান্য দিশ সামৰি শেষ মন্তব্যটো হৈছে যে total dredging টোলৈ যাবলৈ অধিক অধ্যয়ণ কৰিব লাগিব। সদ্যহতে এইটো dredging আৰম্ভ কৰক। গতিকে আমি সেই dredging টো আৰম্ভ কৰিবৰ কাৰণে আমি যেতিয়া মাননীয় মুখ্যমন্ত্ৰীক প্ৰতিবেদন দি পেলাই এই গোটেই খিনি কথা জনালো, তেখেতে আমাক এখন dredger কিনিবৰ কাৰণে ইতিমধ্যে চেংচন দিছে। আৰু ইতিমধ্যে আমি dredger খনৰ টেণ্ডাৰ কৰিলো। প্ৰথম বাৰ টেণ্ডাৰ নপৰিল গতিকে দ্বিতীয়বাৰ টেণ্ডাৰ float কৰা হৈছে। গতিকে সেইখন dredger কিনাৰ পিছত আমি তেতিয়া যি যি ঠাইত ব্ৰহ্মপুত্ৰৰ কোনো ঠাইত চৰ কাটি পেলাই মূল channel টো শক্তিশালী কৰিব লাগে আৰু কৰবাত গড়াখহনীয়া ৰোধ কৰিব লাগে তেনেধৰণৰ corrective dredging ৰ কথাটো আমাৰ তৰফৰ পৰা এতিয়া হ'ব। এইখিনিলৈকে আমি আগবাঢ়িছো আৰু এইখিনি Expert Committee ৰ ৰিপোৰ্টৰ সাপেক্ষে আৰু এই ক্ষেত্ৰত খৰতকীয়া ভাৱে মাননীয় মুখ্যমন্ত্ৰীয়ে আমাক দায়িত্ব দিছে dredger কিনি কাম আৰম্ভ কৰিবৰ কাৰণে আৰু dredger যদি আমি এতিয়া কিনিব পাৰো তেতিয়াহ'লে এইখিনি কাম আমি কৰিম। এই কথাটি আমি tributary ৰ ক্ষেত্ৰটো কৰিম। গতিকে খননৰ ক্ষেত্ৰত এই পৰ্য্যায়িলৈকে আমি আগবাঢ়ি আছো আৰু মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিটো নিয়ন্ত্ৰণৰ ব্যৱস্থা , গেড নিষ্কাষণ কাৰ্য্যৰ দ্বাৰা নদীৰ বাধাপ্ৰাপ্ত সুঁতিৰ সূচল কৰি নদীৰ পৰিবহন ক্ষমতা বৃদ্ধিৰ লগতে নদীৰ পাৰৰ বিশেষ সোঁত প্ৰৱাহিত হোৱা প্ৰৱণতা ৰোধ কৰি এই প্ৰৱাহিত খিনি মূল channel লৈ লৈ অহা এইটোৰেই এতিয়া মূল উদ্দেশ্য। গতিকে এই খননৰ বাবে জলসম্পদ বিভাগৰ পৰা আমি প্ৰস্তুতি কৰিছো আৰু আজিৰ সদনৰ জৰিয়তে মই এইখিনি আপোনালোকক অৱগত কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** আমি in future দীঘলীয়াকৈ পাৰিম। এতিয়াতো সময় নহ'ব। আজি এইখিনি কথা মুকলি হ'ল যে, আমাৰ মেইন চেনেলটো উলিয়াবৰ কাৰণে এতিয়া চেষ্টা আৰম্ভ হ'ব। এতিয়া

301 ৰ এটা Notice আজি allow কৰিছিলো। শ্ৰী নাৰায়ণ ডেকা আপোনাৰ Notice টো দিব। যিমান পাৰে concise কৰিব।

**শ্ৰী নাৰায়ণ ডেকা, বৰক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই 301 ৰ জৰিয়তে অন্ন সুৰক্ষাৰ ওপৰত মই দুটামান কথা কব বিচাৰিছিলো। তাৰ কাৰণে অনুমতি দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, Food Security Act খন ২০১৩ চনত পাচ হৈছিল ভাৰত চৰকাৰৰ দ্বাৰা আৰু অসমত ২০১৫চনত এই Food Security Act খন প্ৰযোজ্য হ'ল তাৰ পৰা আমাৰAct খন ImplementAct হ'ল আৰু এই Food Security Act ৰ জৰিয়তে আমাৰ স্কুল বিলাকত মিড-ডে মিল দিয়া, অঙ্গনবাড়ী চেণ্টাৰৰ জৰিয়তে কণ কণ ছাত্ৰ-ছাত্ৰীক পুষ্টিকৰ খাদ্য দিয়া, গৰ্ভৱতী মহিলা, কোলাত কেচুৰা থকা মহিলা সকলক পুষ্টিকৰ খাদ্য দিয়াৰ উপৰিও দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা লোক সকলক অন্ন সুৰক্ষা দিয়াৰ প্ৰভিজনFood Security Act ত আছে। অধ্যক্ষ মহোদয়, আমাৰ সৰ্বভাৰতীয় পৰ্য্যায়ত গ্ৰাম্যঞ্চলত ৭৫ শতাংশ মানুহক আৰু চহৰ অঞ্চলত ৫০ শতাংশ মানুহক এই Food Security Act ৰ জৰিয়তে তিনি টকা দামত চাউল, দুটকা দামত ঘেঁহু আৰু এটকা দামত বাজৰা দিয়াৰ প্ৰভিজন Food Security Act ত আছে আৰু তৎসত্বেও আমাৰ ৰাজ্যভিত্তিক কিছু তাৰতম্য কৰাৰ প্ৰভিজন আছে আৰু বোধহয় ২০১১চনত AC DC Data ৰ ওপৰত ভিত্তি কৰি আমাৰ অসমত গ্ৰাম্যঞ্চলত ৮৪.১৭ শতাংশ আৰু চহৰ অঞ্চলত ৬০.৩৫ শতাংশ লোকক তিনিটকীয়া দৰত চাউল দুটকীয়া দৰত ঘেঁহু আৰু এটকা দৰত বজৰা দিয়াৰ প্ৰভিজন আমাৰ Act খনত আছে আৰু অধ্যক্ষ মহোদয়, এই আইনৰ অধীনত প্ৰতিটো পৰয়ালৰ প্ৰতি গৰাকী সদস্যৰ সৈতে প্ৰতি মাহে পাচ কিলোকৈ এই খাদ্য সামগ্ৰী দিয়াৰ ব্যৱস্থা আছে। আমি দেখিছো ২০১৪ চনত লোকসভা নিৰ্বাচনৰ আগে আগে ৰাজনীতি চমকৰ কাৰণেই হওঁক বা যি কাৰণতেই নহওক খুব খৰখেদাকৈ এই আইনখনৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ল। ব্লক লেভেল পৰ্য্যায়ত বি. ডি. অ'ক চেয়াৰমেন কৰি একোখনকৈ চিলেশ্যন কমিটি কৰি আমাৰ এই দৰিদ্ৰ সীমাৰেখাৰ তলত লোকসকলক হিতাধিকাৰী নিৰ্বাচনৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ল। অধ্যক্ষ মহোদয়, যেতিয়া এই প্ৰক্ৰিয়া আৰম্ভ হ'ল, আমাৰ গ্ৰাম্যাঞ্চলত যিহেতুকে ৮৪.১৭ শতাংশ মানুহক ইয়াৰ আওতালৈ আনিব পাৰি তেতিয়া আমাৰ এই চিলেকশ্যন প্ৰক্ৰিয়াৰ জৰিয়তে যিবোৰ হিতাধিকাৰীৰ তালিকা আমাৰ জিলা পৰ্য্যায়লৈকে প্ৰেৰণ কৰা হ'ল আৰু জিলা পৰ্য্যায়ত যেতিয়া তালিকা খনৰ চুড়ান্ত ৰূপ দিয়া হ'ল, তেতিয়া দেখা গ'ল যে, দৰিদ্ৰ ইয়াৰ পৰা বাদ পৰি গ'ল আৰু জিলা পৰ্য্যায়ত এই ৮৪.১৭ শতাংশ যেতিয়া target achieve কৰিলে আৰু তাত বহুত দৰিদ্ৰ পৰিয়াল বাদ পৰি থাকিল আৰু পৰৱৰ্তী সময়ত আমি দেখিলো যে, Act খনৰ জৰিয়তে আৰু PDS সামগ্ৰী যোগান ধৰা হৈছে আৰু আমাৰ এতিয়াও এই দৰিদ্ৰ পৰিয়াল এই আইনৰ পৰা বাদ পৰিছে। এই ব্যৱস্থাৰ পৰা বাদ পৰিছে আৰু আন এটা অসুবিধা এনেকুৱা হৈছে অধ্যক্ষ মহোদয়,দেখিছো যেতিয়া আমাৰ এই হিতাধিকাৰীৰ তালিকাবোৰ আমাৰ ব্লক লেভেলৰ পৰা গুচি গ'ল, তেতিয়া তাত তেওঁলোকে এই Ratio maintain কৰি তালিকাখন প্ৰস্তুত কৰা নাছিলে। তেওঁলোকে এই তালিকা প্ৰস্তুত কৰি জিলা অফিচত জমা কৰিলে। জিলা অফিচে দেখিলে যে, ৮৪ শতাংশ তাতকৈ বাঢ়ি গৈছে। বাঢ়ি যাওতে তেওঁলোকে এই পাৰচেণ্টটেজটো মেইনটেইন কৰাৰ কৰাৰ কাৰণে এটা পৰিয়ালত যদি দহজন সদস্য আছে, তাৰ পৰা পাচজন কাটি দিয়া হ'ল । এটা পৰিয়ালত যদি সাতজন সদস্য আছে, তাৰে চাৰিজন কাটি দিয়া হ'ল। গতিকে দেখিলে তেওঁলোকে নিজৰ টাৰগেটতো ৰাখিবৰ কাৰণে পৰিয়ালৰ সংখ্যা নিজৰ ইচ্ছামতে তেওঁলোকে জিলা পৰ্য্যায়ত

এইটো কৰ্তন কৰি এখন তালিকা প্ৰস্তুত কৰা হ'ল। এতিয়া অধ্যক্ষ মহোদয়, আমি যেতিয়া সমষ্টিত যাওঁ, গাওঁৰ মানুহৰ ওচৰত যাও যে, এই অসহায় মানুহখিনি আমাৰ ওচৰত আহে। আহি কয় যে, আমি আগতে এই দহজন পৰিয়ালৰ এই দহজনেই পাই আছিলো। এতিয়া কিন্তু আমি চাৰিজনেহে চাউল পাইছো। আমি ছয়জনে পোৱা নাই বা পাচজনে পাইছো, আমাৰ দুজনে পোৱা নাই, এইটো কি হ'ব আৰু আমি এই কথাটোত যেতিয়া ডি চি ওচৰত যাওতে, ডি চি য়ে এই অসহায় অৱস্থাৰ এটা উদাহৰণ দি কয় যে, আমাৰ এইটো এতিয়া কৰিব পৰা ব্যৱস্থা আমাৰ হাতত নাই। অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে বিশেষ তৎপৰতাৰে প্ৰত্যেক জিলাত আমাৰ বিধায়কক লৈ, সমবায় সমিতিৰ সভাপতি সম্পাদকক লৈ, PDS Distribution ৰ যিবিলাক এজেন্ট আছে, সেই এজেন্ট সন্থাৰ সভাপতি সম্পাদকক লৈ জিলাই জিলাই মিটিং কৰিছিল। কিন্তু তৎসত্বেও অধ্যক্ষ মহোদয়, এতিয়ালৈকে ফলপ্ৰসু ৰিজাল্ট আমাৰ হাতত অহা নাই। তাৰ কাৰণে আজি আমাৰ বহুত দৰিদ্ৰ পৰিয়াল এই অন্ন সুৰক্ষা আইনৰ আওতাৰ পৰা বাহিৰত আছে। অধ্যক্ষ মহোদয়, এতিয়া এই যিটো ব্যৱস্থা, এই ব্যৱস্থাৰ জৰিয়তে যদি আমি এই ব্যক্তি সকলক সুবিধা দিব নোৱাৰো আইনখন উলংঘা কৰা হ'ব আৰু ইয়াৰ বিপৰীতে আমি দেখিছো যে, এই আইনৰ জৰিয়তে, এই ব্যৱস্থাৰ জৰিয়তে যিসকল অযোগ্য লোক তাত সোমাই আছে। তাত কিছু Service holder, কিছু Pention holder আৰু যিসকল লোক তাৰ সামৰ্থ যাৰ Income পাচ লাখ বা দহ লাখৰ সমান, তেওঁলোকৰ কিন্তু এক লাখ টকাৰ Income Certificate এখন দি তেওঁলোকে কাৰ্ডবোৰ লৈ আছে আৰু এইবোৰ যদি আমি ডিচকাৰ্ড কৰিব নোৱাৰো, এইবোৰক তাৰ পৰা যদি বাহিৰ কৰিব নোৱাৰো, তেতিয়ালৈকে আমি নতুন হিতাধিকাৰী তাত সুমোৱাব নোৱাৰো। এইটোৰ কাৰণে এটা বিশেষ ভিজিলেঞ্চ কমিটি কৰি তাৰ এটা বিহীত ব্যৱস্থা লোৱাৰ কাৰণে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো কাৰণ মন্ত্ৰী মহোদয়ে চেষ্টা কৰিছে। কাৰণ মই নিজেও দেখিছো মোৰ সমষ্টিৰ এটা বহুমুখী সমবায় সমিতিত অকল এজন ব্যক্তি দুই-তিনি ঠাইত থকা তেনেকুৱা আমি ব্যক্তি প্ৰায় চাৰিশ ব্যক্তি চিনাক্ত কৰি তাৰ পৰা বাদ দিয়া হ'ল। ঠিক তেনেকুৱা বহুত অযোগ্য ব্যক্তি এতিয়াও সোমাই আছে। সেইখিনি ব্যক্তিক এতিয়া যদি আমি এই লিষ্টৰ পৰা বাহিৰ কৰিব নোৱাৰো, যিসকল ব্যক্তিৰ যোগ্যতা আছে, তেওঁলোকক আমি তাত দিয়াৰ প্ৰভিজন নাই যিহেতুকে আমি target ইতিমধ্যে achieve কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি মুল কথাটো কৈছে। গতিকে কি কৰিব লাগে সেইটো কৈ দিয়ক। মই বুজি পালো । কাৰণ সময়ৰ কথা আছে আৰু ব্যাখ্যা নকৰিব।

**শ্ৰী নাৰায়ণ ডেকা, বৰক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা গুৰুত্বপূৰ্ণ কথা আছে, কাৰণ এই চাউলটো যে তিনি টকাত দিয়া হয়, এইটো বজাৰ মুল্যৰ লগত মিলাই চাওঁ এইটো চাউল trans- portation cost লৈ প্ৰায় পয়ত্ৰিছ টকা বজাৰত এই চাউলটোৰ মুল্য। এই চাউলটো তিনি টকাত দিয়া হয়, অন্ততঃ ইমান শতাংশ বৃহৎ সংখ্যক চাবচিডি দি দৰিদ্ৰৰ কাৰণে চাউলটো দিয়া হয়। এই যে অযোগ্য ব্যক্তি সকলে এই কাৰ্ডবোৰ লৈ আছে, এই তাৰ লগত এটা বৃহৎ কলা বজাৰ ইয়াতে জৰিত আছে। কাৰণ মই নিজে প্ৰমাণ পাইছো, মোৰ সমষ্টিৰ যোৱা বছৰ এনেকুৱা এটা ঘটনা হৈছিল আৰু এই ঘটনাৰ পম খেদি অনুসন্ধান কৰা হ'ল এই চাউলবোৰ এটা বৃহৎ চক্ৰৰ জৰিয়তে ধুবুৰী হৈ বাংলা দেশলৈকে এইটো চাপ্লাই হৈ আছে. এইটো এটা চিন্তাৰ কথা। আমাৰ চৰকাৰে দৰিদ্ৰৰ কাৰণে ৰাজসাহাৰ্য দিয়া বস্তু যদি বিদেশী ৰাষ্ট্ৰলৈ গুচি যায়, এইটো এটা গুৰুত্বপূৰ্ণ অভিযোগ। অধ্যক্ষ মহোদয়, চিন্তা কৰাৰ বিষয় হয়। যিহেতুকে এই কথাটো এটা আইনলৈ ৰূপান্তৰ

হৈছে। ইয়াত মই তিনিটা আইনৰ প্ৰভিজনৰ কথা কব বিচাৰিছো। এটা প্ৰভিজন The Transperancy and Accountability. The provision have been made for discloser of records relating to PDS Social Audits and setting up Vigilance Committee in order to ensure transperancy and accountability.অধ্যক্ষ মহোদয়,যিহেতুকে আইনত এই Vigilance Committee ৰ প্ৰভিজন আছে যে, Vigilance Committee ইয়াত গঠন হৈচেনে হোৱা নাই, এইটো জ্ঞাত নহয়, একজিষ্ট হৈচেনে গঠন হয়, কাৰণ Vigilance Committee ৰ একটিভিটি আমি প্ৰত্যক্ষ কৰা নাই। দ্বিতীয় কথাটো হৈছে অধ্যক্ষ মহোদয়, যিসকল ব্যক্তি এক লাখ টকাৰ ইনকামৰ তলত তেওঁলোকক আমি Food Security দিব লাগিব।যদি দিব নোৱাৰো তাত allowance ৰ Provisions আছে। A Provisions for Food Security allowance to be entitled beneficiary incase of non supply of entiled of food grains.

যদি আমি তেখেতসকলক eligibility থকা স্বত্বেও এই অন সুৰক্ষাৰ জৰিয়তে Supply কৰিব নোৱাৰো, তেন্তে চৰকাৰে ভৰিষ্যতে তেওঁলোকক এই allowance টো ক'ৰ পৰা আৰু কেনেকৈ দিব। এই কথাটো অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ক দৃষ্টিগোচৰ কৰিলো। ৩ নং কথাটো অধ্যক্ষ মহোদয়, penalty ৰ provision আছে। Provision for penalty on public servant or authority through the impose by the State Food Commission in case of failure to comply with the relief recommended by the District Redressal Officer. গতিকে অধ্যক্ষ মহোদয়, যি সকল ব্যক্তিৰ অভিজ্ঞতা হওক বা দায়িত্ব জ্ঞানহীনতাৰ কাৰণেই আজি এই বৃহৎ সংখ্যক গৰিব পৰিয়ালসকল এই Food Securityআইনৰ পৰা deprived হৈছে, গতিকে সেই বিষয়া সকলক পেনাল্টিৰ কাৰণে আমাৰ চৰকাৰে এতিয়া কি ব্যৱস্থা লব বা লৈছে এই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আৰ্কষণ কৰি, মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ-** Thank you. মই Hon'ble Member সকলক কৈছোৱেই, আজি কমকৈ দিয়া হৈছে। Special mention আপোনালোকে ৫-৬ মিনিটৰ ভিতৰত কেনেকৈ মুল কথাখিনি আনিব পাৰে, Exercise কৰিব লাগিব আগলৈ। ঠিক আছে, আজি ভালকৈ কৈছে। Minister please

**শ্ৰী ৰিহণ দৈমাৰী, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য নাৰায়ন ডেকা ডাঙৰীয়াই খাদ্য সুৰক্ষা আইনৰ অধীনত যি আমি ৰাজ্যখনত দুখীয়া লোকক যি চাউল আমি বিতৰণ কৰি আছো, সেই সৰ্ম্পকত তেখেতে যি বক্তব্য ৰাখিলে তাৰ কাৰণে প্ৰথমতে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ ডাঙৰীয়া, ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন, এই আইন খনে ২০১৫ চনৰ ডিচেম্বৰ মাহৰ পৰা আমি আমাৰ ৰাজ্যখনত implement কৰিছো। ভাৰত চৰকাৰে নিদ্ধাৰণ কৰা অনুসৰি ২০১১ চনৰ লোকপিয়লৰ ভিত্তিত অসমৰ গ্ৰাম্যাঞ্চলৰ মুঠ জনসংখ্যাৰ ৮৪.১৭ শতাংশ আৰু চহৰ অঞ্চলৰ মুঠ জনসংখ্যাৰ ৬০.৩৫ শতাংশ সামৰি , যি পৰিয়ালৰ বাৰ্ষিক আয় ১ লাখ টকাতকৈ কম তেনে সকল পৰিয়ালক এই আইনৰ অন্তভূক্ত কৰা হৈছে। ২০১১ চনৰ লোক পিয়ল অনুসৰি অসমৰ মুঠ জনসংখ্যা হল ৩ কোটি ১২ লাখ। ৩ কোটি ১২ লাখ জনসংখ্যাৰ মাজত আমি দুখীয়া লোক সকলক চিনাক্ত কৰি এই আইনখন আমি আমাৰ ৰাজ্যখনত বলবৎ কৰিছো। অন্তোদয়া অন্ন যোজনা আঁচনিৰ অধীনত অসমৰ হিতাধীকাৰী পৰিয়ালৰ সংখ্যা হ'ল ৭,০৪,০০০। এই শ্ৰেণীৰ

পৰিয়াল সমূহ দুখীয়াতকৈও দুখীয়া বি পি এল পৰিয়ালৰ মাজৰ পৰা ২০০১ চনত বাচনি কৰা হৈছিল। পৰিয়ালৰ জ্যেষ্ঠ মহিলা গৰাকীক পৰিয়ালৰ মুৰব্বী হিচাপে গণ্য কৰা হয়। অগ্ৰাধিকাৰ ভিত্তিত পৰিয়ালৰ প্ৰতি গৰাকী সদস্যক প্ৰতি মাহে ৫ কিলোগ্ৰামকৈ চাউল যোগান আৰু এ এ ৱাই পৰিয়ালক প্ৰতি মাহে ৩৫ কিলোগ্ৰামকৈ চাউল যোগান ধৰা হয়। চাউল প্ৰতি কিলোগ্ৰামত ৩.০০ টকাকৈ যোগান ধৰা হৈছে। অসম চৰকাৰে যোৱা ডিচেম্বৰ ২০১৫ ইং মাহত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন, ২০১৩ সমগ্ৰ অসমত বলৱৎ কৰিছে। অসমত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত হিতাধীকাৰীৰ মুঠ লক্ষ্য২,৫২,১৮০০১ জন এ এ ৱাই পৰিয়াল আৰু অগ্ৰাধিকাৰ প্ৰাপ্ত পৰিয়াল হিচাবে সামৰি লোৱা হৈছে। প্ৰত্যেকটো এ এ ৱাই পৰিয়ালক প্ৰতি মাহে ৩৫ কিঃ গ্ৰাঃ কৈ আৰু প্ৰতিটো অগ্ৰাধীকাৰ প্ৰা প্ত পৰিয়ালৰ প্ৰত্যেক জন সদস্যক প্ৰতিমাহে ৫ কিঃ গ্ৰাঃ কৈ ৰাজসাহাৰ্য্য যুক্ত চাউল প্ৰতি কেজি ৩ টকা দৰত যোগান ধৰা হৈছে। আমি আমাৰ ৰাজ্যখনত বৰ্তমানলৈকে বাচনিভুক্ত হোৱা লোকৰ সংখ্যা হল ২,৪৮,৪৪, ১৩৪ জন। অধ্যক্ষ ডাঙৰীয়া ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত ৰেচন কাৰ্ড পাবলৈ কোনো যোগ্য লোকে সংশ্লিষ্ট গাওঁ পঞ্চায়ত, পৌৰ নিগম, নিকায়, জিলাধিপতি, মহকুমাধিপতি, স্বায়ত্ব পৰিষদৰ কায্যালয়ত আবেদন পত্ৰ দাখিল কৰিব পাৰে। এনে আৱেদনৰ ভিত্তিত হিতাধিকাৰী সকলক বিভিন্ন জিলা আৰু মহকুমাত গঠন হোৱা Verification Committee আৰু Scrutiny Committee য়ে নিৰ্বাচন কৰে। Verification Committee ত গ্ৰামাঞ্চলত গাওঁ পঞ্চায়ত সচিব, জিলাধিপতি, মহকুমাধিপতি আৰু স্বায়ত্ব পৰিষদৰ অনুমোদিত বিষয়া আৰু সংলিষ্ট খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ ক্ষেত্ৰ বিষয়া আৰু চহৰ অঞ্চলত ৱাৰ্ড কমিচনাৰ, জিলাধিপতি, মহকুমাধিপতি আৰু স্বায়ত্ব পৰিষদৰ অনুমোদিত বিষয়া আৰু সংশ্লিষ্ট খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ ক্ষেত্ৰ বিষয়া Verification Committee ৰ সদস্য হয়। Scrutiny Committee ত Chairman থাকে, আমাৰ খণ্ড উন্নয়ণ বিষয়া আৰু মেম্বাৰ আছে। আমাৰ Local Inspector বা Sub-Inspector থাকে। ২ জন PRI Members আৰু এজন Social worker আৰু এজন মহিলা Member থাকে। চহৰ অঞ্চলত Circle Officer সকল Chairman আৰুLocal Inspector/Sub-Inspector , Food & Civil Supply Department ৰ। দুজন ward Commissioners আৰু এজন Social worker আৰু এজন মহিলা সদস্য থাকে। তেনেকুৱা ধৰণৰ Scrutiny Committee থাকে। তেওঁলোকে Select কৰিলে এই আইনৰ আওতাত আহিব। খাদ্য সুৰক্ষা আইন, ২০১৩ ৰ অধীনত বাচনি হোৱা হিতাধিকাৰী সকলৰ মাজত যদি কোনো ধনী মানুহ , চৰকাৰী কৰ্মচাৰীৰ লগতে কোনো অযোগ্য হিতাধিকাৰীয়ে এই আঁচনিৰ অধীনত ৰেচন কাৰ্ড পাইছে, সেই সকলক স্ব-ইচ্ছাই কাৰ্ড সমূহ সংশ্লিষ্ট জিলা, মহকুমাধিপতিৰ যোগান বিভাগৰ কায্যালয়ত ঘূৰাই জমা দিবলৈ জাননী জাৰি কৰা হৈছে। তেনে হিতাধিকাৰীৰ নাম বাচনি তালিকাৰ পৰা কৰ্তন কৰি সেই সকলৰ ঠাইত প্ৰকৃত দৰিদ্ৰ তথা খাদ্য সুৰক্ষা আইনৰ অধীনত অৰ্হতা সম্পন্ন লোকক সামৰি লোৱাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ উপৰিও সংশ্লিষ্ট জিলা, মহকুমাৰ খাদ্য অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে হিতাধিকাৰী তালিকা সময়ে সময়ে পুনৰীক্ষণ কৰি অযোগ্য ব্যক্তিৰ নাম তালিকাৰ পৰা কৰ্তন কৰি তাৰ ঠাইত প্ৰকৃত দৰিদ্ৰ তথা খাদ্য সুৰক্ষা আইনৰ অধীনত অৰ্হতা সম্পন্ন লোকক অন্তৰ্ভক্ত কৰা হৈছে। ই এক অবিৰত প্ৰক্ৰিয়া। যোৱা জানুৱাৰী ২০১৮ মাহলৈকে আমি প্ৰায় মুঠ ২,৬৬, ৫৭৫ খন ৰেচন কাৰ্ড বাতিল কৰি এই বাতিল কৰা কাৰ্ড সমূহ অন্য দুখীয়া লোক সকলক

২, ৪২, ২৫৫ খন ৰেচন কাৰ্ড যোগ্য হিতাধিকাৰীক নতুনকৈ প্ৰদান কৰিছো। আমাৰ ৰাজ্যখনে এই আইনখন সঠিক ভাবে ৰূপায়ন কৰিবৰ বাবে কিছুমান ব্যৱস্থা লৈছো। যেনেকৈ জিলা, মহকুমা পয্যায়ত খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ ক্ষেত্ৰ বিষয়াই নিয়মীয়া পৰিদৰ্শন কৰে। জিলা, মহকুমা পৰ্য্যায়ত খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধীনত গঠন কৰা বলৰৎকাৰী কোষে Enforcement Squad তদাৰক কৰে। ইয়াৰ উপৰিও প্ৰত্যেক জিলা, মহকুমা বিভিন্ন পৰ্য্যায়ত তদাৰকী আৰু নিৰীক্ষণ সমিতি Vigilance & Monitoring Committee গঠন কৰা হৈছে। এই সমিতি সমুহে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ বিভিন্ন কাৰ্য্যাৱলী সময়ে সময়ে পয্যালোচনা কৰি যাৱতীয় পৰামৰ্শ আগবঢ়ায়। ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত খাদ্য তথা অন্নান্য সামগ্ৰীৰ কলা বেপাৰীৰ বিৰুদ্ধে অভিযান চলাই বৰ্তমানলৈকে অত্যাৱশ্যকীয় সামগ্ৰী আইন ১৯৫৫ ৰ অধীনত যোৱা ইং ২০১৭ বৰ্ষত ১৬৫৫ টা অভিযান চলাই ৪৭ টা গোচৰৰ বিপৰীতে মুঠ ১১ জন লোকক গ্ৰেপ্তাৰ কৰি মুঠ ৩,১৩২,৫১২ কুইণ্টল চাউল ৭৩৭৫ লিঃ কেৰাচিন তেল ৮৪ টা গেছ চিলিণ্ডাৰ ৮৬১৮ লিঃ Motor Spirit আৰু ১৪৬০২ লিঃ H.S. Diesel বাজেয়াপ্ত কৰা হৈছে। ইয়াৰ উপৰিও ৯১ খন অনুজ্ঞাপত্ৰ নিলম্বিত কৰাৰ লগতে ৩১ খন বাতিল কৰা হৈছে। ইয়াৰ উপৰিও আমাৰ সন্মানীয় সদস্য সকলক এই ক্ষেত্ৰত সহযোগ কৰিবৰ কাৰণে মই যোৱা ২৭ জুন ২০১৬ তাৰিখেই প্ৰতিজন সদস্যক মই তেওঁলোকক অনুৰোধ কৰিছিলো চিঠিৰ যোগেইদি। এই ক্ষেত্ৰত যদি কিবা complain থাকে তেওঁলোকে আমাৰ জিলাৰ উপায়ুক্ত, নহলে আমাৰ এচ ডি অ সকলক অভিযোগ দাখিল কৰিবৰ কাৰনে তেওঁলোকক মই অনুৰোধ জনাইছিলো। যদি তেনেকুৱা ধৰণৰ অভিযোগ থাকে, আপোনালোকে আমাৰ উপায়ুক্ত সকলক সেই অভিযোগটো দাখিল কৰে। এইটো আমাৰ অবিৰত প্ৰচেষ্টা। Continuous Process যদি কোনো ধনী মানুহৰ হাতত কাৰ্ড থাকে তেওঁৰ পৰা কাৰ্ডটো আনি দুখীয়া মানুহক দিয়াটো আমাৰ অবিৰত ব্যৱস্থা। এইটো চলি থাকিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মই এতিয়া কাৰ্য্যসূচী নং ৪ লৈ যাব বিচাৰিছো। মই এতিয়া সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক "The Assam Authoritative Texts(State Laws) Bill, 2018" বিবেচনাৰ সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Authoritative Texts(State Laws) Bill, 2018"বিধেয়খন সদনত দফাই দফাই বিবেচনাৰ কৰাৰ বাবে মই প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই সদনৰ মজিয়াত প্ৰস্তাৱটো উত্থাপন কৰিছো "The Assam Authoritative Texts(State Laws) Bill, 2018"be taken into consideration. Those who are in favour may say 'ayes'. Those who are against may say 'noes'. I think 'ayes have it', 'ayes have it', 'ayes have it' প্ৰস্তাৱটো গৃহীত হৈছে। এতিয়া বিধেয়খনৰ ২ নং দফাটোত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। সেয়েহে প্ৰশ্নটো হৈছে বিধেয়কখনৰ ২ নং দফাটো বিধেয়খনৰ অংশ হ'ব। যিসকল সন্মানীয় সদস্য-সদস্যাই সপক্ষে আছে কওক 'হয়' যিসকল বিপক্ষে আছে তেখেতসকলে কওক 'নহয়'। মই ভাবো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে ২ নং দফাটো বিধেয়খনৰ অংশ হৈছে। বিধেয়কখনৰ ৩ নং দফাত মাননীয় সদস্য শ্ৰীহাফিজ বচিৰ আহমেদ, শ্ৰীআমিনুল ইছলাম আৰু শ্ৰীআবুল কালাম আজাদৰ নামত এটা সংশোধনী আছে। মই মাননীয় সদস্য শ্ৰীআমিনুল

ইছলাম ডাঙৰীয়াক এটা অনুৰোধ কৰিব বিচাৰিছো যিহেতু সময় কম আছে গতিকে আপোনালোকৰ ৩ আৰু ৪ নং দফাত থকা সংশোধনী দুয়োটা একে লগে ক'ব পাৰে। যদি তিনিটোত যোৰ দি ক'ব বিচাৰে তেতিয়াহ'লে চাৰিটোলৈ পিছত যাব। যদি ভাবে দুয়োটাৰে উত্তৰ একেলগে পায় তেতিয়া হ'লে একেলোগে কওক।

**শ্ৰীআমিনুল ইছলাম ঃ** Hon'ble Speaker Sir, I beg to move ''in clause 3 of the proposed Bill in between the worlds 'Law(s)' and 'published' occurring in line 1 the words 'passed in the August House or' shall be inserted. আৰু Sir, I beg to move ''after the end of sub-clause (2) of clause 4 of the proposed Bill a new sub-clause shall be added as - "(3) A translated copy in Assamese shall be placed before Assam Legislative Assembly with each Bill when it is introduced in the August House." মাননীয় অধ্যক্ষ মহোদয়, আমি সংশোধনী প্ৰস্তাৱটো এই কাৰণে আনিব বিচাৰিছো যে ৩ নং দফাত ইয়াত প্ৰথম শাৰীত আছে "Translation in Assamese language of any State Laws published under the authority of the Governor in the official Gazette shall be deemed to be the authoritative - there of in Assamese Language." আমাৰ ৰাজ্যখনে গ্ৰহণ কৰা যিকোনো আইন যেতিয়া ৰাজ্যপাল মহোদয়ৰ অনুমোদনত প্ৰকাশ পাব তেতিয়া তাৰ লগত বিধেয়কখনৰ অসমীয়া অনুবাদ দিয়া হ'ব। অধ্যক্ষ মহোদয়, আমি তাত এটা কথা সংযোগ কৰিব বিচাৰিছো যে অসম বিধান সভাই গৃহীত কৰা সকলো আইনৰ অসমীয়া অনুবাদ বিচাৰিছো আৰু ৪ নং দফাত আমি এটা সংলগ্ন কৰিব বিচাৰিছো। সেইটো আমি এই কাৰণে বিচাৰিছো যে অসমীয়া ভাষাটো ৰাজ্যভাষা আৰু এইটোৰ বাবে যিহেতু অসম সাহিত্য সভাকে আদি কৰি বিভিন্ন দল সংগঠনে আন্দোলন কৰি আহিছে আৰু ৰাজ্যভাষাটো প্ৰয়োগ হোৱাটো বিচাৰিছে। অসম বিধান সভাত যিসমূহ বিল উত্থাপন কৰা হয় সেই বিলসমূহ ইংৰাজীত দিয়াৰ লগতে অসমীয়া অনুবাদটোও দিয়াৰ ব্যৱস্থা কৰিব লাগে। ইংৰাজীত দিয়ক তাৰ লগতে যিধৰণে আমাৰ বিধান সভাৰ সকলো জাননীয় বেলট আদি অসমীয়াত দিয়ে ঠিক তেনেদৰে বিধেয়কসমূহৰো অসমীয়া অনুবাদটোও দিব লাগে। আমি সংশোধনীসমূহ লাগে ইংৰাজীভাষাতে দিম। প্ৰতিখন বিলৰ অসমীয়া অনুবাদটো যদি দিয়া হয় সৰ্বসাধাৰণ ৰাইজে বুজি পাব নাই ৰাইজৰ কাৰণে ভাল হ'ব আৰু অসমীয়া ভাষাটো ৰাজ্যভাষা হিচাপে স্বীকৃতিৰ ক্ষেত্ৰত এটা ভাল পদক্ষেপ হ'ব। গতিকে আমি এই sub-clause টো সংযোগ হোৱাটো বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়,"The Assam Authoritative Texts(State Laws) Bill, 2018" এই বিলখন অনা হৈছে এটা ভাল উদ্দেশ্য আগত ৰাখি। আপুনি নিশ্চয় এই বিলখন অধ্যয়ন কৰিছে। "অসমীয়া" অসমৰ চৰকাৰী ভাষা। কিন্তু অসম বিধান সভাই বৰ্তমানলৈ যিমান আইন প্ৰণয়ন কৰিলে সেই আইন সমূহ অসমীয়ালৈ অনুবাদ কৰা হোৱা নাই। আজিৰ বিধেয়কখনৰ মূল কথাটো হৈছে - বৰ্তমানলৈ অসম বিধান সভাই যিমান আইন পাৰিত কৰিলে সেই আইনসমূহৰ অসমীয়া অনুবাদ কৰাৰ ব্যৱস্থা কৰিব লাগে। আইনসমূহ অসমীয়া ভাষাত অনুবাদীত নোহোৱা বাবে ন্যায়ালয় বা আইনৰ মঞ্চত অসমীয়া কথা যদি কোৱা হয় সেইটো

আইন মতে গ্ৰহণযোগ্য নহয়। যদি আইন সমূহ অসমীয়াত অনুবাদ কৰি মহামান্য ৰাজ্যপালৰ কতৃত্বৰ অধীনত ৰাজপ্ৰত্ৰিকা কৰিব পাৰো তেতিয়া যিকোনো আইনৰ মঞ্চত বা ন্যায়ালয়ত অসমীয়া অনুবাদীত আইন বিলাক গ্ৰহণযোগ্য হ'ব। আজি যিখন “The Assam Authoritative Texts(State Laws) Bill, 2018” অনা হৈছে, এই আইনখন কেন্দ্ৰীয় চৰকাৰৰ “The Authoritative Texts (Central Laws) Act. Bill, 1973” ৰ আৰ্হিত কৰা হৈছে। কেন্দ্ৰীয় এই আইনত অসমীয়াকে আদি কৰি ৰাজ্যিক ভাষাসমূহলৈ আইনসমূহ অনুবাদ কৰাৰ এটা বিধি আছে। ১৯৬০ চনৰ অসম চৰকাৰী ভাষা আইনৰ ৩ নং ধাৰাৰ অধীনত ৰাজ্যৰ অধিনিয়ম আৰু নিয়মাৱলী যিখিনি আছে সেই মতে অসমীয়াত অনুবাদ কৰি Gazetteত প্ৰকাশ কৰাৰ ব্যৱস্থা আছে। মাননীয় সদস্য শ্ৰীআমিনুল ইছলাম ডাঙৰীয়াই ৩ নং দফাত "passed in the August House or' বাক্যাংশৰ যিটো সংশোধন আনিছে সেইটোৰ বিধেয়কখনত অন্তৰ্ভূক্তিৰ প্ৰয়োজন নাই। মাননীয় অধ্যক্ষ মহোদয় বিধেয়কখনৰ ২ নং ‘এ ’ দফাত এই বিষয়টো স্পষ্টকৈ উল্লেখ আছে মাননীয় সদস্যগৰাকীয় ভালদৰে চালে বুজি পাব। ‘State Laws’ বুলি কলে অকল বিধান সভাত পাৰিত হোৱা বিলসমূহৰ কথা কোৱা হোৱা নাই। মাননীয় অধ্যক্ষ মহোদয় আপুনিও আইনৰ মানুহ আপুনি আইন সম্পৰ্কে ভালদৰে জানে।

**মাননীয় অধ্যক্ষ ঃ** মই এটা লাইন ক'ব বিচাৰিছো ৰাজ্যিক আইন যিয়েই নহওক কিয়, বিধান সভাত আহিবই লাগিব আৰু বিধান সভাত পাৰিত হ'ব লাগিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে সেই সম্পৰ্কত মই ক'ব বিচাৰিছো যে বিধেয়কখনৰ ২ নং দফাৰ ‘ডি’ত স্পষ্ট ভাবে আছে। দ্বিতীয়তে মাননীয় সদস্য গৰাকীয়ে কৈছে যে - ‘before the House - pass হ'ব লাগিব। বিল সদনটো আহিব লাগিবই। কিন্তু কেতিয়াবা emergency situation ত ৰাজ্যত কিছুমান নিৰ্দেশনা জাৰি হয় যেনে - মহামান্য ৰাজ্যপালৰ দ্বাৰা কিছুমান ordinance জাৰি হয়। তাৰোপৰি কিছুমান নিৰ্দ্দেশ ৰাজ্যিক কেবিনেটে সিদ্ধান্ত লৈ দিয়ে। আপোনাৰ যিটো Amendment দিছে, সেই Amendment ত যদি Passed in the August House বুলি কোৱা হয়। তেতিয়া হ'লে গোটেই সংজ্ঞাটো সংকুচিত কৰা হ'ব। যিবিলাক Ordinance Pass হ'ব, by Governor Rule Pass হ'ব, যিবিলাক Regulation Pass হ'ব, By Laws Pass হ'ব, সেইবোৰ ইয়াত সামৰি ল'ব পৰা নাযাব যদিহে House before the August House বুলি কোৱা হয়।

**মাননীয় অধ্যক্ষ ঃ** এইটো হয়তো আপুনি বুজি পাইছে, Next Point টো আপুনি Clear কৰক।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** Next Point টো হ'ল যে ৪ নং Clauseত মাননীয় সদস্য গৰাকীয়ে আনিছে যে বিধায়কখনৰ ৪নং Clauseত অনা সংশোধনী প্ৰস্তাৰটোত মাননীয় সদস্যৰ তিনি গৰাকী এ ইউ ডি এফ ৰ সদস্যৰ ফালৰ পৰা এইটোত Amendment দিছিল। গতিকে তাত ৪ নং আৰু তিনি নং দফাত সংযোজন ঘটাই বিধান সভাত উত্থাপন কৰিবলৈ সকলো বিধেয়কৰ আইন সমূহৰ লগত অসমীয়া অনুদিত এটা প্ৰতিলিপি উত্থাপন কৰাৰ বাবে এটা সংশোধনী বিচাৰিছে। কিন্তু অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক সকলৰ ধাৰণাটো আদৰণিয় যদিও এই বিধেয়কখনৰ কেৱল ৰাজ্যিক আইন সমূহৰ লগত অৰ্থাৎ State Laws অসমীয়া অনুবাদ কৰি, ৰাজ্যপালৰ কৰ্ত্তৃত্বৰ অধীনত অৰ্থাৎ আমাৰ Final Official Gazette তপ্ৰকাশ কৰিবলৈ

বিচৰা হৈছে। State Laws বুলি কওঁতে বিধান সভাত উত্থাপন কৰিবলগীয়া বিধেয়ক Bill, যিখন অন্তৰ্ভূক্ত কৰা হোৱা নাই। গতিকে বিধান সভাত গৃহীত কৰাৰ পিছত যিসমূহ বিধেয়ক আইনত পৰিণত হয়, সেইবোৰৰ বাবেহে অসমীয়াত অনুবাদ কৰি ৰাজ্যপালৰ কৰ্ত্তৃত্বলৈ অনাৰ এটা প্ৰস্তাৱ এই আইনখনত গ্ৰহণ কৰা হৈছে। এই কেইখন বিধেয়কৰ অসমীয়া অনুবাদ কৰিবলৈ হ'লে যথেষ্ট সময়ৰ প্ৰয়োজন হয়, Staff ৰ প্ৰয়োজন হয়। প্ৰথমবাৰৰ বাবে এই ব্যৱস্থাটো লোৱা হৈছে। গতিকে এইটোত যথেষ্ট সময় লাগিব আৰু বিধান সভাত আমাৰ যিটো Legislative বিভাগ আছে, সেই বিভাগতো আমাৰ যথেষ্ট সংখ্যক কাৰিকৰী জ্ঞান সংযুক্ত ব্যক্তিৰ প্ৰয়োজন হ'ব। কাৰণ এইখন এখন আইন আৰু আইন অনুবাদ কৰাৰ ক্ষেত্ৰত বহু কথা আছে। আনহাতে বিধান সভা অধিৱেশনৰ আগমূহূৰ্ত্ততো এই বিভাগে কিছু সংখ্যক আইন জৰুৰীভাৱে আনিব লগা হয়। কেতিয়াবা হঠাতে দুখন বিল আহি যায়। মাননীয় অধ্যক্ষ মহোদয়ে কয় যে আপোনালোকে ইমান দিনলৈ কিয় দিয়া নাছিল? এতিয়া হঠাৎ আনিলে কেনেকৈ হ'ব? এই বিষয়টো মই মন্ত্ৰী কাৰণে জানো। অধ্যক্ষ মহোদয়ে কোৱা কথাটো একেবাৰে সত্য। কিন্তু আমিও কেতিয়াবা হঠাৎ আনিবলগীয়া হয়। আইনখন আনিব লাগিলে তাৰ পিছত Legislative Department ৰ অনুমতি ল'ব লাগে, বিভিন্ন আইনজ্ঞৰ লগত আলোচনা কৰিব লাগিব। সদনত এখন বিল আনি পাছ কৰাৰ পিছত আৰু মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ স্বাক্ষৰ হোৱাৰ পিছতহে বিলখন আইনত পৰিণত হ'ব। সেই আইনখন এনেকুৱা হ'ব লাগিব যে এই আইনখন আনোতে আমাৰ L.R. ৰ পৰা মতামত ল'ব লাগিব, Legislative Department য়ে অধ্যয়ণ কৰিব লাগিব, বিভিন্ন আইনজ্ঞৰ লগত আলোচনা কৰিব লাগিব। এই আইনখন আচলতে মানুহৰ কল্যাণকামী আইন হ'ব নে নহয়, সেই গোটেই কেইটা দিশ চালি-জাৰি চোৱাৰ কাৰণে হঠাৎ কেতিয়াবা বিধান সভাৰ আগমূহূৰ্ত্ততো বা বিধান সভা চলি থকাৰ মাজতো আমি কেতিয়াবা আইন আনিবলগীয়া হয় আৰু সেইবিলবিলাক আমি অধ্যক্ষ মহোদয়ক অনুৰোধ কৰি গ্ৰহণ কৰাই লওঁ। আপুনি ইয়াত যিটো সংশোধনী আনিছে, জৰুৰী সময়ত কিন্তু আইনখন লগালগ অনুবাদ কৰিবলগীয়া হ'ব। আইনৰ ভাষা আদি গোটেই কথাখিনিত বহুত অসুবিধা আছে। সেয়েহে আইনখন ইয়াত পাছ হৈ যোৱাৰ পিছত মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ Ascent, হোৱাৰ পিছত আমি অনুবাদ কৰি থাকিব পাৰিম। গতিকে বিলখন পাছ কৰি দিব লাগে। এই কাৰণে যাতে আমাৰ সকলো শ্ৰেণীৰ ৰাইজে অধ্যয়ণ কৰিব পাৰে, জ্ঞাত হ'ব পাৰে। আইনৰ সম্পৰ্কত ৰাইজ সচেতন হ'ব পাৰে।

**শ্ৰী আমিনুল ইছলাম(ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ৩ নং দফাত যিটো Amendment আনিছিলো, সেইটো মই Withdraw কৰি লম। ৪নং দফাত, যিটো আনিছিলো সেইটোৰ বিষয়েও আমি চিন্তা কৰিছো যে কেতিয়াবা অনুবাদ কৰাৰ ক্ষেত্ৰত সময়ৰ কথা আহে। কিন্তু আমিও এটা কথা জানো যে সেইটো আমাৰ সকলো সদস্যৰ বা ৰাইজৰ সহায় হোৱাকৈ অসমীয়াত এটা থাকিলে সহায় হ'ব আৰু এটা কথা আছিল যে আমাৰ Legal System টোত যিখিনি কিতাপ আছে, আমাৰ Course তো যিমান কিতাপ আছে, সেইবোৰো ইংৰাজীত আছে। এইবোৰ লাহে লাহে অসমীয়াত আনিব পাৰি নেকি? তেনেকুৱা এটা চেষ্টা চৰকাৰে কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া আপুনি মূল কথাটোলৈ আহিল। সেইটো লাহে লাহে অনাৰ চেষ্টা কৰা হ'ব।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** এইটো এটা আৰম্ভণি।

**মাননীয় অধ্যক্ষ ঃ** এইটো এটা ভাল আৰম্ভণি।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** এইটো যিহেতু আৰম্ভণি হৈছে, কিন্তু তাৰ আগতে Legislative Department ত এনেকুৱা আইন জনা, আইনটোক ইংৰাজীৰ পৰা অসমীয়ালৈ প্ৰকৃত অনুবাদ কৰি ল'ব লাগিব। আইনখন আজি যিহেতু আনিছো পৰৱৰ্ত্তী দিনত আপুনি কোৱা কথাবোৰো আহিব। আমি নিশ্চয় বিবেচনা কৰিম।

. **মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এইটো ভাল আৰম্ভণি। India is a multilingual Country. Assam is also a multilingual state. সেইকাৰণে গোটেই কথাবিলাক প্ৰত্যেকে জানিবলৈ আমাৰ বহুত কৰিবলগীয়া আছে। It is a very good initiative. Atleast major language টোলৈ অনুবাদ হ'ব। ভৱিষ্যতেও আগলৈ সদন বহিব, বিভিন্ন চৰকাৰ আহিব। যি চৰকাৰেই নহওঁক কিয়? সেইসময়ত যদি ইয়াতকৈও ওপৰলৈ যাব পাৰি আৰু ভাল হ'ব। সেয়েহে মই ভাৱো যে সদনত আপোনাৰ কথাটো সদ্যহতে Withdraw কৰিলে ভাল হ'ব।

**শ্ৰী আমিনুল ইছলাম(ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এই সংশোধনী প্ৰস্তাৱটো Withdraw কৰিছো। কিন্তু ভৱিষ্যতে যাতে এইটো হয়।

**মাননীয় অধ্যক্ষ ঃ** যিহেতু দুয়োটাই Withdraw কৰা হ'ল, গতিকে মই দুয়োটাই একেলগে দিছো। বিধায়কখনৰ ৩ নং আৰু ৪নং দফা দুটা বিধেয়কৰ অংশ হ'ব। যিসকল ইয়াৰ সপক্ষে আছে, তেওঁলোকে কওঁক হয় আৰু যিসকল বিপক্ষে আছে, তেওঁলোকে কওঁক নহয়। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ. সপক্ষে, হযৰ সপক্ষে, গতিকে বিধেয়কখনৰ ৩ নং আৰু ৪নং দফা দুটা বিধেয়কৰ অংশ হৈছে। বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনৰ মজিয়াত দাঙি ধৰিলো। প্ৰশ্নটো হৈছে, বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত বিধেয়কৰ অংশ হ'ব। যিসকল সন্মানীয় সদস্য দফাটোৰ সপক্ষে আছে, তেখেত সকলে কওঁক হয়, যিসকল বিপক্ষে আছে, তেওঁলোকে কওঁক নহয়। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰম্ভণত বিধেয়কৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰিবৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Authoritative Texts(State Laws)Bill 2018" বিধেয়কখন পাৰিত কৰিবৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মই প্ৰস্তাৱটো সদনৰ অনুমতিৰ বাবে উত্থাপন কৰিলো। "The Assam Authoritative Texts(State Laws)Bill 2018" পাৰিত কৰা হওঁক। যিসকল ইয়াৰ সপক্ষে আছে, তেওঁলোকে কওঁক হয় আৰু যিসকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয়। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, প্ৰস্তাৱটো পাৰিত কৰা হ'ল আৰু বিধেয়কখনো পাৰিত কৰা হ'ল। এতিয়া মই মাননীয় শিক্ষা মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীক "The Assam Repealing Bill 2018" সদনত উত্থাপন কৰাৰ বাবে অনুৰোধ কৰিলো।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া মই মাননীয় শিক্ষা মন্ত্ৰীৰ হৈ "The Assam Repealing Bill 2018" বিধেয়কখন সদনত উত্থাপন

কৰাৰ বাবে অনুমতি বিচাৰিলো।

**माननीय অধ্যক্ষ ঃ** বিধায়কখন উত্থাপন কৰিববলৈ সদনৰ সন্মতি আছেনে?

(সদনৰ সন্মতি আছে)।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই অনুমতি দিছো আৰু মন্ত্ৰী ডাঙৰীয়াক মাননীয় শিক্ষ মন্ত্ৰীৰ হৈ বিধেয়কখন সদনত উত্থাপন কবিলৈ অনুৰোধ কৰিছো।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া মই শিক্ষা মন্ত্ৰীৰ হৈ "The Assam Repealing Bill 2018" বিধেয়কখন সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰধান সচিবক বিধেয়কখনৰ শিৰোনামা পঢ়ি দিবলৈ অনুৰোধ কৰিলো।

**মাননীয় প্ৰধান সচিব ঃ** বিধেয়কখনৰ শিৰোনামা "The Assam Repealing Bill 2018".

**মাননীয় অধ্যক্ষ ঃ**ইয়াৰ পিছত পুনৰ মই সংসদীয় পৰিক্ৰমা মন্ত্ৰীক "The Assam Repealing (No.3)Bill 2018". সদনত উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰিববলৈ অনুৰোধ কৰিলো।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Repealing (No.3)Bill 2018". বিধেয়কখন সদনত উত্থাপন কৰাৰ বাবে অনুমতি বিচাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** বিধায়কখন উত্থাপন কৰিববলৈ সদনৰ সন্মতি আছেনে?

(সদনৰ সন্মতি আছে)।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই অনুমতি দিছো আৰু মন্ত্ৰী ডাঙৰীয়াক মাননীয় শিক্ষা মন্ত্ৰীৰ হৈ বিধেয়কখন সদনত উত্থাপন কবিলৈ অনুৰোধ কৰিছো।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Repealing (No.3)Bill 2018". বিধেয়কখন সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই অসম বিধান সভাৰ প্ৰধান সচিবক বিধেয়কখনৰ শিৰোনামা পঢ়ি দিবলৈ অনুৰোধ কৰিলো।

. **প্ৰধান সচিব, অসম বিধান সভা ঃ** বিধেয়কখনৰ শিৰোনামা "The Assam Repealing (No.3) Bill 2018".

**মাননীয় অধ্যক্ষ ঃ** আমি পৰৱৰ্ত্তী কাৰ্য্যসূচীলৈ যাম। মই এতিয়া শিক্ষা মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীক "The Assam Non-Government Educational Instutiions (Regulation and Management) (Amendment)Bill 2018". সদনত উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰিববলৈ অনুৰোধ কৰিলো।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Non-Government Educational Instutiions (Regulation and Management) (Amendment) Bill 2018". সদনত উত্থাপন কৰাৰ বাবে মই সদনৰ অনুমতি বিচাৰিলো।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** কওঁক।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ঃ** অধ্যক্ষ মহোদয়, আজি শিক্ষা মন্ত্ৰী নাই, তেখেতকো কথাটো কোৱা হৈছিল। তেখেতেওঁ কথাটো ভাল পাইছিল। **"The Assam Non-Government**

**Educational Institutions (Regulation and Management) (Amendment) Bill, 2018".** অধ্যক্ষ মহোদয়, আমাৰ প্ৰত্যেকজন বিধায়কৰ সমষ্টিত এনেকুৱা স্কুল আছে, যিবিলাক স্কুলে H.S.L.C. বা H.S.ত 100% ভাল Result কৰে। আপোনাৰ সমষ্টিটো আছে অধ্যক্ষ মহোদয়। আমি যদি প্ৰত্যেক বছৰে এইবিলাক স্কুল এখন এখনকৈ Provincialise কৰাৰ ব্যৱস্থা কৰিব পাৰো তেতিয়া ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** তেওঁলোকে বিচাৰিবওঁ লাগিব। বহুতে নিবিচাৰে ।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ঃ** Amend কৰি হলেওঁ কৰিব পৰা যায় নেকি ?

**মাননীয় অধ্যক্ষ ঃ** ভেঞ্চাৰ স্কুলৰ কথাটো বেলেগ। যিবিলাক স্কুল নিজে খোলে, যেনেকৈ শঙ্কৰদেৱ বিদ্যা নিকেতন আছে, ডনবস্ক স্কুলেওঁ কিছুমান তেনেকৈ ৰাখে, বিভিন্ন N.G.O. বিলাকে চলাই, সেইধৰণৰ Non-Government স্কুল বিলাকক কেনেকৈ অলপ Control ত আনিব পৰা যায়, তেওঁলোকে যাতে নিজাববীয়াকৈ কাম কৰিব নোৱাৰে অৰ্থাৎ যিবিলাক Private School আছে, সেই স্কুল বিলাকৰ ক্ষেত্ৰতহে এই বিলখন অনা হৈছে। গতিকে বিলখন থিকেই আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কৈছে, যিকোনো বিলৰে main gist খিনি থাকে Object টো থাকে যে Statement of Objects and reasons তাত যি কেইটা কথা কোৱা হৈছে, খুউব ভাল কথা কৈছে। মাননীয় সদস্য গৰাকীয়ে বাৰে বাৰে Amendment আনি থকা হৈছে, কাম হোৱা নাই বুলি কৈছে।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ঃ** অধ্যক্ষ মহোদয়, মই তেনেকৈ কোৱা নাই, পৰামৰ্শহে দিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিলখনত Reasons and Objects ত গোটেই কথাখিনি Clearly উল্লেখ কৰা হৈছে। গতিকে আপুনি যিটো পৰামৰ্শ দিছে সেইটোওঁ আপুনি এই Reasons and Objects খিনি চালে তাতেই বিচাৰি পাব।

**মাননীয় অধ্যক্ষ ঃ**ঠিক আছে। বিধেয়কখন সদনে উত্থাপন কৰিবলৈ অনুমতি দিছে, গতিকে মই শিক্ষা মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীক বিধেয়ক খন উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, **"The Assam Non-Government Educational Institutions (Regulation and Management) (Amendment) Bill, 2018"** বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰধান সচিবে বিধেয়ক খনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিবে ঃ** বিধেয়ক খনৰ শিৰোনামা হল - **"The Assam Non- Government Educational Institutions (Regulation and Management) (Amendment) Bill, 2018"**

**মাননীয় অধ্যক্ষঃ** ইয়াৰ পৰবৰ্তী কাৰ্য্যসুচী একেই **"The Assam Non-Government Educational Institutions (Regulation of fees) Bill, 2018"** উত্থাপনৰ বাবে অনুমতি বিচাৰিবলৈ মই শিক্ষা মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীক অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, **"The Assam Non-Government Educational Institutions ( Regulation of fees) Bill, 2018"** বিধেয়কখন মই সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিলো।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই যিটো সিদ্ধান্ত লোৱা হৈছে, ভাল

সিদ্ধান্ত লোৱা হৈছে। মই কালিৰ পৰাই চিন্তা কৰি আছো যে - আমাৰ লৰা-ছোৱালী যিখিনি আছে সেইসকলক আমি **Private Institute** ত বা বাহিৰলৈ পঢ়িবলৈ পঠাওঁ। আমাৰ **Government Institution** বিলাকত নপঢ়াওঁ। সেই কাৰণে মই ভাবিছো, আমাৰ যি **M.P., M.L.A.** বা **Government Officer** বিলাকৰ যিখিনি লৰা-ছোৱালী আছে, সেই সকলক যদি আমাৰ Government School বিলাকত পঢ়াওঁ তেনেহ'লে আমাৰ শিক্ষামন্ত্ৰী যিটো সপোন সেইটো সাৰ্থক হ'ব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। আজি সময় আছে কাৰণে গোটেই কথাটো আমি আলোচনা নকৰো। মোৰ ছোৱালী পঢ়োৱালৈ মই যিখন স্কুলত পঢ়িছিলো তালৈকে ভৰ্তি কৰাব নিছিলো, কিন্তু কিছুমান কথা আহি গ'ল। আগৰ শিক্ষা আৰু এতিয়াৰ শিক্ষাৰ মাজত পাৰ্থক্য আহিছে। আমাৰ গাঁৱত যদি অসমীয়া বা বাংলা মাধ্যমৰ স্কুলখন খুৱ ভালকৈ চলিছে, তাত আপুনি লৰা-ছোৱালী পঢ়াৱই। কিন্তু স্কুলখনৰ ফলাফল যদি **১৫, ২০** বছৰে ধৰি বেয়া হৈ থাকে, তেতিয়া ঘৰৰ মানুহে কব যে তুমি কি কৰিছা? এনেকুৱা ধৰণৰ কথা কিছুমান আছে। আমি সকলোৱে চেষ্টা কৰিব লাগে যাতে আমি নিজৰ লৰা-ছোৱালী বিলাকক আমাৰ নিজৰ নিজৰ মাধ্যমত (প্ৰাইভেট স্কুল বুলি কোৱা নাই) ভাল স্কুলত দি পাৰো। বহুতে দিছে, বহুতে দিব পৰা নাই। আপুনি এটা পৰামৰ্শ দিছে, ভৱিষ্যতলৈ আমি এইবোৰ চিন্তা কৰিব লাগিব।

এতিয়া মই বিধায়কখন সদনত উত্থাপন কৰিবলৈ শিক্ষামন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীক অনুৰোধ কৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী,সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, **"The Assam Non-Government Educational Institutions ( Regulation of fees) Bill, 2018"** বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনমা পঢ়ি দিব।

**প্ৰধান সচিব** ঃ বিধেয়কখনৰ শিৰোনামা হ'ল - **"The Assam Non-Government Educational Institutions ( Regulation of fees) Bill, 2018".**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া পৰবৰ্তী কাৰ্য্যসূচীলৈ গৈছো। মই মাননীয় শিক্ষা মন্ত্ৰীৰ হৈ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীক **"The Assam Madrassa Education ( Provincialisation of Services of Employees and Re-Organization of Madrassa Eaducational Institutions) Bill, 2018"** বিধেয়কখন উত্থাপনৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, **"The Assam Madrassa Education ( Provincialisation of Services of Employees and Re-Organiza tion of Madrassa Eaducational Institutions) Bill, 2018"** বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, **"The Assam Madrassa Education ( Provincialisation of Services of Employees and Re-Organization of Madrassa Eaducational Institutions) Bill, 2018" যিখন আহিছে ইয়াৰ লগতে ২০১১ চনত "The Assam Sanskrit Tol"** বিলখনো আহিছিল। যেতিয়া High Court এ **Strike-Out** কৰিছিল, দুয়োখন বিল

একেলগে গল। আমি ভাবিছিলো **"The Assam Madrassa Education** বিলখনৰ লগত **"The Assam Sanskrit Tol"** বিলখনো আহিব, কিন্তু নাহিল। হয়তো এইবাৰ সদনত নাহিবই।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মই এইটো চাই দিম। মই জনা নাছিলো, জনাহেতেন নিশ্চয় চালোহেতেন। এতিয়া বিধেয়কখন উত্থাপন কৰিবলৈ সদনৰ সন্মতি আছেনে ? (সদনে সন্মতি জনাই) ৰাজভৱনৰ পৰা মহামান্য ৰাজ্যপালে বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে এটা বাৰ্তা পঠিয়াইছে, মই বাণীটো পঢ়ি দিছো। Under the provision of Article 207 Sub-Clause (1) of the Constitution of India, I, Professor Jogdish Mukhi, Governor of Assam recommend the Introduction of the **"The Assam Madrassa Education ( Provincialisation of Services of Employees and Re-Organisation of Madrassa Eaducational Institutions) Bill, 2018"** in the Assam Legislative Assembly. এতিয়া মই মাননীয় শিক্ষা মন্ত্ৰীৰ হৈ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীক বিধেয়ক খন সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, **"The Assam Madrassa Education ( Provincialisation of Services of Employees and Re-Organisation of Madrassa Eaducational Institutions) Bill, 2018"** বিধেয়ক খন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিব ঃ** বিধেয়কখনৰ শিৰোনামা হ'ল -**"The Assam Madrassa Education ( Provincialisation of Services of Employees and Re-Organisation of Madrassa Eaducational Institutions) Bill, 2018"**.

এতিয়া আমি শেষৰটো কাৰ্য্যসুচী অনুযায়ী **"Sustainable Development Goals"** ৰ ওপৰত আলোচনা কৰিম।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Madrassa Education ( provincialisation of services of employees and reorganisation of Madrassa educational institutions bill,2018 বিধেয়কখন মই সদনত উত্থাপন কৰিলো

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰধান সচিবে বিধেয়কৰ শিৰোনামা পঢ়িব।

**প্ৰধান সচিবঃ** বিধেয়কখনৰ শিৰোনামা "The Assm Madrassa Education ( provincialisation of services of employees and reorganisation of Madrassa educational institutions bill,2018"

**মাননীয় অধ্যক্ষঃ** এতিয়া মই আমাৰ লাষ্ট আইটেমটো লৈছিলো----। শুক্ৰবাৰে আলোচনাত আমি ঠিক কৰিছিলো যে, আজিও আমি S D G ৰ ওপৰত কিছু আলোচনা কৰিম আৰু কালিও Members Hours পিচত আমি আলোচনা কৰিম। যাতে কাইলৈ আমি সকলো সদস্যকে আলোচনা কৰিবলৈ সুবিধা দিব পাৰো। এতিয়া মই আলোচনা আৰম্ভ কৰিব বিচাৰিছো। Are you ready to start or somebody else প্ৰথম আমিনুল ইছলাম

**শ্ৰীআমিনুল ইছলামঃ** মাননীয় অধ্যক্ষ মহোদয়, অতি গুৰুত্বপূৰ্ণ এটি বিষয় যে sustainable development Goal, এই গোলৰ কাৰনে ৰাষ্ট্ৰসংঘই১৭ টা গোল চিহ্নিত কৰি নিৰ্দ্ধাৰিন কৰি ইতিমধ্যে ৰাষ্ট্ৰীয় পৰ্য্যায়ত কেন্দ্ৰীয় চৰকাৰে বা বিভিন্ন ৰাজ্যিক চৰকাৰে এই ১৭ টা লক্ষ্যত উপনীত কৰাবলৈ যি উদ্যোগ হাতত লৈছে এইটো অতি এটা গুৰুত্বপূৰ্ণ । এইটো জনসাধাৰনক সকাহ দিয়াৰ কাৰনে জনসাধাৰনৰ সৰ্ব্বাঙ্গীন উন্নয়নৰ কাৰনে জনসাধাৰনৰ সৰ্ব্বাঙ্গীন উন্নয়নৰ কাৰনে এটা গুৰুত্বপূৰ্ন বিষয়বস্তু । সভাপতি মহোদয, আমাৰ যি ১৭ টা দীৰ্ঘম্যাদী উন্নয়নৰ লক্ষ্য আছে , যদি আমি দুই ভাগত বিভক্ত কৰো তেনেহ'লে আমি basic বা প্ৰাথমিক priority base দৰিদ্ৰতা নিৰ্মূলকৰন , জনসাধাৰনৰ ক্ষুধা নিবাৰন , খাদ্য সুৰক্ষা নিশ্চিতকৰণ ,পুষ্টিসাধন, স্বাস্থ্যকৰ জীৱন , গুনগত শিক্ষা প্ৰদান , লিঙ্গ বৈষম্য দুৰীকৰন তথা মহিলা সৱলীকৰন, বিশুদ্ধ খোৱাপানী আৰু অনাময়ৰ ব্যৱস্থা এইকেইটা basic হিচাপে- আমি identify -কৰিব পাৰো । আমি প্ৰতিজন জনসাধৰনক দৰিদ্ৰতাৰ পৰা মুক্তি দিম বা প্ৰত্যোকজন জনসাধাৰণক দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰা উন্নীত কৰি আনিব লাগিব। আৰু ঠিক সেইদৰে প্ৰত্যোকজন জনসাধাৰণক তেওলোকে খাদ্য সুৰক্ষা প্ৰদান কৰিব লাগিব যাতে কোনো জনসাাৰণেই যাতে অনাহাৰে ৰাতি শুবলগীয়া নহয় তেওলোকে যাতে প্ৰয়োজনীয় খাদ্য বা অন্ন তেওলোকে লাভ কৰে এইটো এটা গুৰুত্বপূৰ্ণ basic needs । তাৰ লগতে যি খাদ্য আমি প্ৰত্যোকজন জনসাধাৰণৰ কাৰণে ensure ৰ কৰিম সেই খাদ্য হ'ব লাগিব পুষ্টিকৰ খাদ্য যাতে সেই খাদ্যই তেওলোকৰ দৈহিক মানসিক বিকাশ ঘটায় এই কথাটো নিশ্চিত কৰিব লাগিব । যাতে প্ৰত্যোকজন জনসাধাৰনে স্বাস্থ্যকৰ জীৱনধাৰন কৰিব পাৰে , তাৰ কাৰনে যিখিনি আমি স্বাস্থ্য খণ্ডৰ আন্ত গাঁথনি বা সৰ্ব্বাঙ্গীন উন্নয়নৰ কথা হওঁক বা অন্যান্য চিকিৎসাজনিত সা সুবিধা প্ৰদান কৰিব পাৰো আৰু তেওলোকক গুনগত শিক্ষা প্ৰদান কৰি কেনেকৈ আমি আদৰ্শ মানৱ, আদৰ্শ নাগৰিক হিচাপে গঢ়ি তুলিব পাৰো এইটো আমাৰ sustainable development Goal বা দীৰ্ঘম্যাদী উন্নয়ন পৰিকল্পনাৰ অন্যতম চৰ্ত্ত হোৱা উচিত। ঠিক সেইদৰে লিঙ্গ বৈষম্যৰ দুৰীকৰণ কৰি মহিলা সবলীকৰন বা নাৰী নিৰ্য্যতিন বা আমাৰ ছোৱালী আৰু মহিলাসকলক নিৰাপত্তা প্ৰদান তেওলোকৰ সৱলীকৰণৰ জৰিয়তে যাতে তেওলোকে পুৰষৰ সমানে সা সুবিধা অধিকাৰ আদায় কৰিব পাৰে। এই কথাটো এই দীৰ্ঘম্যাদি ১৭টা লক্ষ্যৰ ভিতৰত অন্যতম লক্ষ্য। তাৰ লগত আছে বিশুদ্ধ খোৱা পানী আৰু অনাময় ব্যৱস্থা গতিকে এই যিখিনি আমি priority বা basic needs প্ৰত্যোকজন নাগৰিকৰ যি মৌলিক অধিকাৰ তাৰ লগত এইখিনি সাধন কৰিবলৈ ১৭ টা development goal ৰ লগত আৰু কেইটামান add কৰিছে গতিকে আমি এটা Division কৰিব বিচাৰিছো যে, এই কেইটা হ'ল জনসাধাৰণৰ মৌলিক প্ৰয়োজন। আৰু এই মৌলিক প্ৰয়োজনখিনি তেওলোকে যাতে লাভ কৰে তাৰ কাৰনে দীৰ্ঘম্যাদী উন্নয়নৰ লক্ষ্যত যিহেতু আমি উদ্যোগীকৰণ কৰো বা জনসাধাৰনৰ প্ৰত্যোকে যাতে ভাল কৈ উদ্যোগীকৰণৰ বিভিন্ন ক্ষেত্ৰত কাম কৰিবলৈপৰ্য্যাপ্ত পৰিমানে শক্তি পায় সেইটো ব্যাৱস্থা কৰিব লাগিব। ক্ষুধা নিবাৰণৰ কাৰনে খাদ্য সুৰক্ষা দিয়াৰ কাৰনে প্ৰতিজন নাগৰিকক আমি দৰিদ্ৰ সীমাৰেখাৰ ওপৰলৈ উঠাই অনাৰ কাৰনে হয়তো উদ্যোগীকৰণ হ'ব লাগিব। Sustainable industrialisation and faster innovation গতিকে এইটো উন্নয়ণৰ লক্ষ্যত নিৰ্দ্ধাৰিন কৰা হৈছে। তাৰ লগতে আমি জনসাধাৰণক তেওলোকে জীৱন ধাৰণ কৰাৰ কাৰনে যাতে প্ৰত্যোকে এটা ভাল আশ্ৰয়স্থল পায় , এটা আৱাস পায়, আৰু এটা যাতে Hygienic পৰিবেশত জীৱন ধাৰন বা থকাৰ সুবিধা লাভ কৰে। সেই কাৰনে Make cities and human settle-

ment- as logic এইটো উন্নয়নৰ লক্ষ্যত এটা অন্যতম লক্ষ্য হিচাপে নিৰ্দ্ধাৰণ কৰা হৈছে আৰু তাৰ লগতে আমি যিটো territorial echo system কৰিব লাগিব। তাৰ লগতে আমাৰ যিখিনি পৰিবেশ সংৰক্ষন কৰিব লাগিব, পৰিবেশ সংৰক্ষন কৰাৰ বাবে বনানীকৰণ বা বনাঞ্চলৰ বাবে যিখিনি মাটি আছে বা আয়তকালি আছে সেইখিনি সংৰক্ষণ কৰা এই Development Goal ত উল্লেখ কৰা হৈছে। যিহেতু পৰিবেশ সুৰক্ষিত হ'লে জনসাধাৰণৰ স্বাস্থ্য সুৰক্ষিত হ'ব। গতিকে এই কথাখিনি অতি গুৰুত্বপূৰ্ণ কিন্তু সভাপতি মহোদয় এতিয়া প্ৰশ্নটো হ'ল আমি এই জনসাধাৰনক যাতে দৰিদ্ৰতা নিৰ্মূল কৰি ক্ষুধা নিবাৰণ কৰি খাদ্যৰ সুৰক্ষা প্ৰদান কৰি পুষ্টিকৰ খাদ্য প্ৰদান কৰি স্বাস্থ্যকৰ শিক্ষা , গুনগত শিক্ষা , অনাময় এই গোটেইখিনি যে দিম আৰু এই লক্ষ্যত যে আমি উপনীত হ'ম তাৰ কাৰনে সময় কি লাগিব resource- কি লাগিব? বহুতে প্ৰথমতে ক'ব ,আমাক প্ৰথমে লাগিব Capital এতিয়া সভাপতি মহোদয়, আমাৰ এই বছৰ যিটো ৯০ হাজাৰ কোটি টকীয়া যিটো বাজেট আমি পবিত্ৰ সদনত আমি পাছ কৰি দিলো আৰু এই বছৰত আমি ১৭ টা লক্ষ্যত উপনীত হোৱাৰ কাৰনে আমাৰ ৯০ হাজাৰ কোটি টকীয়া বাজেটে আমাৰ কিমান দুৰ সহায় কৰিব বা বাজেট যিটো আমি নিৰ্দ্ধাৰিন কৰি দিলো এই পুঁজিৰ সহায়ত আমি এই এক বছৰত আমি যিখিনি উন্নয়নী লক্ষ্যত উপনীত হ'ব লাগে ১ বছৰত Milestone টো আমি অতিক্ৰম কৰিব পাৰিমনে নাই? এই কথাটো আমি চিন্তা কৰিব লাগে। বহুতে হয়তো ক'ব যে , আমাৰ যিটো বাজেট নিৰ্দ্ধাৰণ কৰা হৈছে এই বাজেটটো sufficient হোৱা নাই, হয়তো বেছিকৈ ধৰিলে আমি উন্নয়নী লক্ষ্যত আৰু অধিক আগবাঢ়ি যাব পাৰিম। কিন্তু সভাপতি মহোদয, মই কথাটো এনেকৈ নাভাবো মই ভাবো ৯০ হাজাৰ কোটি টকাৰ যিটো বাজেট এই বছৰ আমি নিৰ্দ্ধাৰন কৰিলো এইটো এটা sufficient বাজেট। অতি কম এটা বাজেট নহয়, সৰু সুৰা বাজেট নহয় । আমি উন্নয়নী লক্ষ্যত আমাৰ যি ১৭ টা Goal achieve কৰাৰ ক্ষেত্ৰত ১ বছৰত আমি যিখিনি দুৰত্ব অতিক্ৰম কৰিব লাগে সেইখিনি কৰাৰ বাবে এইটো এটা সৰু বাজেট নহয়। ইনচাফিচিয়েন্ট বাজেট নহয় বুলি মই ক'ব খোজো সভাপতি মহোদয়। কাৰণ আমি যদি ভাবো ১ বছৰত উন্নয়নী লক্ষ্য অতিক্ৰম কৰিবলৈ আমি ৫ লাখ কোটি টকাৰ বাজেট ধৰিব লাগিছিল, এইটো আমি ক'লেই নহ'ব। আমাৰ ৰাজ্যৰ যিখিনি resource আছে আমাৰ যিখিনি revenue collection ৰ যিটো source আছে সেই source খিনিৰে আমি ৫ লাখ কোটি টকাৰ বাজেট ধাৰ্য্য কৰিলেই সেই প্ৰয়োজনীয় revenue collect কৰিব পাৰিমনেকি? বা capital receipt যিখিনি আমাৰ এই শিতানত ধাৰ্য্য কৰা হৈছে আমি সেইখিনি কৰিব পাৰিমনেকি ? যিটো আমাৰ দ্বাৰা সম্ভৱ নহ'ব গতিকে আমি ৯০ হাজাৰ কোটি টকাৰ বাজেটটো ৫ লাখ কোটি টকাৰ বাজেট নিৰ্দ্ধাৰণ কৰিলেই আমি যদি লক্ষ্যত উপনীত হ'ব নোৱাৰো তেনেহ'লে বৃহৎ কলেৱৰৰ বাজেট ধৰি কি লাভ হ'ব? গতিকে মই ভাবো অধ্যক্ষ মহোদয় যে, যিটো ৯০ হাজাৰ কোটি টকাৰ বাজেট ধৰা হৈছে ,এইটো insufficient budget নহয়। আজি পবিত্ৰ সদনত জোৰ দি ক'ব খুজিছো যে আমাৰ এই ১৭ টা উন্নয়নী লক্ষ্যত উপনীত হ'বলৈ হ'লে আমাৰ ৩ ধৰনৰ capital লাগিব। তিনিধৰনৰ সমল লাগিব । তাৰে এটা হ'ল আমাৰ যিটো বাজেট নিৰ্দ্ধাৰিত পুঁজি সেইটো। এটাই আমাৰ মুলধন হ'ল বাজেট নিৰ্দ্ধাৰিত পুঁজি আৰু দুটা গুৰুত্বপূৰ্ণ কেপিটেল মুলধনী পুঁজি আছে তাৰে দুই নম্বৰ আমাৰ মুলধনটো হ'ল যে আমাৰ স্বচ্ছতা বা কাম কৰাৰ প্ৰবণতা, জনসাধাৰনৰ উন্নয়নৰ বাবে আমাৰ যিসকলে এই বাজেটৰ ৯০ হাজাৰ কোটি টকা খৰছ কৰিম , ইয়াত পৰোক্ষভাৱে- প্ৰত্যক্ষভাৱে যিসকলে এই বাজেটৰ টকা খৰছ কৰাৰ কাৰনে আমি দায়বদ্ধ আমি

যিসকলে কামটো কৰিম , তেওলোকে জনসাধাৰনৰ প্ৰতি মৰম ভালপোৰা অসমখনক সামগ্ৰিকভাবে উন্নয়নৰ পথত আগবঢ়াই নিয়াৰ কাৰনে তেওলোকৰ যিটো মানসিকতা আৰু ৰাজ্যখনৰ প্ৰতি দায়বদ্ধতা, ৰাজ্যখনক আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত জনসাধাৰণক দৰিদ্ৰতা আৰু ক্ষুধাৰ তাড়নাৰ পৰা মুক্তি দিয়াৰ কাৰনে যিটো মানসিক Spirit এইটো গুৰুত্বপূৰ্ণ, important এটা Capital গুৰুত্বপূৰ্ণ এটা মূলধন। আমি যিসকলে ৯০০০ কোটি টকাৰ বাজেট খৰছ কৰিম। পৰোক্ষ-প্ৰত্যক্ষভাবে যিসকল জড়িত, তেওলোকৰ আন্তৰিকতা থাকিব লাগিব। আমি এই টকাটোৰে এই ১৭ টা উন্নয়নী লক্ষ্যত ৰাজ্যখনক আগুৱাই নিয়াৰ কাৰনে, জনসাধাৰনক সকাহ দিয়াৰ কাৰনে, আমি এই টকাখিনিৰ সদব্যাৱহাৰ কৰি আমি অসমখনক আগুৱাই লৈ যাম। এই মানসিকতা , এই spirit , এই ৰাষ্ট্ৰ প্ৰেম , এইটো গুৰুত্বপূৰ্ণ। এইটো এটা অতি গুৰুত্বপূৰ্ণ capital মূলধন। সেইটো মূলধনটো যদি লগত নাথাকে তেনেহলে ৯০ হাজাৰ কোটি টকৰে কেতিয়াও আমি আমাৰ লক্ষ্যত উপনীত হ'ব নোৱাৰিম । তাৰ লগতে আৰু এটা মুলধনৰ কথা উল্লেখ কৰিব বিচাৰিছো সেইটো হ'ল কৰ্মসংস্কৃতি। আমি যিসকলে এই বাজেটৰ টকাটো খৰছ কৰিম , তাত যদি জনপ্ৰতিনিধি হওঁক বা আমাৰ বিষয়া- আমোলা কৰ্মচাৰী হওঁক তেওঁলোকে তেওলোকৰ যিটো alloted time আছে কাম কৰাৰ সময় আছে ।

তাত যিটো জনপ্ৰতিনিধিয়ে হওঁক, বিষয়া আমোলা কৰ্মচাৰীয়ে হওঁক, তেওঁলোকৰ যিটো কাম কৰাৰ সময় আছে, সেই সময়ৰ সৎ ব্যৱহাৰ কৰে । যাতে দৈনিক মুঠ যিমান সময় কাম কৰাৰ কাৰণে, আমাৰ বিধিয়ে, চৰকাৰী নীতিনিয়ম বা গাইডলাইন বিলাকে বা চাৰ্ভিছ ৰুলে, যিখিনি সময় বান্ধি দিছে যে দৈনিক ইমানখিনি সময় জনসাধৰণৰ কাৰণে এই বাজেটৰ **৯০** হাজাৰ কোটি টকা খৰছ কৰাৰ কাৰণে অসমখনক সামগ্ৰীক ভাৱে উন্নয়নৰ পথত আগুৱাই নিয়াৰ দৈনিক বান্ধিদিয়া সময়খিনি কাম কৰিবই লাগিব। তাতকৈ যাতে আধাঘন্টা সময় যাতে লচ নহয়। এই মানসিকতা গঢ়লৈ উঠিব লাগিব। কৰ্ম সংস্কৃতি জীয়াই ৰাখিব লাগিব। এই তিনি নম্বৰ যিটো মুলধন কৰ্ম সংস্কৃতি সেই যদি নিশ্চিত কৰা নহয়, তেনেহ'লে আমি ভাৱো **৯০** হাজাৰ কোটি টকাৰ বাজেট নহয়, যদি আমি **১০** লাখ কোটি টকাৰ বাজেটেও নিৰ্ধাৰণ কৰো। সেই বাজেটৰে আমি **১** বছৰত যিখিনি mile stone অতিক্ৰম কৰিব লাগে। আমাৰ ৰাজ্যখনত **১৭** টা উন্নয়নৰ লক্ষ্যক বা দীৰ্ঘম্যাদী উন্নয়নৰ লক্ষ্যত উপনীত কৰাৰ কাৰণে আমি নিশ্চয় সফল হ'ব নোৱাৰিম। গতিকে সভাপতি মহোদয়, আমাৰ এই তিনিটা বাজেট এটা হ'ল **৯০** হাজাৰ কোটি টকাৰ পুঁজিৰ বাজেট, দ্বিতীয়তে হ'ল আমি কাম কৰাৰ জনসাধৰণক মুক্তি দিয়াৰ, অসমখনক উন্নয়নৰ পথত আগুৱাই নিয়াৰ কাৰণে আমাৰ যিটো মানসিকতা, কাম কৰাৰ আন্তৰিকতা আৰু তৃতীয়তে হ'ল কৰ্ম সংস্কৃতি। এই তিনিটা মুলধন যদি আমি সফল ভাৱে সৎ ব্যৱহাৰ কৰিব পাৰো, তেনেহ'লে মই ভাৱো মাননীয় সভাপতি মহোদয়, বিগত বিশ বছৰত এই দীৰ্ঘম্যাদী উন্নয়নৰ পথত আমাৰ ৰাজ্যখন যিমান আগুৱাই গৈছে, এক বছৰত তাতোকৈ বেছি দূৰ আগুৱাই যাব এই **৯০** হাজাৰ কোটি টকা বাজেট খৰচ কৰি আমি **২০** বছৰতকৈ বেছি আগুৱাই লৈ যাব পাৰিম। যদি তিনিটা মুলধন একত্ৰিত ভাৱে আগুৱাই লৈ যাব পাৰো। আমাৰ নিৰ্ধাৰিত পুঁজি, কৰ্ম সংস্কৃতি আৰু আন্তৰিকতা। এই তিনিটা পুঁজি যদি আমি একলেগে সৎ ব্যৱহাৰ কৰিব পাৰো।

মাননীয় সভাপতি মহোদয়, আমি অতি দুখৰে কবলৈ বাধ্য হৈছো যে বহু ক্ষেত্ৰত বিভিন্ন কাৰ্য্যালয়ত হঠাৎ যদি আপুনি যায়, দেখিব যে কাৰ্য্যালয়ত দিনৰ **১১** টা **১২** টা বজালৈকে বিষয়া

কৰ্মচাৰী সকল অহা নাই। আৰু ১১ টা ১২ টা বজাত আধাঘন্টা থাকি আকৌ ওলাই গ'ল কৰবাত চাহ খোৱাৰ কাৰণে দুইঘণ্টা পিছত আকৌ আহিছে। তাৰ পিছতে যিবিলাক আঁচনি বা প্ৰকল্পৰ কাম বিলাক যেনেকৈ হয় proper monitoring যেনেকৈ হ'ব লাগে, supervision যেনেকৈ হ'ব লাগে, বহুত আঁচনি ধৰা হ'ল, আঁচনিৰ কাম বিলাক শুভাৰম্ভ কৰা হ'ল। আঁচনিৰ কাম আগুৱাই গৈ থাকিলে, সম্পূৰ্ণ হ'ল। কিন্তু কোঠালিতে বহি বহি চহী কৰি বিল পাছ কৰি দিয়া হ'ল। এবাৰো supervision কৰিবলৈ, monitor কৰিবলৈ কোনো বিষয়া কৰ্মচাৰী তালৈ নগ'ল। গতিকে তাত কামটো ভালকৈ হ'ল নে নহ'ল গাইডলাইন মতে হ'ল নে নহ'ল, কামটো জনসাধৰণৰ কাৰণে সফল হ'ল, নে এইটো আকৌ দুই এক বছৰ পিছত আকৌ যিটো সফলতা জনসাধাৰণে পাব লাগিছিল, সেই সফলতাৰ পৰা জনসাধাৰণ বঞ্চিত হ'ব সেইটো নিশ্চিত নকৰাকৈ বিল পাছ হৈয় গ'ল, সকলোবিলাক পাৰ হৈ গ'ল। কিন্তু আঁচনি বা প্ৰকল্পৰ কাম আধৰুৱা হ'ল, সম্পূৰ্ণ নহ'ল আৰু যাৰ সুফল জনসাধাৰণে ভুগিব লগা হয়। গতিকে সেই আন্তৰিকতা, সেই মানসিকতা যদি আমি এই পুঁজিৰ লগত একত্ৰিত কৰি আগুৱাই লৈ যাব নোৱাৰো তেনেহ'লে এই দীৰ্ঘম্যাদী উন্নয়নৰ লক্ষ্য নিৰ্ধাৰণৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখনে হয়তো আৰু ৫০ বছৰতো আশা কৰিব নোৱাৰে। যদিও আমি target টো ২০৩০ চনলৈকে বান্ধি দিছো।

গতিকে মাননীয় সভাপতি মহোদয়, তাৰ লগতে মই এটা কথা ক'ব খোজো যে ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা ডাঙৰীয়া তেখেতে এটা কাহিনী উল্লেখ কৰিছিল যে তেখেতে আমেৰিকাত থাকোতে এবাৰ অতি ঠাণ্ডাৰ দিনত ৰাতিপুৱা দেখিছে যে এজন সাত-আঠ বছৰীয়া সৰু লৰাই তেওঁ কোট, টাই জেকেট, জোতা মোজা আদি পিন্ধি জাপ মাৰি পানীৰ তলত নামিছে। তাৰ পিছত পানীৰ তলৰ পৰা যেতিয়া লৰাজন উঠি আহিছে ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা ডাঙৰীয়াই ল'ৰাজনক আচৰিত হৈ সুধিছে যে ইমান ঠাণ্ডাৰ বতৰত তুমি জাপ মাৰি ৰাতিপুৱা পানীৰ তলত কিয় গলা, কাৰণ কি ? লৰাজনে কলে যে মোৰ লগত যে সৰু ভাইটো আছে, সি পাচঁ বছৰীয়া, সি বুজি নাপাই নাজানি ৰাস্তাৰ পৰা শিলগুটি দলিয়াই পানীত পেলাই দিছিল। সি নাজানিছিল যে এই শিলগুটিটো আমেৰিকাৰ ৰাষ্ট্ৰীয় সম্পত্তি। গতিকে সেই শিলগুটিটো পানীত দলিয়াই দিয়াৰ কাৰণে আমাৰ আমেৰিকাৰ এটা ৰাষ্ট্ৰীয় সম্পত্তিৰ ক্ষতি হ'ল। জনসাধাৰণৰ লোকচান হ'ল। এই সৰু ভাইটিয়ে নাজানে, গতিকে মইতো বুজি পাওঁ, মোৰ বয়স এতিয়া আঠ বছৰ, মই তৃতীয় শ্ৰেণীত পঢ়ি আছো। সেই কাৰণে মই পানীৰ তলৰ পৰা জাপ মাৰি সেই শিলগুটিটো বিচাৰি আনি পেলাই ৰাস্তাৰ মাজত আকৌ সংস্থাপন কৰিছো, য'ত শিলগুটিটো আছিল। যি আমেৰিকাত সৰু ল'ৰা এটাই য'ত দেশৰ প্ৰতি দায়বদ্ধ থাকে, য'তনেকি এটা সৰু লৰাই এটা শিলগুটিৰ মুল্য বুজি পায়, সেই শিলগুটিটো পানীৰ পেলাই দিলে যে ৰাষ্ট্ৰৰ ক্ষতি হয়। সেই sense of nationality, sense of responsibility এটা আঠ বছৰীয়া শিশুৰ এই মানসিকতা থাকে । সেই আমেৰিকা আজি বিশ্বৰ সৰ্বশক্তিশালী নহলে আৰু কোন দেশ হ'ব মাননীয় সভাপতি মহোদয়। গতিকে মই এই কথাটো বুজাব খুজিছো যে আমাৰ ৯০ হাজাৰ কোটি টকাৰ বাজেট insufficient নহয়। যথেষ্ট sufficient বাজেট। তাৰ লগত আমি ৰাষ্ট্ৰ প্ৰেম, ৰাষ্ট্ৰীয়তা আৰু মানৱ প্ৰেম আৰু লগতে কৰ্ম সংস্কৃতি যদি একেলগে যোৰা দিব নোৱাৰো, তেনেহ'লে নিশ্চয় Sustainable Development Goals আমাৰ যিটো লক্ষ্যত উপনীত হ'বলৈ গৈ আছো। সেইটোৰ ক্ষেত্ৰত আমি কেতিয়াও হয়তো যাব নোৱাৰিম।

মাননীয় সভাপতি মহোদয়, মোৰ মনত পৰিছে আমি যেতিয়া এল পি স্কুলত পঢ়ো, তেতিয়া মোৰ শ্ৰদ্ধাৰ পিতৃয়ে আমাক এটা কথা কৈছিল, তেতিয়া শিকাইছিল যে আমাৰ ভাৰতবৰ্ষ এখন দুখীয়া ৰাষ্ট্ৰ এই কাৰণে নহয় যে ভাৰতবৰ্ষত আমাৰ পুঁজি কম, আমাৰ ৰাজহ কম, আমাৰ আয় কম, বাজেটতো সৰু হয়। সেইকাৰণে ভাৰতবৰ্ষ দুখীয়া ৰাষ্ট্ৰ নহয়। আমাৰ ভাৰতৰ যিখিনি পুঁজি আছে, যিখিনি ৰাজহ সংগ্ৰহ হয়, সেইটো যথেষ্ট বাজেট। কিন্তু তেখেতে কৈছে ভাৰতবৰ্ষ এই কাৰণে দুখীয়া সেই বাজেটৰ টকা যেতিয়া খৰচ কৰে, তাত ৰাষ্ট্ৰীয় প্ৰেম কাৰো অন্তৰত নাই, জনসাধাৰণৰ প্ৰেম নাই। সেই টকাতো খৰচ কৰাৰ সময়ত যিটো আন্তৰিকতাৰে ৰাইজৰ উপকাৰৰ কথাটো ভাৰি খৰচ কৰিব লাগিছিল, তেনেকৈ নকৰি পেলাই সকলোৰে চিন্তা কৰে যে এই আঁচনিটো বা প্ৰকল্পটো কৰাৰ আগতে কি পদ্ধতিৰে কৰিলে তাৰ পৰা অলপ পইচা ৰাহি হ'ব। কেনেকৈ অলপ ব্যক্তিগত ভাৱে মই মুনাফা অৰ্জন কৰিব পাৰিম। সকলোৰে ধান্ধা এনেকুৱা থাকে, সকলোৰে মানসিকতা এনেকুৱা থাকে আৰু ভাৰতবৰ্ষৰ এই দূৰ্নীতিৰ কাৰণে আৰু বিকৃত মানসিকতাৰ কাৰণে আচলতে ভাৰতবৰ্ষ আগুৱাই যাব পৰা নাই। ভাৰতবৰ্ষত পুঁজি কম বা বাজেট সৰু, সেই কাৰণে ভাৰতবৰ্ষ দুখীয়া নহয়। মোৰ শ্ৰদ্ধাৰ পিতৃয়ে মোক এনেকৈ বুজাইছিল। তেখেতে আমাক শিক্ষা দিছিল ভৱিষ্যৎে তুমি যতে কাম কৰা , দেশৰ যিটো স্থানত থাকি তুমি দেশৰ সেঁৱা কৰাৰ সুবিধা পোৱা কৰা, কিন্তু এই কথাটো মনত ৰাখিবা যে সকলোৰে উপকাৰ হয়, তেনেহ'লে জানিবা তাৰ ভিতৰত তুমিও এজন। জনসাধাৰণ উপকাৰ হোৱা মানে, তোমাৰ উপকাৰ হোৱা। গতিকে ব্যক্তিগত ভাৱে লাখ লাখ জনসাধাৰণক বঞ্চিত কৰি তুমি নিজৰ পুঁজি বা নিজৰ বেংক বেলেন্স বঢ়োৱা, নিজৰ সম্পত্তি বঢ়োৱা, এনেকুৱা কেতিয়াও মানসিকতা বা চিন্তা ধাৰণাৰে কাম নকৰিবা। ৰাইজৰ উপকাৰ হ'লে তুমি নিজেও এজন ৰাইজৰ হৈ তুমি উপকাৰটো পাবা। মোৰ পিতৃয়ে সৰুতে শিকাইছিল যেতিয়া আমি এল পি স্কুলত। তথাপিও আমি যেতিয়া ডাঙৰ হ'লো, তেতিয়া আমি বুজি পালো সচাঁকৈ যে আমাৰ যিখিনি বাজেট নিৰ্ধাৰিত পুঁজি থাকে বা আমাৰ যিমান source আছে, ইমান source ৰ পিছতো আমি এতিয়া উন্নয়নশীল ৰাষ্ট্ৰ হৈ আছো, আমি এতিয়াও কিয় উন্নয়নৰ পথত আগবাঢ়ি যাব পৰা নাই। নি-সন্দেহে আমাৰ বাজেটতো সৰু নহয়। কিন্তু আমাৰ মানসিকতা নাই, আমাৰ কৰ্ম সংস্কৃতিৰ অভাৱ আৰু সেই কাৰণে মাননীয় সভাপতি মহোদয়, আমি আজি কবলৈ বাধ্য হৈছে যে আমাৰ ৰাজ্যখনত আমি দীৰ্ঘম্যাদী উন্নয়নৰ পথত আগুৱাই নিব পৰা নাই। গতিকে এই কথাটো আমি আজি সদনত সকলোৰে গুৰুত্ব দিয়াৰ কাৰণে অনুৰোধ জনাইছো। আমি এই Sustainable Development Goals achieve কৰাৰ কাৰণে যি পৰ্য্যায়ত আছে, প্ৰত্যেকে ৰাষ্ট্ৰীয় প্ৰেমটো অন্তৰত ৰাখি, মানুহৰ ভালপোৱাৰ যিটো মানসিকতা, সেইটো অন্তৰত ৰাখি যদি আমি পথত আগুৱাই যাওঁ, কাম কৰি যাওঁ, নি-সন্দেহে আমাৰ অসমত এক বছৰৰ ভিতৰত আমি Sustainable Development Goals বা এই পথত আগুৱাই নিয়াৰ কাৰণে বহুতখিনি এই ক্ষেত্ৰত ৰাজ্যখনক অগ্ৰসৰ কৰি আমি দেখুৱাব পাৰিম। মাননীয় সভাপতি মহোদয়,মই আপোনাৰ জৰিয়তে এটা কথা বিচাৰো যে আমাৰ ৰাজ্যখন তেতিয়া আগুৱাই যাব, যেতিয়া আমি সৰ্বসাধাৰণ ৰাইজৰ দুখ-বেদনা বিলাক আমি প্ৰত্যেকে উপলব্ধি কৰিব পাৰিম। কাৰণ আমি যদি দেখো যে আমাৰ লগত যিখিনি তথ্য দিয়া হৈছে পবিত্ৰ সদনত যে ৰাজ্যখনৰ current GSDP ২২,৪৯,৮০০.৯৭৬ কোটি। যিটো শতকৰা ১০.৫৫ current GSDP আছে। গতিকে ইয়াৰ ওপৰত যিখিনি source আছে, তাৰ ওপৰত ভিত্তি কৰি আগুৱাই যাব লাগিব।

কিন্তু আৰু এটা কথা আমি অতি আক্ষেপৰে কবলৈ বাধ্য হৈছো মাননীয় সভাপতি মহোদয়, যে আমাৰ অসমখন যিহেতু কৃষিভিত্তি অৰ্থনীতিৰ ওপৰত নিৰ্ভৰশীল। গতিকে আমাৰ কৃষিভিত্তি অৰ্থনীতি আমি আগুৱাই নিব লাগিব। আৰু তাৰ কাৰণে কিছুমান পলিচি এনেকৈ লব লাগিব যে যিবিলাক কৃষিজাত সামগ্ৰীৰ মুল্য, কৃষকসকলে যিখিনি কৃষিজাত সামগ্ৰী উৎপদান কৰে, তাৰ যিটো মুল্য তেওঁলোকে পাব লাগে। যদি যথোচিৎ মুল্যটো তেওঁলোকে নাপাই তেনেহ'লে কৃষকসকলৰ যিটো লচ হ'ব বা তেওঁলোকে কৃষিকৰ্ম কৰি যিটো লোকচানৰ সন্মুখীন হ'ব, এইটো সামগ্ৰিকভাৱে আমাৰ ৰাজ্যখনৰ GSDP বা আমাৰ দৰিদ্ৰ জনসাধাৰণক দৰিদ্ৰতাৰ পৰা মুক্তি দিয়া বা অনাহাৰ বা ক্ষুধাৰ, এনেধৰণৰ সামাজিক সমস্যাৰ পৰা মুক্তি দিয়াটো কেতিয়াও সম্ভৱ নহ'ব। এটা উদ্বেগজনক চিত্ৰ আপোনাক দৃষ্টিগোচৰ কৰিব বিচাৰিছো সভাপতি মহোদয়, যোৱা ২০১১/২০১২ ত যিটো কৃষি ভিত্তিত কৃষিজাত সামগ্ৰীৰ মূল্য যিটো আছিলে, ১৯.৮৯ শতাংশ সেইটো যোৱা ২০১৬/ ২০১৭ ত ১৯.৩৪ শতাংশ লৈ হ্ৰাস পালে। ছয় বছৰ পিছত য'ত বৃদ্ধি পাব লাগিছিল, সেইটো হ্ৰাস পাইছে। গতিকে ইয়াৰ লোকচানটো Ultimately আমাৰ কৃষক সকলে দৰিদ্ৰ উপান্ত কৃষক সকলে ভুগিব লগা হৈছে। গতিকে আমাৰ কৃষি ভিত্তিক অৰ্থনীতি যেতিয়া মাধমাৰ খাব তেতিয়া ৰাজ্যখন সামগ্ৰীক ভাৱে অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত পিছুৱাই যাবলৈ বাধ্য। যিহেতু নিৰনুৱা সমস্যা সমাধান কৰাৰ কাৰণে আমাৰ Industrial Sector টো আমি আগুৱাই নিৱই লাগিব। কিন্তু Industrial Sector টো আমি আগুৱাই নিবই লাগিব। কিন্তু Industrial Sector ৰ যিটো Share এই Share টো দেখিছো, ২০১১/২০১২ ত যিটো ৩০. ৬৩ শতাংশ আছিলে সেইটো হ্ৰাস পাই ২০১৬/২০১৭ ত ২৮.৭২ শতাংশ লৈ নামি আহিলে। Industrial Sector ত Share আমি বঢ়াব লাগে। দেখা গল কমি আহিল কিয় কমি আহিল হয়টো তাৰ কেইটা মান কাৰণ হব যাৰ কাৰণে আমাৰ গুৰু উদ্যোগ ১২টা মান যত আমাৰ জাগীৰোডৰ কাগজ কল, পঞ্চগ্ৰাম কাগজ কল, অশোক কাগজ কল আৰু এনেকৈ Spun and Silk Mill আৰু জাগীৰোডৰ বৰুৱা বামুন গাওঁৰ সূতা উদ্যোগ, কামপুৰৰ কাগজ কল এনেকৈ বিভিন্ন গুৰু উদ্যোগ বিলাক এটাৰ পিছত এটাকৈ মৃত্যু মুখত পৰিছে আৰু আমাৰ Industrial policy ৰ কাৰণে আমাৰ উদ্যোগিক নীতিৰ কাৰণে আচলতে এতিয়া Share টো কমি আহিছে। মানুহ হতাশ হৈ গৈছে, বা যি সকল investors যি সকলে বিনিয়োগ কৰিব বিনিয়োগ কাৰী সকলে ভাবিছে অসমত উদ্যোগিক যিটো নীতি আৰু উদ্যোগিক উন্নয়ন দেখা গৈছে, ইয়াত উদ্যোগ বিলাক এটাৰ পিছত এটা মৃত্যু মুখত পৰিছে। ইয়াত লাভ জনক হৈ থকা নাই আৰু ইয়াত বিনিয়োগ কৰা মানে Ultimately loss হব লাগিব। গতিকে Share টো কমি আহিছে। য'ত PPP Mode ত আমাৰ চৰকাৰে যি বিলাক উদ্যোগ কৰিব বিচাৰিছে গতিকে PPP Mode ত উদ্যোগ বিলাক কৰিবলৈ হলে আমাৰ Private investors আমি Encourage কৰিব লাগিব। কিন্তু যেতিয়া Private investors সকল হতাশ হৈ গৈছে, যে তেওঁলোকে আমাৰ উদ্যোগিক ক্ষেত্ৰত Invest কৰিলে লোকচান হব। আমাৰ ৰাজ্যখনে তাৰ কাৰণে উদ্যোগীকৰণটো আমি আগুৱাই নিব পৰা নাই। উদ্যোগৰ শ্মশান যাত্ৰা আমি দেখা পাই আছো, আগৰ চৰকাৰৰ দিনতো আৰু এতিয়াৰ চৰকাৰৰ দিনতো উদ্যোগিক ক্ষেত্ৰত আমি একো কৰি দেখুৱাব পৰা নাই, লাহে লাহে আগৰ বিলাক মৃত্যু মুখত হে পৰি আছে। আৰু তাৰ লগতে Service Sector ত অকমান Increase হৈছে, ৪৩.৯৭ শতাংশৰ পৰা ৪৫. ৫১ শতাংশ সেইটো বহুত Satisfactroy তাৰ লগত আমি ভাৰো যে

